Azadi Ka Amrit Mahotsav

সত্যমেব জয়তে

অসম চৰকাৰ

অসম বাজেট ২০২২-২৩

# বাজেট ভাষণ

## ২০২২-২৩

**শ্ৰীমতী অজন্তা নেওগ**

**বিত্তমন্ত্ৰী, অসম চৰকাৰ**

১৬ মাৰ্চ, ২০২২

মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে মই এই পৱিত্ৰ সদনৰ প্ৰতি সন্মান জনাই ২০২২-২৩ বৰ্ষৰ পূৰ্ণাংগ বাজেট উত্থাপন কৰিবলৈ লৈছো আৰু সকলোৰে আশিষ কামনা কৰিছো। আৰম্ভণিতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ এটি গীতৰ কলিৰে ক'ব বিচাৰিছো—

**তোৰে মোৰে আলোকৰে যাত্ৰা**

**অব্যৰ্থ, অব্যৰ্থ**

**আমি পালো জীৱনৰ অৰ্থ অভিনৱ**

**স্বাগত স্বাগত সতীৰ্থ!**

সমাজ এখনলৈ ইতিবাচক পৰিৱৰ্তন আনিবৰ বাবে অৰ্থনৈতিক কাঠামো শক্তিশালী হোৱাটো অপৰিহাৰ্য। সবল অৰ্থনৈতিক স্থিতি অবিহনে আমি আলোকৰ যাত্ৰা কেতিয়াও অব্যাহত ৰাখিব নোৱাৰো। আজি মই ২০২২-২৩ বৰ্ষৰ বাবে আয় আৰু ব্যয় সম্বলিত বাৰ্ষিক বিত্তীয় বিৱৰণ উত্থাপন কৰিবৰ বাবে আকৌ এবাৰ আপোনালোকৰ সন্মুখত উপস্থিত হৈছো।

***মাননীয় অধ্যক্ষ মহোদয়,***

(১) মই অসমৰ জনসাধাৰণৰ প্ৰতি গভীৰ শ্ৰদ্ধাৰে উপস্থাপন কৰা প্ৰথমখন বাজেট দাখিল কৰাৰ সময়ত কৈছিলো যে ই হৈছে আমাৰ মিত্ৰজোঁট চৰকাৰৰ পৰৱৰ্তী ৫ বছৰীয়া কাৰ্যকালৰ এক দলিল। এখন ভিছন ডকুমেণ্ট। এটা বছৰৰ অন্তত আমি পুনৰ ঘূৰি চাম, কিমানদূৰ আমি আগবাঢ়িলো। যদি দেখো যে আমাৰ গতি আৰু বঢ়াব লাগিব, আমি থমকি নৰওঁ। পুনৰ গতিবেগ বঢ়াই আমাৰ ইপ্সিত লক্ষ্যত উপনীত হ'বলৈ মনৰ দৃঢ়তাৰে আগবাঢ়ি যাম। সেই একে নীতিকে সাৰোগত কৰি এই বাজেট উত্থাপনৰ মুহূৰ্তত মই দোহাৰিব খুজিছো যে আমাৰ মিত্ৰজোঁট চৰকাৰৰ প্ৰাথমিকতা হৈছে অসমৰ ৩ কোটি ৩০ লাখ জনতাৰ

সেৱা। তেখেতসকলৰ দুখ-দুৰ্দশা মোচন কৰি, ৰাজ্যখনৰ বাবে বিকাশৰ এক নতুন দিগন্তৰ সূচনা কৰাটো আমাৰ সৰ্বোচ্চ দায়িত্ব। অসমৰ কৰ্মোদ্যমী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰে এই নীতিকে সাৰোগত কৰি আগবাঢ়িছে।

(২) মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে দেশখনত 'আজাদী কা অমৃত মহোৎসৱ' পালন কৰি আছো আৰু ইতিমধ্যে আমাৰ চৰকাৰে **আজাদী কা অমৃত মহোৎসৱৰ** লগত সংগতি ৰাখি কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰিছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ স্বাধীনতা দিৱসৰ ভাষণত ভাৰত @১০০ (Future Vision for India@100 in 2047)ৰ ভিছন সম্পৰ্কে ব্যাখ্যা কৰিছে। দেশখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত তেখেতৰ প্ৰচেষ্টাৰ বাবে মই ভাৰতৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াক শলাগ যাচিছোঁ আৰু অসমৰ প্ৰতি থকা তেখেতৰ বিশেষ দৃষ্টিৰ বাবে কৃতজ্ঞতা জনাইছো। লগতে মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী ডাঙৰীয়াৰ প্ৰতিও আমি কৃতজ্ঞ। অমিত শ্বাহ ডাঙৰীয়াই এখন শান্তিপূৰ্ণ উত্তৰ-পূব গঢ়াৰ বাবে বিৰামহীন প্ৰচেষ্টা কৰি আহিছে। ৰাজ্যখনৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰত সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱাৰ বাবে এই ছেগতে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ ডাঙৰীয়ানীকো কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

(৩) ব্যক্তিগত লাভালাভৰ পৰিৱৰ্তে মূল্যবোধ আৰু কৰ্মৰ ওপৰত আমাৰ চৰকাৰৰ গভীৰ আস্থা আৰু বিশ্বাস আছে। বিগত ৯ মহীয়া শাসন কালত প্ৰশাসনিক ব্যৱস্থাটোক অধিক গতিশীল তথা সততা আৰু ন্যায়পৰায়ণতাৰ আধাৰত গঢ়ি তোলাৰ বাবে আমাৰ চৰকাৰে যিখিনি কৰিছে, সেয়া কেৱল অসমৰ জনসাধাৰণে চৰকাৰখনক দিয়া মৰম-চেনেহ আৰু আস্থাৰ বাবেহে সম্ভৱ হৈছে। এইক্ষেত্ৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কথা আমি উল্লেখ কৰিবই লাগিব আৰু তেখেতে নিৰৱচ্ছিন্নভাৱে প্ৰতিটো ক্ষেত্ৰতে আমাক সন্মুখৰ পৰা নেতৃত্ব দি অহাৰ বাবে তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেওঁৰ অক্লান্ত

প্ৰচেষ্টা আৰু উৎসৰ্গিত মনোভাৱে 'টীম অসম'ক এক নতুন গতি প্ৰদান কৰিছে।

(৪) মোৰ প্ৰথমখন বাজেট ইতিহাসৰ এক অন্ধকাৰময় সময়ত উত্থাপন কৰিছিলো, যি সময়ত সমগ্ৰ বিশ্বৰ লগতে আমাৰ ৰাজ্যখনেও কোভিড-১৯ মহামাৰীৰ ভয়াবহতাৰ সৈতে যুঁজ দি আছিল। ব্যাপক প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচীৰ জৰিয়তে এই প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ আমাৰ চৰকাৰে চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই। মোৰ দৃঢ় বিশ্বাস, সকলোৰে উৎসৰ্গিত প্ৰচেষ্টাত আমাৰ এই শক্তিশালী যাত্ৰা অব্যাহত থাকিব।

**গোলকীয় অৰ্থনৈতিক দৃশ্যপট**

(৫) বিশ্ব অৰ্থনীতিয়ে নতুন বিত্তীয় বৰ্ষ ২০২২-২৩ ত প্ৰৱেশ কৰাৰ লগে লগে সমগ্ৰ অৰ্থনৈতিক দৃশ্যপটটো আশা কৰাতকৈ দুৰ্বল হোৱা যেন দেখা গৈছে। ক'ভিড মহামাৰীৰ পৰৱৰ্তী ঢৌসমূহ, ইয়াৰ নতুন নতুন প্ৰজাতিৰ আবিৰ্ভাৱ সম্পৰ্কে আমি সকলোৱে অৱগত আৰু ৰাছিয়া-ইউক্ৰেইনৰ মাজত হোৱা যুদ্ধই গোলকীয় যোগান ব্যৱস্থাটোত সম্পূৰ্ণৰূপে ব্যাঘাত জন্মাইছে।

(৬) এই সমস্যাসমূহ নিৰাময় কৰাৰ অৰ্থে তথা বৃহৎ অৰ্থনৈতিক বিষয়সমূহ সমাধান কৰাৰ বাবে বিশ্বৰ বিভিন্ন দেশে একাধিক পদক্ষেপ গ্ৰহণ কৰিছে। স্বাস্থ্য খণ্ডৰ জটিলতা দূৰ কৰাৰ পৰা অৰ্থনৈতিক, বিত্তীয় আৰু অন্যান্য নীতি সম্পৰ্কীয় সংহত পদক্ষেপবোৰৰ জৰিয়তে এই কাম-কাজসমূহ সম্প্ৰসাৰিত কৰাত প্ৰতিখন দেশে গুৰুত্ব আৰোপ কৰিছে ।

(৭) গোলকীয় প্ৰত্যাহ্বান ক'ভিড মহামাৰীৰ ফলত যুৱক-যুৱতী, মহিলা আৰু কম দক্ষতাসম্পন্ন শ্ৰমিকসকলৰ বাবে সৃষ্টি হোৱা কৰ্ম সংস্থাপনহীনতা হৈছে এক অন্যতম উদ্বেগৰ বিষয়। ২০২১ চনৰ অক্টোবৰ মাহত আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিয়ে নিৰূপণ কৰা অনুসৰি মহামাৰীৰ ফলত উদ্ভৱ হোৱা অৰ্থনৈতিক দুৰৱস্থাই ৬৫ নিযুতৰ পৰা ৭৫ নিযুত লোকক

দৰিদ্ৰতাৰ কৰাল গ্ৰাসলৈ ঠেলি দিছে। অৱশ্যে, এই মহামাৰীৰ ফলত হোৱা ক্ষয়-ক্ষতি ৰোধ কৰাৰ অৰ্থে বিশ্বৰ দেশসমূহে বিভিন্ন সামাজিক খণ্ডৰ আঁচনিত তেওঁলোকৰ ধন ব্যয় কৰাৰ ফলত প্ৰবল দৰিদ্ৰতাৰ কবলত পৰা লোকৰ সংখ্যা হ্ৰাস পাইছে।

(৮) গোলকীয় বিকাশৰ হাৰ ২০২১ৰ ৫.৯ শতাংশৰ পৰা ২০২২ চনত ৪.৪ শতাংশলৈ কমিব বুলি আশা কৰা হৈছে, যিটো হৈছে ২০২১ চনৰ অক্টোবৰ মাহৰ World Economic Outlookত থকা হাৰতকৈ ২০২২ চনত আধা শতাংশ পইণ্ট কম।

**ক'ভিড-১৯ আৰু অসমৰ অৰ্থনীতি**

(৯) মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান অৰ্থনৈতিক ব্যৱস্থাত হোৱা পৰিৱৰ্তনৰ পৰা অসমে লাভ আদায়ৰ লগতে ক'ভিড-১৯ মহামাৰীৰ পৰৱৰ্তী সময়ছোৱাত মুকলি হোৱা নতুন নতুন কৰ্মক্ষেত্ৰসমূহত অগ্ৰণী ভূমিকা পালন কৰিব বিচাৰিছে। অৱশ্যে, পণ্ডিত দীনদয়াল উপাধ্যায়ৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ যিহেতু আমি এখন নতুন অসম গঢ়াৰ দিশত আগবাঢ়িছো, সেয়েহে আমিও এই মহামাৰীৰ সময়ছোৱাত আটাইতকৈ ক্ষতিগ্ৰস্ত হোৱা সমাজৰ দুৰ্বল শ্ৰেণীটো-অন্ত্যোদয়াৰ প্ৰতি অতি সতৰ্কতা আৰু সংবেদনশীলতাৰে কাম কৰিছো। সমাজৰ অতি দুৰ্বল শ্ৰেণীটোক সহায় কৰাৰ বাবে পুঁজি ব্যৱস্থাপনা আৰু আবণ্টন এতিয়াও চৰকাৰখনৰ বাবে সৰ্বাধিক গুৰুত্বৰ বিষয় হৈ আছে, ইয়াৰ পিছতহে অঞ্চলটোৰ বিকাশ আগবঢ়াই নিবলৈ বিনিয়োগত গুৰুত্ব প্ৰদান কৰা হৈছে।

(১০) মহামাৰীৰ প্ৰকোপ কমি অহাত চৰকাৰী ৰাজহ বৃদ্ধি হ'বলৈ ধৰা দেখা গৈছে। কেন্দ্ৰীয় চৰকাৰৰ ৰাজহ আগৰ বছৰৰ একে সময়ছোৱাৰ তুলনাত ২০২১ বৰ্ষৰ এপ্ৰিল-নৱেম্বৰ মাহৰ সময়ছোৱাত ৬৭ শতাংশ বৃদ্ধি পাইছিল। মাহে মাহে জি এছ টি সংগ্ৰহৰ মাত্ৰা বৃদ্ধি পোৱাৰ বাবে বিকাশৰ শ্ৰীবৃদ্ধিৰ ক্ষেত্ৰত ইন্ধন যোগাবলৈ সামাজিক কাৰ্যসূচী আৰু মূলধনী ব্যয় বঢ়াবলৈ চৰকাৰ সমৰ্থ হৈছে।

(১১) যুদ্ধকালীন তৎপৰতাৰে সমগ্ৰ দেশতে চলোৱা টিকাকৰণ অভিযানৰ সমান্তৰালভাৱে গ্ৰহণ কৰা সময়সাপেক্ষ ব্যৱস্থাৱলী ৰাষ্ট্ৰীয় মুঠ ঘৰুৱা উৎপাদন ২০২০-২১ বৰ্ষত অৱনমিত হোৱাৰ পিছত ২০২১-২২ বৰ্ষত ৯.২ শতাংশলৈ বৃদ্ধি হ'ব বুলি কৰা আশাক সাকাৰ ৰূপ দিছে।

(১২) অসমৰ অৰ্থনীতিও মহামাৰী অৱস্থাৰ পৰা ভালদৰে উজ্জীৱিত হৈ উঠিছে আৰু ই অধিক উন্নত স্বাস্থ্য সম্পৰ্কীয় আন্তঃগাঁথনিৰে ভৱিষ্যতে হ'ব পৰা ক'ভিড-১৯ সম্পৰ্কীয় আন যিকোনো জৰুৰী অৱস্থাৰ মোকাবিলা কৰাৰ ক্ষেত্ৰত অধিক উন্নত অৱস্থাত আছে। চলিত মহামাৰীৰ সময়ছোৱাত হেজাৰ হেজাৰ স্বাস্থ্যকৰ্মী আৰু অন্যান্য আগশাৰীৰ কৰ্মীৰ দ্বাৰা দিনে-ৰাতি আগবঢ়োৱা সেৱাৰ বাবে আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু প্ৰশংসাৰ কথা উল্লেখ নকৰিলে ই মোৰ কৰ্তব্যৰ এক ব্যৰ্থতা হ'ব।

(১৩) অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে মানৱ ইতিহাসৰ এটা আটাইতকৈ প্ৰত্যাহ্বানমূলক সময়ৰ মাজেৰে আমি আগবাঢ়িছো। কিন্তু মই দৃঢ়তাৰে কওঁ যে, আমাৰ শ্ৰদ্ধাৰ প্ৰধানমন্ত্ৰীৰ উত্তৰ-পূৰ্বাঞ্চলক 'বিকাশৰ নতুন ইঞ্জিন' হিচাপে গঢ়ি তোলাৰ অভিযানৰ দ্বাৰা অনুপ্ৰাণিত আৰু উৎসাহিত হৈ বিভিন্ন মূলধন ভিত্তিক নীতিৰ জৰিয়তে চৰকাৰে উন্নয়নৰ দিশত দ্ৰুত অভিযান চলাব।

(১৪) ৰাজ্যখনৰ অৰ্থনীতিৰ এক অন্যতম প্ৰতিফলন হ'ল মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP)। ২০২১-২২ বৰ্ষত পৰিৱৰ্তনশীল দৰত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ৪,৩৩,৯২৫ কোটি টকা হ'ব বুলি আশা কৰা হৈছে। ২০২০-২১ বৰ্ষৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনতকৈ ই ১৩.৮৯ শতাংশ অধিক। ক'ভিড মহামাৰীৰ সংকটৰ সময়ত ২০১৯-২০ আৰু ২০২০-২১ বৰ্ষত যেতিয়া বহুতো ৰাজ্যই নেতিবাচক বিকাশৰ হাৰ প্ৰদৰ্শন কৰিছিল, অসমেই হৈছে একমাত্ৰ ৰাজ্য যিয়ে ইতিবাচক বিকাশৰ হাৰ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। শেহতীয়া ছটা বছৰত

মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ধাৰা চলিত দৰত তলত দিয়া তালিকাখনত উল্লেখ কৰা হৈছে।

| বৰ্ষ | জি এছ ডি পি | |
|---|---|---|
| | চলিত মূল্য (কোটি টকা হিচাপত) | পূৰ্বৰ বৰ্ষৰ তুলনাত শতাংশৰ পৰিৱৰ্তন |
| ২০১৬-১৭ | ২৫৪৩২১ | ১১.৫৯ |
| ২০১৭-১৮ | ২৭৮৭১০ | ৯.৫৯ |
| ২০১৮-১৯ | ৩০৯৩৩৬ | ১০.৯৯ |
| ২০১৯-২০ (পি ই) | ৩৭৭৪০৫ | ২২.০০ |
| ২০২০-২১ (দ্বিতীয় পি ই) | ৩৮১০০৪ | ০.৯৫ |
| ২০২১-২২ (কিউ ই) | ৪৩৩৯২৫ | ১৩.৮৯ |

***উৎস ঃ** অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম আৰু পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়, ভাৰত চৰকাৰ।*

(১৫) ক'ভিড মহামাৰী স্বত্বেও ২০২০-২১ আৰু ২০২১-২২ বৰ্ষত প্ৰচুৰ বিকাশ লাভ কৰা কেইখনমান ৰাজ্যৰ ভিতৰত অসমো এখন।

(১৬) এইটো উল্লেখ কৰিব পাৰি যে ২০২১-২২ বৰ্ষত অসমলৈ আগবঢ়াবলগীয়া কেন্দ্ৰীয় কৰৰ অংশ হিচাপে পঞ্চদশ বিত্তীয় আয়োগে ২০,৬০০.৭৩ কোটি টকাত অনুমোদন দিছিল। অৱশ্যে, এই অংশৰ বাবদ ৰাজ্যসমূহে পাবলগীয়া ধন কমকৈ আদায় দিয়াৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা বকেয়া পুঁজি প্ৰদানৰ বিষয়টো নিষ্পত্তি কৰাৰ অন্তত ভাৰত চৰকাৰে ২০২১-২২ সময়ছোৱাত ২৫,১৭৬.৩৯ কোটি টকা মোকলাই দিছে।

(১৭) বিগত ৫ টা বছৰত, বৰ্দ্ধিত বাজেট আবণ্টনৰ ফলস্বৰূপে ব্যয়ৰ প্ৰৱণতা ঊৰ্ধ্বগামী হৈছে আৰু ই ৰাজ্যখনৰ ক্ৰয় সংক্ৰান্তীয় বৃহৎ সংস্কাৰৰ লগতে বিচক্ষণ বিত্তীয় ব্যৱস্থাপনা আৰু সুপৰিকল্পিত ব্যয়ৰ কথাই প্ৰতিপন্ন

কৰে। ৰাজ্যৰ সামগ্ৰিক ব্যয় ২০১৫-১৬ বৰ্ষৰ ৬৩ শতাংশৰ পৰা ২০১৯-২০ বৰ্ষত উল্লেখনীয়ভাৱে ৮৩ শতাংশলৈ বৃদ্ধি পাইছে। আনহাতে মূলধনী ব্যয়ো ২০১৫-১৬ বৰ্ষৰ ৪,৯১৯ কোটি টকাৰ পৰা ২০২০-২১ বৰ্ষত ১৪,৬৩০ কোটি টকালৈ বৃদ্ধি পাইছে। বাজেট আবণ্টনৰ বিপৰীতে সামগ্ৰিক ব্যয় তলত দিয়া তালিকাত দাঙি ধৰা হ'ল।

**বাজেট ব্যয়**

*(কোটি টকা হিচাপত)*

| বৰ্ষ | মুঠ ব্যয় | মূলধনী ব্যয় |
|---|---|---|
| ২০১৫-১৬ | ৪১৯৩১.৩২ | ২৯৫১.০০ |
| ২০১৬-১৭ | ৫৭৪০৬.৮১ | ৬০০১.৪৬ |
| ২০১৭-১৮ | ৬৫৩৮৬.৪৫ | ৭৯৪৬.৯১ |
| ২০১৮-১৯ | ৭১৮৫০.৫১ | ১১৩৬২.১৫ |
| ২০১৯-২০ | ৮২৪৮৮.১২ | ১৩৫০১.৫৮ |
| ২০২০-২১ | ৭৯১৫৪.৭৬ | ১৪৬৩০.০০ |

***উৎস ঃ** ফাইনেন্স একাউণ্টচ, এ জি, অসম*

(১৮) অৰ্থনৈতিক বিকাশৰ গতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে, ২০২১-২২ বৰ্ষত অসম চৰকাৰে কেইবাটাও মূলধনী-প্ৰধান প্ৰকল্পৰ কাম হাতত ল'বলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। বৰ্তমান নাবাৰ্ড আন্তঃগাঁথনি উন্নয়ন সাহায্য (NIDA) আঁচনিৰ অধীনত প্ৰায় ১১,১০০ কোটি টকা ব্যয়েৰে নতুন প্ৰকল্পৰ কাম গ্ৰাম্য আৰু অৰ্ধগ্ৰাম্য এলেকাত ৰূপায়িত হৈ আছে। সেইমৰ্মে সামাজিক খণ্ড বিশেষকৈ স্বাস্থ্য আৰু শিক্ষা, গ্ৰাম্য সংযোগ ব্যৱস্থা, কৃষি আৰু আনুষংগিক কাম-কাজ ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে ২০২১-২২ বৰ্ষত ৰাজ্য চৰকাৰে গ্ৰাম্য আন্তঃগাঁথনি সাহায্য আঁচনি (RIAS)ৰ অধীনত ১০০০ কোটি টকা আৰু গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (RIDF)ৰ অধীনত ২০০০ কোটি টকাৰ নতুন প্ৰকল্পৰ কাম হাতত লোৱাৰ সিদ্ধান্ত লোৱা হৈছে। NIDA আৰু

RIASৰ অধীনত অনুমোদিত প্ৰকল্পৰ বিস্তৃত তালিকা Annexure-I ত দিয়া হৈছে। RIDFৰ ক্ষেত্ৰত সৰহখিনি পুঁজিয়ে পথ আৰু জলসম্পদ প্ৰকল্পৰ বিপৰীতে মঞ্জুৰ কৰা হৈছে, যিটো মূলধনী পুঁজিৰ অন্তৰ্গত।

(১৯) চৰকাৰে আনুসংগিক খণ্ডত ফলপ্ৰসূ বিনিয়োগৰ জৰিয়তে নীতি আৰু প্ৰতিষ্ঠানগত সংস্কাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি অসমৰ বিকাশৰ সম্ভাৱনীয়তাৰ দুৱাৰ মুকলি কৰাৰ উদ্দেশ্যে এক অভিলাষী সংস্কাৰ কাৰ্যসূচী ৰূপায়ণ কৰি আছে। তিনিটা বৃহৎ ক্ষেত্ৰক সামৰি এই সংস্কাৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। প্ৰথমটো ক্ষেত্ৰ হ'ল— বাণিজ্যৰ সম্প্ৰসাৰণ, বিনিয়োগ বৃদ্ধি আৰু কৰ্মসংস্থাপন সৃষ্টি। দ্বিতীয় ক্ষেত্ৰটো হ'ল— সঘনাই সংঘটিত বিভিন্ন জলবায়ুকেন্দ্ৰিক দুৰ্যোগৰ পৰিপ্ৰেক্ষিতত পুনৰুজ্জীৱিতকৰণ ক্ষমতা বৃদ্ধিৰ ব্যৱস্থা শক্তিশালী কৰা, চৰকাৰী আৰু ব্যক্তিগত উভয় খণ্ডতে সেউজ বিনিয়োগ তথা সেউজ পদক্ষেপ আৰু সংযোজন প্ৰক্ৰিয়া দ্ৰুততৰ কৰাৰ বাবে সংহত পুঁজিৰ (consolidate funds) ব্যৱস্থা। তৃতীয় ক্ষেত্ৰটো হ'ল— কৃষি আৰু পৰ্যটন খণ্ডৰ উন্নয়ন। এইক্ষেত্ৰত সংস্কাৰ কাৰ্যসূচীৰ সহায়ক হোৱাকৈ চৰকাৰে বহিঃসাহায্যপ্ৰাপ্ত সংস্থা / উন্নয়ন সহযোগী আদিক নিয়োগ কৰাৰ ব্যৱস্থা কৰিছে। এইটো আশা কৰা হৈছে যে নিৰ্ধাৰিত সংস্কাৰ কাৰ্যসূচীসমূহে আনুসংগিক খণ্ডত উন্নয়ন প্ৰকল্পসমূহৰ ৰূপায়ণৰ পথ প্ৰশস্ত কৰিব।

(২০) লজিষ্টিক নীতি আৰু নেটৱৰ্কৰ উন্নয়নৰ বাবে বহুপাক্ষিক উন্নয়ন বেংকসমূহৰ সহযোগত জ্ঞান অধ্যয়ন আৰম্ভ কৰা হৈছে। এই ক্ষেত্ৰত বিশ্ব বেংক আৰু এছিয়ান ডেভেলপমেন্ট বেংক (ADB)ৰ লগত ইতিমধ্যে কেইবালানিও আলোচনা সম্পন্ন কৰা হৈছে। উন্নয়ন নীতিত বিত্তীয় যোগানৰ বাবে অসমলৈ বিশ্ববেংকৰ সাহায্যৰ অনুমোদনৰ প্ৰচুৰ সম্ভাৱনা আছে।

(২১) মহোদয়, মই এইটো সজোৰে উল্লেখ কৰো যে মুঠ ১৬,৮৪৩ কোটি টকাৰ বহিঃ সাহায্যৰে বিভিন্ন দিশত যেনে বিত্ত, পৰিবহণ, ৰাজহুৱা

সেৱা প্ৰদান, পথ আৰু দলঙৰ আন্তঃগাঁথনি, কৃষি, পৰিবেশ আৰু বন, পানীযোগান আৰু নলা নৰ্দমা, শক্তি, দক্ষতা বিকাশ ইত্যাদিত আঁচনি ৰূপায়ণ বিভিন্ন স্তৰত আছে। প্ৰায় ৩৭,৫৭৮ কোটি টকাৰ প্ৰকল্প ব্যয়েৰে পথ যোগাযোগ উন্নীতকৰণ আৰু শক্তি, মীন, স্বাস্থ্য, জলসম্পদ ক্ষেত্ৰৰ উন্নয়নৰ বাবে তালিকাভুক্ত হৈ আছে। তাৰোপৰি ১০,০০০ কোটি টকাতকৈ অধিক টকাৰ প্ৰকল্পৰ পৰিকল্পনা কৰা হৈছে আৰু এই সম্পৰ্কত পৰৱৰ্তী বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাখিল কৰা হ'ব। এই প্ৰকল্পসমূহৰ ভিতৰত বেছিভাগেই আন্তঃগাঁথনি উন্নয়নৰ বাবে মূলধন প্ৰধান, নিয়োগ সৃষ্টি আৰু দীৰ্ঘম্যাদী অৰ্থনৈতিক বিকাশ সম্পৰ্কীয়। EAP ৰ অন্তৰ্গত চলিত আৰু পৰিকল্পিত প্ৰকল্পসমূহৰ তালিকা সংলগ্ন -২ত সন্নিবিষ্ট কৰা হৈছে।

(২২) ভাৰত চৰকাৰে মূলধনী ব্যয়ৰ বাবে বিশেষ সাহায্যৰ জৰিয়তে অসমক চলিত বিত্তীয় বৰ্ষৰ বাবে ৬০০ কোটি টকাৰ সাহায্য আগবঢ়াইছে। ২০২২-২৩ বৰ্ষৰ বাবেও আমি বুজন পৰিমাণৰ ধন কেন্দ্ৰীয় চৰকাৰৰ পৰা আশা কৰিছো। এই বছৰৰ কেন্দ্ৰীয় বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে প্ৰধানমন্ত্ৰীৰ উন্নয়ন পদক্ষেপ চমুকৈ *PM-DevINE* নামৰ এখন নতুন আঁচনি ঘোষণা কৰিছে। এই আঁচনিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ আৱশ্যকতাৰ কথা অনুভৱ কৰি প্ৰধানমন্ত্ৰী গতিশক্তি আৰু সামাজিক উন্নয়ন প্ৰকল্পৰ গতিধাৰাৰ সামঞ্জস্য ৰক্ষা কৰি পুঁজিৰ আন্তঃগাঁথনি গঢ়ি তুলিব। উপৰিউক্ত বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ পৰা পাই থকা সমৰ্থনৰ বাবে মই ভাৰত চৰকাৰক গভীৰ কৃতজ্ঞতা জনাইছো।

(২৩) অধ্যক্ষ মহোদয়, সামগ্ৰিক বিকাশৰ দিশত অৰ্থনৈতিক অন্তৰ্ভুক্তিকৰণ হৈছে প্ৰথম পদক্ষেপ। ঐতিহাসিকভাৱে অতীজৰে পৰা সেৱা লাভৰ পৰা বঞ্চিত হৈ থকাসকলৰ বাবে উন্নতমানৰ বেংক সেৱা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত লাভৰ পৰা বঞ্চিত হৈ থকাসকলৰ আমাৰ চৰকাৰ সম্পূৰ্ণৰূপে দায়বদ্ধ। ৰাজ্যখনত মুঠ প্ৰায় ১.৯ কোটি বেংক একাউণ্ট খোলা হৈছে। ইয়াৰ ভিতৰত ৬০ শতাংশই মহিলাৰ একাউণ্ট। যোৱা তিনিটা বছৰত ৰাজ্যখনত বেংক শাখাৰ সংখ্যা ২০ শতাংশলৈ আৰু

গ্ৰাহক সেৱা কেন্দ্ৰ (চি এছ পি)ৰ সংখ্যা ৪০ শতাংশলৈ বৃদ্ধি কৰা হৈছে। ঋণ পৰিশোধৰ অনুপাতো উৎসাহজনক আৰু বছৰে বছৰে এই ধাৰা বৰ্ধিত হাৰত দেখা গৈছে। এনেদৰে আমি ৬০ শতাংশৰ ৰাষ্ট্ৰীয় মাপকাঠীৰ লক্ষ্যত উপনীত হোৱাৰ দিশে আগবাঢ়িছো। আনহাতে অগ্ৰাধিকাৰ ক্ষেত্ৰসমূহত আগবঢ়োৱা অগ্ৰিম পুঁজিৰ পৰিমাণ ৪০ শতাংশৰ ৰাষ্ট্ৰীয় মাপকাঠীতকৈও অধিক হৈছে। অধ্যক্ষ মহোদয়, সমগ্ৰ দেশজুৰি উঠা ডিজিটেল আদায়কৰণ ব্যৱস্থাৰ ঢৌৰ লগে লগে অসমতো বিভিন্ন ক্ষেত্ৰত ইয়াৰ ব্যৱহাৰ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আৰু এই ধাৰাক আগুৱাই নিবলৈ এই চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

(২৪) অধ্যক্ষ মহোদয়, নুমলীগড় শোধনাগাৰ পৰিসীমিত (NRL) অসমৰ উন্নয়নৰ কাহিনীৰ এক অপৰিহাৰ্য অংগ আৰু মই নিশ্চিত যে এই পৱিত্ৰ সদনত উপস্থিত থকা প্ৰতিগৰাকী সন্মানীয় সদস্যই ইয়াৰ লগত আৱেগিকভাৱে জড়িত। অসম চুক্তিৰ ফলত ইয়াৰ সৃষ্টি হৈছিল আৰু প্ৰতিখন হৃদয়ত খোদিত কৰা এক প্ৰতিশ্ৰুতিৰে ই সাকাৰ ৰূপ। আমাৰ চৰকাৰে বিশ্বাসৰ এক বৃহৎ জাপ অতিক্ৰমি এন আৰ এলত অসম চৰকাৰৰ অংশ ১২.৩ শতাংশৰ পৰা ২৬ শতাংশলৈ বৃদ্ধি কৰিছে, আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বলিষ্ঠ নেতৃত্বত এবছৰত ২,২১৭ কোটি টকাৰ বৃহৎ পৰিমাণৰ পুঁজি বিনিয়োগ কৰা হৈছে। এই চৰকাৰে দৃঢ়ভাৱে বিশ্বাস কৰে যে এই পদক্ষেপে এন আৰ এলৰ উৎপাদনশীলতা আৰু পাৰদৰ্শিতাৰ ক্ষেত্ৰত এক নতুন গতি প্ৰদান কৰিব।

(২৫) ৰাজ্যখনে সন্মুখীন হোৱা আন এক জ্বলন্ত সমস্যা হৈছে হিন্দুস্থান কাগজ নিগম (HPC)। সম্প্ৰতি ইয়াৰ কৰ্মচাৰীসকলৰ লগতে ধন পাবলৈ বাকী থকা অন্যান্য সংশ্লিষ্ট ব্যক্তিসকলক আইন অনুসৰি পাবলগীয়া ধন পৰিশোধ কৰি হিন্দুস্থান কাগজ নিগমৰ সম্পত্তিসমূহ অধিগ্ৰহণ কৰিবলৈ আমি সিদ্ধান্ত লৈছো। ইয়াৰ বাবে মুঠ ব্যয় হ'ব ৭০০ কোটি টকা। আমি ২০২২ বৰ্ষৰ ৩১ মাৰ্চৰ পূৰ্বে প্ৰায় ৩০০ কোটি টকা মোকলাই দিবলৈ ওলাইছো আৰু পৰৱৰ্তী বিত্তীয় বৰ্ষত

বাকীখিনি ধন পৰিশোধ কৰা হ'ব। আমি হিন্দুস্থান ফাৰ্টিলাইজাৰ নিগমত আমাৰ অংশৰ পৰিমাণ ২৬ শতাংশলৈ বৃদ্ধি কৰিবলৈও প্ৰতিশ্ৰুতি প্ৰদান কৰিছো, যাতে অসম ৰাজ্যখন ঔদ্যোগীকৰণ প্ৰক্ৰিয়াৰ এক সক্ৰিয় অংশীদাৰ হৈ থাকিব পাৰে। অইল ইণ্ডিয়া লিমিটেডৰ কমেও পাঁচ শতাংশ অংশ আমাক প্ৰদান কৰিবলৈও ভাৰত চৰকাৰৰ ওচৰত আমি অনুৰোধ জনাইছো।

(২৬) অধ্যক্ষ মহোদয়, ৰাজ্য চৰকাৰে হাতত লোৱা কেইটামান গুৰুত্বপূৰ্ণ মূলধন নিবিড় প্ৰকল্পৰ কথা মই ওপৰত উল্লেখ কৰিছো। এই প্ৰকল্পসমূহৰ পুঁজি মুখ্যতঃ ৰাজ্যখনৰ নিজা সম্পদৰ পৰা যোগান ধৰা হৈছে। তদুপৰি পোনপটীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ কেইটামান গুৰুত্বপূৰ্ণ প্ৰকল্পও আছে। সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, গুৱাহাটী হ'ল তেনে এটি প্ৰকল্প। মই জানিব পৰামতে এই প্ৰকল্পৰ কাম প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ই কাৰ্যক্ষম হৈ উঠিলে এই গুৰুত্বপূৰ্ণ ট্ৰায়েটৰী (Teritiary) চিকিৎসা কেন্দ্ৰটোৱে ৰাজ্যখনৰ জনসাধাৰণক লাভান্বিত কৰিব। মই উনুকিয়াব ভাল পাম যে দুটাতকৈ অধিক প্ৰকল্প কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। এটা হৈছে কাজিৰঙা উত্তোলিত (elevated) কৰিড'ৰ আৰু আনটো হৈছে জামুগুৰি আৰু কলিয়াবৰৰ মাজত পথ তথা ৰেলৰে সুৰংগ (Road Cum Turnel)। অধ্যক্ষ মহোদয়, এই কেন্দ্ৰীয় চৰকাৰৰ প্ৰকল্পসমূহে স্থানীয় পৰ্যায়ত নিয়োগ সৃষ্টি অধিক বৃদ্ধি কৰিব আৰু আমাৰ মুঠ ঘৰুৱা উৎপাদন তথা সম্পদ বঢ়াব।

(২৭) অধ্যক্ষ মহোদয়, অসম এখন মধ্যমীয়া আয়তনৰ ৰাজ্য। অন্যান্য কেইবাখনো ৰাজ্যৰ দৰে আমাৰো সম্পদৰ ক্ষেত্ৰত কিছু সীমাবদ্ধতা আছে। কিন্তু যোৱা ৬ টা বছৰত আমি ডাঙৰ ডাঙৰ সপোন দেখিবলৈ আৰম্ভ কৰিছো। ৰাজ্যিক ৰাজহুৱা খণ্ডত আমি অনেক আঁচনি উদ্ভাৱন কৰিছো আৰু বহুতো গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প নিৰ্মাণ কৰিছো। অৰুণোদয়ৰ দৰে আমাৰ সামাজিক খণ্ডৰ প্ৰকল্পসমূহৰ কিছুসংখ্যক প্ৰাথমিকভাৱে দ্ৰুত পৰিঘটনা হোৱা দেখা গৈছে।

# অষ্টাদশ মুকুতাৰ উন্নয়নী মালা

**অষ্টাদশ মুকুতাৰ উন্নয়নী মালা**

(২৮) মহোদয়, আমি অষ্টাদশ মুকুতাৰ উন্নয়নী মালা নামেৰে ১৮ খন ধ্বজাবাহী আঁচনি আৰম্ভ কৰিছো। এই আঁচনিকেইখন গতিশীল, ৰাজ্যখনৰ পৰিৱৰ্তিত প্ৰয়োজনীয়তা অনুসৰি এইবোৰ সলনি হয়। মই এইটো উল্লেখ কৰিবলৈ পাই যথেষ্ট গৰ্ব অনুভৱ কৰিছো যে, এই আঁচনিসমূহৰ প্ৰায়বোৰেই সফলতাৰে ৰূপায়ণ কৰা হৈছে। যদি কোনোক্ষেত্ৰত আমি এই কাম সম্পূৰ্ণ কৰিব পৰা নাই, সেয়াও আমি অকপটে পৱিত্ৰ সদনক অৱগত কৰিছো।

(২৯) অসমৰ শিপিনীসকলৰ উদ্দেশ্যে উৎসৰ্গিত স্ব-নিৰ্ভৰ নাৰী আঁচনিখন প্ৰাথমিক পৰ্যায়ত আছে আৰু ইয়াৰ বাবে এই বাজেটত পৰ্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰা হৈছে। ক'ভিড পৰিস্থিতিৰ উন্নতি আৰু তাৰ পিছত শ্ৰেণীসমূহৰ নিয়মীয়া পাঠদান আৰম্ভ হোৱাৰ বাবে বিদ্যালয়ৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক স্মাৰ্টফোন প্ৰদানৰ আঁচনিখন ৰূপায়ণ কৰা হোৱা নাই।

৩০) অধ্যক্ষ মহোদয়, এই ১৮ খন ধ্বজাবাহী আঁচনি মাথোঁ গতিশীলেই নহয়, যোৱা বছৰসমূহত ই বৃহৎ আকাৰ ধাৰণ কৰিছে আৰু বহল পৰিসৰত এই আঁচনিবোৰে বহু ক্ষুদ্ৰ আঁচনিক সামৰি লৈছে।

I. **বিকাশৰ ক'ৰিডৰ সৃষ্টি**

American Roads are not Good because America is Rich. But America is Rich because American Roads are Good

–John Kennedy.

(৩১) অধ্যক্ষ মহোদয়, দলঙে যিকোনো ৰাষ্ট্ৰ বা ৰাজ্যৰ ৰূপ সলনি কৰিব পাৰে। অসমৰ ক্ষেত্ৰতো এই কথা সমানে প্ৰযোজ্য হয়। দলঙৰ সংযোগৰ ফলত কৃষকৰ উৎপাদিত শস্য বিক্ৰী, পৰিয়ালৰ ৰোগীক চিকিৎসালয়ত ভৰ্তি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উন্নত শিক্ষাপ্ৰাপ্তি সহজসাধ্য হৈ পৰে।

এনে ধৰণৰ তালিকাৰ শেষ নাই। সেয়েহে আমাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আমাৰ চৰকাৰে স্থল, আকাশী পথ আৰু জলপথ —এই সকলো ধৰণৰ যোগাযোগৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে।

(৩২) আমি বিশ্বাস কৰো যে উন্নত যোগাযোগ ব্যৱস্থাই অঞ্চলটোৰ অৰ্থনৈতিক বিকাশ কেইবাগুণো বৃদ্ধি কৰে। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা (PMGSY)ৰ অধীনত আমি ২৮,০০০ কিঃমিঃতকৈ অধিক পথ সংযোগৰ কাম সম্পূৰ্ণ কৰিছো। আমাৰ স্থলপথ, আকাশী পথ আৰু জলপথ যোগাযোগ ব্যৱস্থা উন্নীতকৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে এই বছৰত আমি তলত উল্লেখ কৰা ৪ খন আঁচনি ঘোষণা কৰিব বিচাৰিছো।

(৩৩) **মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি ঃ** এই আঁচনিৰ অধীনত আমি ২,৫৫০ কোটি টকা ব্যয়েৰে ৩,০০০ কিঃমিঃ সকলো বতৰৰ উপযোগী বুনিয়াদী পথ নিৰ্মাণৰ প্ৰস্তাৱ কৰিছো।

(৩৪) **মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনি ঃ** ১,৩৫০ কিঃমিঃ পথ ৫.৫০ মিটাৰ বহল মধ্যমীয়া সুচল পথলৈ উন্নীতকৰণৰ কাম আমি হাতত লৈছো। ইয়াৰ বাবে আনুমানিক ব্যয় হ'ব ১,৪৮৫ কোটি টকা।

(৩৫) **মুখ্যমন্ত্ৰীৰ মথাউৰি পকীকৰণ আঁচনি ঃ** অহা দুবছৰত গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ জৰিয়তে আনুমানিক ১১০৭.৭৮ কোটি টকা ব্যয়ত নদীৰ মথাউৰিৰ ওপৰত ৫০০ কিঃমিঃ দৈৰ্ঘ্যৰ সকলো বতৰৰ উপযোগী পথ নিৰ্মাণৰ আমি প্ৰস্তাৱ লৈছো। এই প্ৰকল্পই আমাৰ মথাউৰি ব্যৱস্থা শক্তিশালী কৰিব। ২০২১-২২ বিত্তীয় বৰ্ষত ইতিমধ্যে মঞ্জুৰীকৃত ধনৰ উপৰিও এই ৰাশি ব্যয় কৰা হ'ব। লোকনিৰ্মাণ বিভাগে পৰিচালনা কৰা Road Asset Management System ৰ পৰা অগ্ৰাধিকাৰ ভিত্তিত এই পথ বাছনি কৰা হ'ব।

(৩৬) **মুখ্যমন্ত্ৰীৰ পথ-নবীকৰণ আঁচনি ঃ** মহোদয়, আমাৰ চৰকাৰে পি এম জি এছ ৱাইৰ অধীনত নিমিত ২০০০ কিঃমিঃ দৈৰ্ঘ্যৰ পথ প্ৰায়

২০২২-২৩ বিত্তীয় বৰ্ষত ৩২০ কোটি টকাৰ ব্যয়ৰ সৈতে উন্নীত কৰিবলৈ তথা মেৰামতি কৰিবলৈ প্ৰস্তাৱ লৈছে। আৰম্ভণিৰ ঠিকা চুক্তি অনুসৰি তদাৰকীৰ ম্যাদ উকলি যোৱাৰ পিছতো আমি এই পথসমূহৰ তদাৰকীৰ কাম অব্যাহত ৰাখিম।

(৩৭) আমি জনাবলৈ পাই সুখী হৈছো যে লখিমপুৰ আৰু যোৰহাটৰ দিশৰ পৰা দলং নিৰ্মাণৰ বাবে মাজুলীবাসী ৰাইজৰ বহুদিনীয়া প্ৰত্যাশা আমাৰ চৰকাৰে বাস্তৱায়িত কৰিব। মাজুলী এফালে বিহপুৰীয়া আৰু আনফালে নিমাতিৰ সৈতে সংযোজিত হ'ব। দুয়োটা প্ৰকল্প সময়মতে সম্পূৰ্ণ নিশ্চিত কৰাৰ বাবে মই নিজাববীয়াকৈ ইয়াৰ নিৰীক্ষণ কৰি আছো।

(৩৮) Assam Secondary Road Network Improvement Projectৰ অধীনত ভাৰত চৰকাৰ আৰু এছিয়ান আন্তঃগাঁথনি বিনিয়োগ বেংক (AIIB)ৰ সাহায্যৰে ১০২৩ কোটি টকা ব্যয় সাপেক্ষে ধুনাগুৰিত সোৱণশিৰি আৰু লুইতৰ ওপৰত দুখন বৃহৎ দলং নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

(৩৯) অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় ঘাইপথ আৰু ইয়াৰ সুৰক্ষিত মানৰ মজবুত দ্ৰুতবেগী কৰিডৰ নিৰ্মাণৰ উদ্দেশ্যে 'ভাৰত মালা প্ৰকল্প'ৰ লেখিয়াকৈ আকাংক্ষিত 'অসম মালা' কাৰ্যসূচীৰ কাম আৰম্ভ কৰা হৈছে। অৰ্থনৈতিক বিকাশ তৰান্বিত কৰি তুলবিলৈ ২০২২-২৩ বিত্তীয় বৰ্ষত 'অসম মালা'ৰ পথৰ তালিকাৰ পৰা আৰু ৪ টা পথৰ উন্নীতকৰণ আৰু উচ্চখাপৰ কৰি তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব।

| পথৰ নাম | জিলা | প্ৰায় দৈৰ্ঘ্য (কিঃমিঃ) |
|---|---|---|
| শালমাৰা-আন্ধেৰীঘাট-খৈৰাবাৰী-টংলা-পানেৰী | দৰং/ওদালগুৰি | ৫২ |
| কানাইবজাৰ-অনিপুৰ-দুৰ্লভচেৰা | কৰিমগঞ্জ | ৩২ |
| ঠেকেৰাগুৰি ৰাষ্ট্ৰীয় ঘাইপথ | নগাঁও/মৰিগাঁও | ৩২ |
| ৩৭ৰ পৰা বৰদোৱালৈ কালিস্থান দিপোতা | শোণিতপুৰ | ২৭ |

(৪০) মহাশয়, ৰে'লৱেৰ সৈতে ৫০:৫০ অংশৰ ব্যয়ত নিৰ্মাণৰত ৰ'ড অভাৰব্ৰীজ প্ৰকল্পৰ সৈতে নিম্নোক্ত ১৯ খন এনে অভাৰব্ৰীজ নিৰ্মাণৰ কাম এই বিত্তীয় বৰ্ষতে হাতত লোৱা হ'ব।

| ক্ৰঃ নং | লেভেল ক্ৰচিং গেট নং | স্থান |
|---|---|---|
| ১ | লেভেল ক্ৰচিং গেট নং- এছ টি-১৩৩ | নাহৰকটীয়া আৰু দুলীয়াজান |
| ২ | লেভেল ক্ৰচিং গেট নং- এছ টি-১৩৬ | নাহৰকটীয়া আৰু দুলীয়াজন |
| ৩ | লেভেল ক্ৰচিং গেট নং- এছ কে-১২ | ৰঙিয়া |
| ৪ | লেভেল ক্ৰচিং গেট নং- এছ কে-১৪ | ৰঙিয়া |
| ৫ | লেভেল ক্ৰচিং গেট নং- এছ কে-১৫ | ৰঙিয়া |
| ৬ | লেভেল ক্ৰচিং গেট নং- এছ কে-৩ | চাংসাৰি |
| ৭ | লেভেল ক্ৰচিং গেট নং- এছ কে-২৬ | টিহু |
| ৮ | লেভেল ক্ৰচিং গেট নং- এছ কে-৪৫ | বিজনী |
| ৯ | লেভেল ক্ৰচিং গেট নং- এছ টি-৬৩ | বৰপথাৰ |
| ১০ | লেভেল ক্ৰচিং গেট নং- এছ টি-৭৭ | কমাৰবন্ধা আলি |
| ১১ | লেভেল ক্ৰচিং গেট নং- এফ এম-৫ | গোলাঘাট |
| ১২ | লেভেল ক্ৰচিং গেট নং- এছ টি-৩৪ | মৰিগাঁও |
| ১৩ | লেভেল ক্ৰচিং গেট নং- এফ এম-৮৩ | যোৰহাট |
| ১৪ | লেভেল ক্ৰচিং গেট নং- এফ এম-৭২ | যোৰহাট |
| ১৫ | লেভেল ক্ৰচিং গেট নং- এছ কে-৩৮ | বৰপেটা ৰোড |
| ১৬ | লেভেল ক্ৰচিং গেট নং- এছ টি-৫ | ভৰলুমুখ, কামৰূপ (ম) |
| ১৭ | লেভেল ক্ৰচিং গেট নং- এছ কে-৩৪ | ভৱানীপুৰ |
| ১৮ | লেভেল ক্ৰচিং গেট নং- ডি ডি-২১ | লাহোৱাল |
| ১৯ | লেভেল ক্ৰচিং গেট নং- চি এছ-৪ | লাহোৱাল |

(৪১) ডিব্ৰুগড়ৰ মানকটা পথত এখন নতুন উৰণীয়া সেতুৰ প্ৰকল্প হাতত লোৱা হ'ব।

(৪২) গুৱাহাটী মহানগৰীৰ যানজঁট লাঘৱ কৰাৰ বাবে গোপীনাথ বৰদলৈ পথৰ ওপৰত এটা নতুন উত্তোলিত পথ নির্মাণ কৰা হ'ব।

(৪৩) গুৱাহাটীত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নির্মাণ কৰি থকা দলংখনৰ উপযোগিতা বৃদ্ধি কৰিবলৈ উত্তৰ-গুৱাহাটীৰ গৌৰীপুৰৰ ৰাষ্ট্ৰীয় ঘাই পথত থকা চ'কত সুপৰিকল্পিত এটা Trumpet Junction নির্মাণ কৰা হ'ব।

(৪৪) অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখনে কেৱল স্থলপৰিবহণৰ ওপৰতে গুৰুত্ব প্ৰদান কৰা নাই, আকাশী পথ সংযোগ আৰু জলপথেৰেও পৰিবহণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

(৪৫) অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ শেষ প্ৰান্তলৈ যোগাযোগৰ ব্যৱস্থা উন্নত কৰাৰ লক্ষ্যৰে তথা আদৰণীয় প্ৰধানমন্ত্ৰী মহোদয়ৰ 'উড়ে দেশ কা আম নাগৰিক (UDAN)'ৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ অৰ্থে মোৰ চৰকাৰে ৰাজ্যখনৰ আকাশীপথ যোগাযোগ ব্যৱস্থা উন্নত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। অসম আঞ্চলিক বিমান সেৱাৰ সংযোগ উন্নয়নৰ লক্ষৰে চৰকাৰে আঞ্চলিক সংযোগ আঁচনি (RCS) ৰ অধীনত চলি থকা বিমানসমূহৰ এভিয়েছন টাৰবাইন ফুৱেল (ATF)ৰ ওপৰত ১ শতাংশলৈ ভেট (VAT) ৰ হাৰ হ্ৰাস কৰিছে। RCSৰ দ্বাৰা সামৰি নোলোৱা অসমৰ বিমান অৱতৰণ কেন্দ্ৰ/বিমান বন্দৰলৈও এই হ্ৰাস কৰা VAT ৰ হাৰ সম্প্ৰসাৰণ কৰা হ'ব। এই পৱিত্ৰ বিধান সভাত জনাবলৈ পাই সুখী হৈছো যে কাৰ্বি আংলং আৰু শিলচৰত দুটা নতুন বিমান বন্দৰৰ প্ৰস্তাৱ কৰা হৈছে। তদুপৰি আমাৰ চৰকাৰখনে নগাওঁ, গেলেকী আৰু হাফলঙত তিনিটা হেলীপ'ৰ্ট স্থাপনৰ বাবেও কাম কৰি আছে

(৪৬) মহাশয়, মই এই কথা অৱগত কৰিবলৈ ভাল পাম যে আমাৰ চৰকাৰখনে যোৰহাট, শিলচৰ আৰু লীলাবাৰী বিমান বন্দৰৰ বাবে ভূমি আহৰণ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰিছো। অসম চৰকাৰে ডিফুত এটা গ্ৰীণফিল্ড বিমান বন্দৰৰ বাবেও ভাৰত চৰকাৰৰ সৈতে সক্ৰিয়ভাৱে যোগাযোগ কৰি আছে।

(৪৭) ৰূপচী বিমান বন্দৰত যুটীয়া সমীক্ষা চলোৱা হৈছে আৰু ৰূপচী বিমান বন্দৰৰ সামগ্ৰিক উন্নয়ন তথা সম্প্ৰসাৰণৰ বাবে ১৮০ একৰ বন ভূমিৰ জাননী প্ৰত্যাহাৰৰ (de-notification) পদক্ষেপ লোৱা হৈছে।

(৪৮) গুৱাহাটীৰ পৰা লক্ষিমপুৰ, ডিব্ৰুগড়, শিলচৰ আৰু তেজপুৰলৈ কম খৰচী বিমান সেৱাৰ সুবিধা দিবলৈও আমি এখন আঁচনি আৰম্ভ কৰিবলৈ প্ৰস্তাৱ লৈছো।

(৪৯) অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখন আকাশী পথৰ লগতে অসমৰ আভ্যন্তৰীণ জলপথৰ উন্নয়নৰ প্ৰতিও প্ৰতিশ্ৰুতিবদ্ধ আৰু জলপথেৰে যাত্ৰী তথা কাৰ্গোৰ সুৰক্ষিত পৰিবহণ সম্পন্ন কৰাৰ বাবে অন্তঃগাঁথনি সৃষ্টিৰ বিভিন্ন পদক্ষেপ লোৱা হৈছে।

(৫০) এই সদনক জনাবলৈ পাই মই সুখী হম যে ৭৭০ কোটি টকাৰ ব্যয়ৰে বিশ্ব বেংকৰ সাহায্যলব্ধ প্ৰকল্পৰ অধীনত অসম আভ্যন্তৰীণ জলপৰিবহণ উন্নয়ন সমিতিয়ে ব্ৰহ্মপুত্ৰ নদীৰ ৰাষ্ট্ৰীয় জলপথ-২ত উমানন্দ, উজানবজাৰ, কুৰুৱা, গুইজান, ঘাঘৰ (Ghaghor), ধুবুৰীৰ কছাৰী, গোৱালপাৰা, বহৰী, উত্তৰ গুৱাহাটী, অফলামুখ, নিমাতীঘাট, মাতমৰা আৰু দিচাংমুখত ১৩ টা সৰু সৰু জাহাজ ঘাটৰ বিকাশ সাধন কৰিব।

## II. সাংস্কৃতিক পৰিচয়ৰ অন্বেষণ

(৫১) মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইতিহাস অত্যন্ত চহকী। আমাৰ ঐতিহ্য আমি উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিছো, ই আমাৰ বৰ্তমানৰ পৰিচয় আৰু ইয়াকেই আমি ভৱিষ্যৎ প্ৰজন্মলৈ আগবঢ়াই দিম। আমাৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্য উভয়ে জীৱন আৰু অনুপ্ৰেৰণাৰ সনাতন উৎস।

### শ্ৰীমন্ত শংকৰদেৱৰ আধ্যাত্মিক যাত্ৰা

(৫২) ১৫শ-১৬শ শতিকাৰ অসমৰ মহান মনীষী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অঞ্চলটোৰ জনসাধাৰণক ভক্তি ধৰ্মৰ এক নতুন পথৰ সন্ধান দিছিল।

ইয়ে অঞ্চলটোক সাংস্কৃতিকভাৱে সমৃদ্ধ কৰিছে আৰু অসমীয়া সামাজিক জীৱনৰ বৰভেটি গঢ়াত ইয়াৰ জনসাধাৰণক নেতৃত্ব দিছিল আন এগৰাকী মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে শ্ৰীমন্ত শঙ্কৰদেৱৰ বিষয়ে কৈছে ঃ "তাহান্ত বিনাই নাই নাই নাই আমাৰ পৰম গুৰু"। নগাঁৱৰ বৰদোৱা শ্ৰীমন্ত শংকৰদেৱৰ উপজা ঠাই। সেইবাবে অসম চৰকাৰে বৰদোৱা থানৰ সংৰক্ষণ আৰু তত্বাৱধানৰ বাবে এটা গুৰুত্বপূৰ্ণ প্ৰকল্প হাতত লৈছে। একেধৰণৰ আন এটা প্ৰকল্প হাতত লোৱা হৈছে। মাধৱ দেৱৰ ওপজা ঠাই নাৰায়ণপুৰত আৰু দুয়োটা প্ৰকল্পৰ কাম দ্ৰুতগতিত আগবাঢ়িছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ১৫১৬ খ্ৰীষ্টাব্দত বৰ্তমানৰ বিশ্বনাথ জিলাৰ বিহালী এলেকাৰ গাংমৌ নামে ঠাইত এখন সত্ৰ পাৰিছিল। গাংমৌতে ছয় বছৰ কাল কটাই শ্ৰীমন্ত শংকৰদেৱে মাজুলীৰ ধোৱাহাটালৈ যাত্ৰা কৰে আৰু তাত আন এখন সত্ৰ পাতে। ১৫৪৩ খ্ৰীষ্টাব্দত গুৰুজনাই তেওঁৰ প্ৰিয় শিষ্য শ্ৰীশ্ৰীমাধৱদেৱৰ সৈতে নামনি অসম অভিমুখে যাত্ৰা কৰে। তেতিয়াৰ কোচ ৰাজ্যত উপস্থিত হৈ মহাপুৰুষ দুগৰাকীয়ে চূণপুৰা, গণককুছি, কমাৰকুছি আৰু পাটবাউসীত কেইবাখনো সত্ৰ পাতে আৰু তাতেই থাকিবলৈ লয়। কোচ ৰজাৰ অনুৰোধ মৰ্মে মহাপুৰুষ দুগৰাকীয়ে তাৰ পিছত কোচ বিহাৰলৈ যাত্ৰা কৰে আৰু কোচ বিহাৰত বিখ্যাত মধুপুৰ সত্ৰ স্থাপন কৰে। কোচ বিহাৰতে গুৰুজনাই ১৫৬৮ খ্ৰীষ্টাব্দত ইহলীলা সম্বৰণ কৰে। শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী দামোদৰ দেৱৰ অৱদানে অসমীয়া সাহিত্য, সংস্কৃতি, আধ্যাত্মিক আৰু সামাজিক জীৱনত এক নতুন যুগৰ সূচনা কৰিছিল। অধ্যক্ষ মহোদয়, তীৰ্থযাত্ৰীসকলৰ দৰ্শনৰ বাবে নামঘৰ আৰু ৰাজহুৱা সা-সুবিধা নিৰ্মাণেৰে আমি শ্ৰীমন্ত শংকৰদেৱৰ জীৱন পৰিক্ৰমাৰ সৈতে সম্পৰ্কিত সকলো পৱিত্ৰ স্থানকে সামৰি গুৰুজনাৰ পদধূলি পৰা সকলো স্থানৰে উন্নতি সাধন কৰিম। ASTCৰ জৰিয়তে তেনে স্থানসমূহলৈ বিশেষ বাছ সেৱাৰ প্ৰৱৰ্তন কৰিবলৈও আমি প্ৰস্তাৱ লৈছো।

(৫৩) পাটবাউসী হ'ল অসমৰ এক পৱিত্ৰ স্থান। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীদামোদৰ দেৱে পাটবাউসীৰ পৱিত্ৰ ভূমিত অনেক অমূল্য

বৰঙণি আগবঢ়ায়। তাৰ ভিতৰত আছে বিভিন্ন বৈষ্ণৱ সাহিত্য সৃষ্টি, পাটবাউসী সত্ৰ আৰু শ্ৰীমন্ত শংকৰদেৱ থান স্থাপন। ঠাইখনৰ তেনে পৱিত্ৰতাৰ প্ৰতি শ্ৰদ্ধা জনাই আমাৰ চৰকাৰখনে ইয়াৰ উন্নয়ন সাধিবলৈ এটা প্ৰকল্প হাতত ল'বলৈ ওলাইছে।

(৫৪) লাচিত বৰফুকন হৈছে সৰ্বকালৰ এগৰাকী অন্যতম শ্ৰেষ্ঠ সেনাপতি। মই ইয়াত সামান্য ইতিহাস বৰ্ণনা কৰিব বিচাৰিছো। মহোদয়, ১২২৮ চনত চাওলুং ছ্যু-কা-ফাই সূচনা কৰা ৬০০ বছৰীয়া আহোম সাম্ৰাজ্য আছিল এক গৌৰৱময় অধ্যায়। যিসময়ত মোগলসকলে ভাৰতৰ বেছিভাগ অঞ্চল দখল কৰিছিল সেই সময়তে মোগলে অসম জয় কৰিবলৈ ১৭ বাৰ চেষ্টা কৰিছিল। আহোম শাসন কালত মোগলসকল বাৰে বাৰে ব্যৰ্থ হৈছিল। স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ ৰাজত্বকালত ১৬৬৯ চনত উত্তৰ গুৱাহাটীৰ আলাবৈ পাহাৰৰ ওচৰত মোগল আৰু আহোমৰ মাজত এখন তাৎপৰ্যপূৰ্ণ যুদ্ধ চলিছিল। সেই যুদ্ধত ১০,০০০ আহোম সৈন্যই শ্বহীদ বৰণ কৰিছিল। আহোম সেনাসকলৰ চৰম ত্যাগৰ স্মৃতি বিজড়িত কৰাৰ বাবে কামৰূপৰ আলাবৈত ১০০ ফুট দৈৰ্ঘ্যৰ এখন দীঘল হেংদাং নিৰ্মাণ কৰা হ'ব।

(৫৫) লাচিত বৰফুকনৰ স্মৃতিত এখন স্মাৰক উদ্যান গঢ়ি তুলি যোৰহাটৰ ওচৰৰ হোলোঙাপাৰত লাচিত বৰফুকনৰ সমাধিৰ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধনৰ বাবে আমি প্ৰস্তাৱ গ্ৰহণ কৰিছো। লোকনিৰ্মাণ বিভাগৰ গ্ল'বেল শিতানত পুঁজি উপলব্ধ কৰোৱা হ'ব। ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ ডাঙৰীয়াই যোৰহাটৰ হোলোঙাপাৰত বীৰ লাচিত বৰফুকনৰ ১৫০ ফুট দৈৰ্ঘ্যৰ এটা ব্ৰঞ্জৰ প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন কৰে। তথ্য আৰু জনসংযোগ বিভাগে লাচিত বৰফুকনৰ বৰঙণিৰ আধাৰত এখন ডিজিটেল তথ্যচিত্ৰ নিৰ্মাণ কৰিব। লাচিত বৰফুকনৰ বীৰত্বৰ কাহিনী প্ৰচাৰ কৰিবলৈ আমি দিল্লী আৰু মুম্বাইত লাচিত বৰফুকন স্মাৰক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰিবলৈ প্ৰস্তাৱ লৈছো।

(৫৬) অসমৰ প্ৰথমগৰাকী চাহ খেতিয়ক তথা শ্বহীদ মণিৰাম দেৱানে ৰাজ্যখনক সমৃদ্ধ কৰি তোলাৰ ক্ষেত্ৰত অসাধাৰণ বৰঙণি আগবঢ়াই থৈ গৈছে। যোৰহাটৰ চিনামৰাত থকা মণিৰাম দেৱানৰ সমাধি মেৰামতি আৰু তত্ত্বাৱধান কৰাৰ বাবে আমি প্ৰস্তাৱ লৈছো। শিথিল পুঁজিৰ পৰা ইয়াত পুঁজিৰ যোগান ধৰা হ'ব।

(৫৭) এইটো স্মৰণীয় যে মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সময়ত যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত বহুতো মহান মুক্তিযোদ্ধা আৰু সমাজ সংস্কাৰকক কাৰাবন্দী কৰা হৈছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত শ্বহীদ কুশল কোঁৱৰে প্ৰচুৰ বৰঙণি যোগাইছিল আৰু প্ৰাণ আহুতি দিছিল। কুশল কোঁৱৰে ফাঁচীকাঠত ওলমিছিল আৰু আমাৰ দেশৰ বাবে মৃত্যুবৰণ কৰিছিল। অসমৰ ইতিহাসত কুশল কোঁৱৰ তেওঁৰ অদম্য দেশপ্ৰেম, ত্যাগ আৰু সাহসিকতাৰ বাবে জনাজাত আছিল আৰু যোৰহাট জিলা কাৰাগাৰত তেওঁক ফাঁচী দিয়া হৈছিল। মহান মুক্তিযোদ্ধা কমলা মিৰিয়েও এই কাৰাগাৰতে মৃত্যুবৰণ কৰিছিল। আন এগৰাকী অখ্যাত বিজু ওৰফে বৈষ্ণৱেও এই কাৰাগাৰতে প্ৰাণ ত্যাগ কৰিছিল। গোপীনাথ বৰদলৈ, বিমলা প্ৰসাদ চলিহা, দেৱেশ্বৰ শৰ্মা, পীতাম্বৰ গোস্বামী আদিৰ লেখীয়া মহান ব্যক্তিসকলকো এই কাৰাগাৰতে কাৰাৰুদ্ধ কৰা হৈছিল। এইসকল ব্যক্তিৰ প্ৰতি জনোৱা শ্ৰদ্ধাৰ চিন স্বৰূপে আমাৰ চৰকাৰে যোৰহাট কাৰাগাৰক এক ঐতিহ্যস্থলী হিচাপে আৰু ইয়াক উত্তৰ-পূব মুক্তিযোদ্ধা স্মাৰক উদ্যান হিচাপে গঢ়ি তুলিম বুলি ঘোষণা কৰিছে।

(৫৮) বুৰঞ্জীপ্ৰসিদ্ধ পৰ্যটন আৰু স্থাপত্য আশ্চৰ্যসমূহৰ বাবে শিৱসাগৰ হ'ল ৰাজ্যখনৰ এখন গুৰুত্বপূৰ্ণ স্থান, যিয়ে আহোম ৰাজবংশৰ গৰিমামণ্ডিত ঐতিহ্য বহন কৰে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যটকসকলক আকৰ্ষণ কৰাৰ অৰ্থে ৰংঘৰত পোহৰ আৰু শব্দৰ সমাহাৰত ঐতিহ্য প্ৰদৰ্শন কৰাৰ এক ব্যৱস্থা চলিত বিত্তীয় বৰ্ষত গঢ়ি তোলা হ'ব। ইয়াৰ বাবে জিলাখনত

৮০ বিঘা ভূমি অধিগ্ৰহণ কৰা হ'ব  আৰু বিভাগীয় বাজেটত ভূমি অধিগ্ৰহণৰ বাবে পুঁজি আবণ্টন দিয়া হ'ব।

(৫৯) অসমত ব্ৰিটিছৰ বিৰুদ্ধে প্ৰথমটো বিদ্ৰোহৰ নেতৃত্ব দিছিল এগৰাকী আহোম ৰাজকুমাৰে। কিন্তু এইগৰাকী বীৰৰ প্ৰতি এতিয়াও যথাযোগ্য সন্মান প্ৰদৰ্শন কৰা হোৱা নাই। এই উপেক্ষিত নায়কগৰাকীয়েই হৈছে মুক্তিযোদ্ধা গমধৰ কোঁৱৰ। ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যিক বাজেটত একত্ৰিত পুঁজিৰ অধীনত 'গমধৰ সমাধি'ৰ সৌন্দৰ্যবৰ্ধনৰ লগতে ইয়াৰ তদাৰকৰ বাবে প্ৰস্তাৱ কৰা হৈছে।

(৬০) গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেয়ে লোকগীতৰ এই শৈলীটো জনপ্ৰিয় কৰাৰ লগতে ৰাজ্যখনত লোকগীতৰ পুনৰুজ্জীৱিতকৰণ আৰু প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অভূতপূৰ্ব বৰঙণি আগবঢ়াই গৈছে। এই মহান লোকশিল্পীগৰাকীৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ ধুবুৰী জিলাৰ গৌৰীপুৰত থকা প্ৰতিমা বৰুৱা পাণ্ডেৰ বাসগৃহ মাটিয়াবাগ পেলেচক প্ৰতিমা বৰুৱা সংগ্ৰহালয় হিচাপে গঢ়ি তোলা হ'ব। ইয়াৰ দ্বাৰা নতুন প্ৰজন্মক তেখেতৰ কৰ্মৰাজি তথা বৰঙণি সম্পৰ্কে অৱগত কৰিব পৰা যাব আৰু অসমৰ গোৱালপৰীয়া লোকগীতৰ সংৰক্ষণ তথা প্ৰসাৰৰ ক্ষেত্ৰতো ই সহায় কৰিব। ভূমি অধিগ্ৰহণৰ বাবে মই ১৫ কোটি টকা ধাৰ্য কৰিছো।

(৬১) আমাৰ চৰকাৰে গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদত ৫০০০ দৰ্শক বহিব পৰা এটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ সম্ভাৱনীয়তা পৰীক্ষা কৰি আছে। আমাৰ চৰকাৰে গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদত ৫০০০ দৰ্শক বহিব পৰা এটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ সম্ভাৱনীয়তা পৰীক্ষা কৰি আছে।

(৬২) 'অসম দৰ্শন'ৰ অধীনত ৰাজ্যখনত সিচঁৰতি হৈ থকা বিভিন্ন নামঘৰৰ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্দ্ধনৰ বাবে বিভাগলৈ প্ৰচুৰ পুঁজি আবণ্টন দিয়া হ'ব।

## III. এক লাখ যুৱক-যুৱতীলৈ নিযুক্তি

(৬৩) মাননীয় অধ্যক্ষ মহোদয়, ক'ভিড-১৯ৰ সংকট আৰু নেৰানেপেৰা লকডাউনে আমাৰ ৰাজ্যখনৰ যুৱ সমাজৰ নিয়োগ সুবিধাৰ ক্ষেত্ৰত বাৰুকৈয়ে ক্ষতিগ্ৰস্ত কৰিছে। এই সমস্যা দূৰ কৰাৰ বাবে আমাৰ চৰকাৰে ৰাজ্যৰ ১ লাখ যুৱক-যুৱতীক নিয়োগৰ সুবিধা প্ৰদান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। ইয়াৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। উদাহৰণস্বৰূপে স্বাস্থ্য বিভাগত ১০৪ গৰাকী, গৃহ বিভাগত ১২৩ গৰাকী আৰু শিক্ষা বিভাগত ৯৩০ গৰাকী যুৱক-যুৱতীক আমি নিযুক্তি পত্ৰ প্ৰদান কৰিছো।

(৬৪) এই প্ৰক্ৰিয়া দ্ৰুত কৰি তুলিবলৈ ৰাজ্য চৰকাৰে ৰাজ্যখনৰ ১ লাখ যুৱক-যুৱতীক নিয়োগৰ সুবিধা প্ৰদান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছে। এই প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু নিয়োগপত্ৰ প্ৰদান কৰিছো। ইতিমধ্যে এই প্ৰক্ৰিয়া অধিক ত্বৰান্বিত কৰিবলৈ ৰাজ্য চৰকাৰে 'Assam Direct Recruitment Commission for Analogous Posts in Class-III and Class-IV Act, 2021' প্ৰণয়ন কৰিছে। নিযুক্তি প্ৰক্ৰিয়া নিকা আৰু স্বচ্ছভাৱে সম্পন্ন কৰাৰ বাবে দুখন নিযুক্তি আয়োগ গঠন কৰা হৈছে। মই জানিব পাৰিছো যে ৩১ মাৰ্চ, ২০২২ ৰ পূৰ্বে আয়োগে এই পদসমূহ পূৰণৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিবলৈ সক্ষম হ'ব।

(৬৫) মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে নিযুক্তি দিবলগীয়া পদসমূহৰ বিতং তালিকা সন্নিবিষ্ট কৰিলো।

| বিভাগৰ নাম আৰু পদবী | পদৰ সংখ্যা |
|---|---|
| **গৃহ বিভাগ** | |
| অসম আৰক্ষীৰ উপ পৰিদৰ্শক (ইউ বি) | ৩০৬ |
| কমাণ্ডো বেটেলিয়নৰ বাবে উপ পৰিদৰ্শক (এ বি) | ৩২০ |
| ডি জি চি ডি তথা চি জি এইচ জিৰ অধীনৰ অসামৰিক প্ৰতিৰক্ষাৰ সহকাৰী উপ নিয়ন্ত্ৰক (কনিষ্ঠ) | ১০ |
| অসামৰিক প্ৰতিৰক্ষা ডেমনষ্ট্ৰেটৰ (উচ্চতৰ মাধ্যমিক তথা ফিজিকেল ইনষ্ট্ৰাক্টৰৰ প্ৰমাণ পত্ৰ) | ৪২ |
| ডি জি চি ডি তথা চি জি এইচ জিৰ অধীনত ষ্ট'ৰমেন | ২ |
| এ পি আৰ অ'ত কনিষ্টবল তথা সহকাৰী স্কোৱাড কমাণ্ডাৰৰ ৫ টা পদ আৰু এফ এণ্ড ই সমূহত ১২ টা ড্ৰাইভাৰ | ৪৮৭ |
| কনিষ্টবল (ইউ বি) | ২৩৯১ |
| কনিষ্টবল (এ বি) | ৪২৭১ |
| কনিষ্টবল (এ পি আৰ অ') | ৮১৩ |
| কনিষ্টবল (অগ্নি নিৰ্বাপন আৰু জৰুৰী সেৱা) | ৭৮৮ |
| ডি জি চি ডি তথা চি জি এইচ জিৰ অধীনত কনিষ্টবল/গাৰ্ডছমেন | ৭৫৪ |
| ডি জি চি ডি তথা চি জি এইচ জিৰ অধীনস্থ এ আই এছ এফত কনিষ্টবল (কেৱল এছ পি অ') | ১৫৪ |
| ডি জি চি ডি তথা চি জি এইচ জিৰ অধীনত প্লাটুন কমাণ্ডাৰ | ৪০ |
| এ পি আৰ অ'ত উপ পৰিদৰ্শকৰ ৬৮ টা পদ | ৮৩ |
| বিভিন্ন বিভাগত কনিষ্ঠ সহায়ক তথা ষ্টেন'গ্ৰাফাৰ | ৩৫৮ |
| কমাণ্ডো বেটেলিয়নৰ বাবে কনিষ্টবল (ডব্লিউ অ'/ডব্লিউ টি/ চি ৱাই) | ৭০ |
| কাৰাগাৰ বিভাগত সহকাৰী জেইলৰ | ৩২ |
| কাৰাগাৰ বিভাগত জেইল ৱাৰ্ডাৰ | ২৫৩ |
| অসম আৰক্ষীত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী | ৫৩৩ |
| কমাণ্ডো বেটেলিয়নত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী | ৩৬০ |

| | |
|---|---|
| ডি জি চি ডি তথা চি জি এইচ জিৰ অধীনত হাবিলদাৰ | ২ |
| ফিজিঅ'থেৰাপি | ১ |
| নিযুক্তিৰ বাবে পি এছ টি এণ্ড পি ই টি | ৭০৫ |
| কনিষ্টবল (এ বি) | ১৪২৯ |
| পি এছ টি তথা পি ই টি কনিষ্টবল (এ বি) | ২৪৫০ |
| **সৰ্বমুঠ** | **১৬৬৫৪** |
| **প্ৰাথমিক শিক্ষা বিভাগ** | |
| নিম্ন প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষক | ৭২৪২ |
| উচ্চ প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষক | ১৭১৯ |
| উচ্চ প্ৰাথমিক বিদ্যালয়ত বিজ্ঞান শিক্ষক | ৩০৭ |
| উচ্চ প্ৰাথমিক বিদ্যালয়ত অসমীযা ভাষা শিক্ষক | ৬০ |
| উচ্চ প্ৰাথমিক বিদ্যালয়ত মণিপুৰী ভাষা শিক্ষক | ২৬ |
| উচ্চ প্ৰাথমিক বিদ্যালয়ত হিন্দী শিক্ষক | ৬৪৬ |
| **মুঠ** | **১০০০০** |
| **কাৰিকৰী শিক্ষা** | |
| অভিযান্ত্ৰিক মহাবিদ্যালয়ত সহকাৰী অধ্যাপক (কাৰিকৰী আৰু অনা- কাৰিকৰী) | ১০৩ |
| অভিযান্ত্ৰিক মহাবিদ্যালয়ত কৰ্মশালা অধীক্ষক | ৬ |
| গ্ৰন্থাগাৰিক | ১২ |
| প্ৰশিক্ষণ আৰু নিয়োগ বিষয়া | ২ |
| ছিষ্টেম এনালিষ্ট | ২ |
| প্ৰবক্তা (কাৰিকৰী আৰু অনা-কাৰিকৰী) | ১৩১ |
| পলিটেকনিক আৰু অভিযান্ত্ৰিক মহাবিদ্যালয়ত জ্যেষ্ঠ নিৰ্দেশক | ৪০ |
| **মুঠ** | **২৯৬** |
| **এছ চি ই আৰ টি সঞ্চালকালয়** | |
| প্ৰবক্তা | ১২৮ |
| কাৰ্যসূচী আৰু স্ক্ৰীপ্ট ৰাইটাৰ | ২ |

| | |
|---|---|
| তৃতীয় বৰ্গ | ৫৫ |
| চতুৰ্থ বৰ্গ | ৯৪ |
| **মুঠ** | **২৭৯** |
| **মাধ্যমিক শিক্ষা** | |
| শিক্ষক | ৯৩৬০ |
| তৃতীয় বৰ্গ | ১৩১৮ |
| চতুৰ্থ বৰ্গ | ২৮৯০ |
| **মুঠ** | **১৩৫৬৮** |
| **উচ্চ শিক্ষা** | |
| সহকাৰী অধ্যাপক | ৯৩৫ |
| তৃতীয় বৰ্গ | ৩২৭ |
| চতুৰ্থ বৰ্গ | ৬২৯ |
| **মুঠ** | **১৮৯১** |
| **শিক্ষা (সকলো বিভাগ আৰু সঞ্চালকালয়) সৰ্বমুঠ** | **২৬০৩৪** |
| **স্বাস্থ্য বিভাগ** | |
| ষ্টাফ নাৰ্ছ (ক্ৰিটিকেল কেয়াৰ) | ১০২৪ |
| ষ্টাফ নাৰ্ছ | ৪৯৮ |
| তৃতীয় বৰ্গৰ কৰ্মচাৰী (অনা-কাৰিকৰী) | ২২৫ |
| তৃতীয় বৰ্গৰ কৰ্মচাৰী (কাৰিকৰী) | ১৫৮ |
| চতুৰ্থ বৰ্গৰ কৰ্মচাৰী | ১৮৮ |
| **মুঠ** | **২০৯৩** |
| **স্বাস্থ্য শিক্ষা সঞ্চালকালক** | |
| তৃতীয় বৰ্গৰ কৰ্মচাৰী (কাৰিকৰী) | ২৫৭ |
| তৃতীয় বৰ্গৰ কৰ্মচাৰী (অনা-কাৰিকৰী) | ১২৭ |
| চতুৰ্থ বৰ্গৰ কৰ্মচাৰী | ৫৭৮ |
| **আয়ুষ সঞ্চালকালয়** | |
| তৃতীয় বৰ্গৰ কৰ্মচাৰী | ১৩ |

| | |
|---|---|
| চতুৰ্থ বৰ্গৰ কৰ্মচাৰী | ৪৩ |
| **স্বাস্থ্য সেৱা সঞ্চালকালয়** | |
| তৃতীয় বৰ্গৰ কৰ্মচাৰী কাৰিকৰী | ৯০৭ |
| তৃতীয় বৰ্গৰ কৰ্মচাৰী (অনা-কাৰিকৰী) | ৬২১ |
| চতুৰ্থ বৰ্গৰ কৰ্মচাৰী | ১১৯২ |
| **স্বাস্থ্য সেৱা সঞ্চালকালয় (পৰিয়াল কল্যাণ)** | |
| তৃতীয় বৰ্গৰ কৰ্মচাৰী কাৰিকৰী | ১৬৬ |
| তৃতীয় বৰ্গৰ কৰ্মচাৰী (অনা-কাৰিকৰী) | ১৬ |
| চতুৰ্থ বৰ্গৰ কৰ্মচাৰী | ২৫ |
| **খাদ্য সুৰক্ষা আৰু ঔষধ আয়ুক্ত** | |
| ঔষধ পৰিদৰ্শক | ২২ |
| খাদ্য সুৰক্ষা বিষয়া | ৩৪ |
| **স্বাস্থ্য সৰ্বমুঠ** | **৬০৯৪** |
| **পৰিৱেশ তথা বন বিভাগ সৰ্বমুঠ** | **২১৪৮** |
| **সৰ্বমুঠ** | **৫০৯৩০** |

(৬৬) আয়োগে তৃতীয় বৰ্গ (Class III)ৰ প্ৰায় ১৩,৫৭২ টা আৰু চতুৰ্থ বৰ্গ (Class IV)ৰ ১৩,৭৮৭ টা পদ পূৰণ কৰাৰ সম্ভাৱনা আছে।

(৬৭) অসম লোক সেৱা আয়োগেও গ্ৰেড-১ৰ বাবে ৩,৫৮৭ টা পদ আৰু গ্ৰেড-২ৰ বাবে ১,৫৬৮ টা পদ পূৰণৰ প্ৰক্ৰিয়া প্ৰায় চূড়ান্ত কৰিছে।

(৬৮) এইদৰে ১ লাখ চাকৰিৰ ভিতৰত আমি ইতিমধ্যে প্ৰায় ১,১৫৭ টা পদ পূৰণ কৰিছো। ওপৰৰ তালিকা আৰু দফা ৬৬-৬৭ত প্ৰতিফলিত হোৱাৰ ৮৪,২৪৪ টা পদৰ নিযুক্তি প্ৰক্ৰিয়া চলি আছে। বাকী থকা ১৪,৫৯৯ (১,০০,০০০-১১৫৭-৮৪,২৪৪ = ১৪,৫৯৯) টা পদো অতি সোনকালে পূৰণ কৰা হ'ব। ইয়াৰ উপৰি আমাৰ অভিযানসমূহ আৰু এন এইচ এম, এছ এছ এ, এ এছ আৰ এম এল এছ, জে জে এম আদিৰ দৰে

ছ'চাইটিসমূহতো নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিম। অধ্যক্ষ মহোদয়, আমি ১ লাখ যুৱক-যুৱতীক কৰ্মসংস্থাপন দিম বুলি কোৱা প্ৰতিশ্ৰুতিত এতিয়াও অটল হৈ আছো।

## IV. অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ (AMFIRS)

(৬৯) মাননীয় অধ্যক্ষ মহোদয়, এগৰাকী মহিলা হিচাপে মই অতি আনন্দেৰে এই পৱিত্ৰ সদনক অৱগত কৰিব বিচাৰো যে আমাৰ চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অভিলাষী প্ৰতিশ্ৰুতি ৰক্ষা কৰি সফলতাৰে সেৱা আগবঢ়াবলৈ সক্ষম হৈছে। এই প্ৰতিশ্ৰুতি হ'ল অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ৰ ৰূপায়ণ। এই আঁচনিৰ উদ্দেশ্যে হ'ল মাইক্ৰ'ফাইনেন্সৰ ঋণৰ বোজা তথা উচ্চ হাৰৰ সূতৰ দ্বাৰা ভাৰাক্ৰান্ত ৰাজ্যখনৰ দুৰ্দশাগ্ৰস্ত মহিলাসকলক সকাহ প্ৰদান কৰা। মাইক্ৰ'ফাইনেন্সৰ ঋণ গ্ৰহণকাৰী দুখীয়া মহিলাসকললৈ এনেধৰণৰ লাভালাভ প্ৰদান কৰাৰ ক্ষেত্ৰত অসমেই হ'ল একমাত্ৰ ৰাজ্য।

(৭০) **প্ৰথম পৰ্যায়ৰ অধীনত প্ৰদান কৰা লাভালাভ ঃ** ঋণ পৰিশোধৰ ক্ষেত্ৰত নিয়মানুৱৰ্তিতা মানি চলা ৰাজ্যখনৰ প্ৰায় ১০ লাখ যোগ্য হিতাধিকাৰীলৈ প্ৰায় ২,০০০ কোটি টকাৰ উদগনিমূলক ধন প্ৰদান কৰিবলৈ লোৱা হৈছে। অসমৰ বাকী থকা ৭ খন জিলাত উদগনি প্ৰদান কৰাৰ জৰিয়তে এই পৰ্যায়ৰ ধন প্ৰদান কৰা প্ৰক্ৰিয়া এইবাৰৰ ব'হাগ বিহুৰ আগতে সম্পূৰ্ণ কৰা হ'ব।

(৭১) দ্বিতীয় পৰ্যায়ৰ অধীনত ৮৯ দিনলৈকে ঋণ পৰিশোধ কৰিবলৈ বাকী থকা ঋণ গ্ৰহণকাৰী ব্যক্তিসকলক তেওঁলোকে প্ৰদান কৰিবলগীয়া ধনখিনি চৰকাৰে পৰিশোধ কৰিব। সময়মতে ঋণ পৰিশোধ কৰা এনেধৰণৰ সকলো ঋণ গ্ৰহণকাৰী ব্যক্তিকে এনে উদ্‌গনি প্ৰদান কৰা হ'ব। ইয়াৰ দ্বাৰা প্ৰায় ৬ লাখ ঋণ গ্ৰহণকাৰী ব্যক্তি উপকৃত হ'ব।

(৭২) যিসকল ঋণ গ্ৰহণকাৰী ব্যক্তি মানসিকভাৱে চাপৰ সন্মুখীন হৈছে আৰু একাউন্ট Non-Performing Assets হিচাপে পৰিগনিত হৈছে, তেনে ব্যক্তিক তৃতীয় পৰ্যায়ৰ অধীনত অন্তৰ্ভুক্ত কৰা হৈছে। এই ব্যক্তিসকলে পৰিশোধ কৰিবলৈ বাকী থকা ঋণ চৰকাৰে প্ৰদান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। আমাৰ দুৰ্দশাগ্ৰস্ত মহিলাসকলক এই বৃহৎ লাভালাভ প্ৰদান কৰিবলৈ আমি ম'ডেলিটি আৰু মাপকাঠী যুগুত কৰি আছো।

(৭৩) এই আঁচনিৰ বাবে মই ২,৫০০ কোটি টকা ধাৰ্য কৰিছো আৰু ক্ৰেডিট ব্যুৰ'ৰ চূড়ান্ত বিশ্লেষণ অনুসৰি অতিৰিক্ত পুঁজি প্ৰদান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

## V. অৰুণোদয়

(৭৪) মাননীয় অধ্যক্ষ মহোদয়, অৰুণোদয়ে আক্ষৰিক অৰ্থত ৰাজ্যৰ মহিলাসকললৈ এক আশাৰ ৰেঙণি কঢ়িয়াই আনিছে যিটোক উদিত সূৰ্যৰ সৈতে ৰিজাব পাৰি। ই হৈছে আমাৰ চৰকাৰে উন্নয়নৰ ক্ষেত্ৰত লাভ কৰা এক অভূতপূৰ্ব সফলতা। ইয়াৰ কেইবাটাও উপকাৰ আছে, যেনে— অৰ্থনৈতিক সবলীকৰণ, বিত্তীয় সাক্ষৰতা, পৰিপুষ্টিজনিত সাহায্য প্ৰদান আৰু সৰ্বোপৰি প্ৰতিটো পৰিয়ালৰে উন্নয়ন সাধন কৰা।

(৭৫) প্ৰতিশ্ৰুতি প্ৰদান কৰা অনুসৰি বৰ্তমান প্ৰায় ২০ লাখ হিতাধিকাৰীলৈ ১০০০ টকাকৈ হস্তান্তৰ কৰাৰ কাম চলি আছে। এই ধন প্ৰতিমাহৰ ১০ তাৰিখে হিতাধিকাৰীসকলৰ বেংক একাউণ্টত প্ৰত্যক্ষভাৱে জমা হয়। ই হৈছে অসম চৰকাৰৰ এক অন্যতম মহিলাকেন্দ্ৰিক ধ্বজাবাহী আঁচনি।

(৭৬) মহাশয়, ২০২০ চনত যেতিয়া সেই সময়ৰ মাননীয় বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই প্ৰথম অৰুণোদয় আঁচনিখন প্ৰৱৰ্তন কৰিছিল, তেতিয়া নিম্নোক্ত উপাদানসহ প্ৰতিমাহে প্ৰতি গৰাকী হিতাধিকাৰীলৈ বিজ্ঞানসন্মতভাৱে ৮৩০ টকাৰ সাহায্য নিৰ্ধাৰণ কৰা হৈছিল—

| উপাদান | ধনৰ পৰিমাণ |
|---|---|
| ঔষধ | ৪০০ টকা |
| ৪ কিঃ গ্ৰাঃ মাহজাতীয় শস্যৰ ৫০% ৰাজসাহায্য | ২০০ টকা |
| ৪ কিঃ গ্ৰাঃ চেনিৰ ৫০% ৰাজসাহায্য | ৮০ টকা |
| ফলমূল আৰু শাক-পাচলি | ১৫০ টকা |
| মুঠ | ৮৩০ টকা |

(৭৭) পিছলৈ এই সাহায্যৰ পৰিমাণক মোটামুটি অংকত ৰাখিবলৈ ১০০০ টকালৈ বৃদ্ধি কৰা হৈছিল। বিগত বৰ্ষত মুখ্যতঃ বি টি আৰ অঞ্চলত ১.২২ লাখ নতুন হিতাধিকাৰী যোগ কৰা হৈছে। এই বৰ্ষত মই এই আঁচনিৰ অধীনলৈ ৬ লাখ অতিৰিক্ত হিতাধিকাৰীক আনিবলৈ প্ৰস্তাৱ কৰিছো।

(৭৮) এইবাৰ মই দুখীয়া লোকসকলৰ বেংক একাউন্টত পোনে পোনে জমা কৰি থকা ৫০ ইউনিট বিদ্যুতৰ ৰাজসাহায্যৰ ক্ষেত্ৰত অতিৰিক্ত ২৫০ টকাকৈ দিবলৈ বিচাৰিছো। সেইবাবে পৰৱৰ্তী বিত্তীয় বৰ্ষত প্ৰতিগৰাকী হিতাধিকাৰীয়ে প্ৰতিমাহে ১,২৫০ টকাকৈ পোৱাৰ যোগ্য বিবেচিত হ'ব। আমাৰ প্ৰয়াস হ'ব ৰাজ্যখনৰ অৰ্থনীতিৰ সৰলীকৰণৰ ক্ষেত্ৰত অৰুণোদয়ৰ যোগ্যতা বৃদ্ধি কৰা।

(৭৯) চৰকাৰে যোৱা বছৰ অৰুণোদয় মাহ উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত লৈছিল। কিন্তু ক'ভিড সৃষ্ট মহামাৰীৰ বাবে ইয়াৰ আয়োজন কৰিব পৰা নগ'ল। পৰৱৰ্তী বিত্তীয় বৰ্ষত অৰুণোদয় মাহৰ আয়োজন কৰি হিতাধিকাৰীৰ তালিকাৰ সামাজিক পুংখানুপুংখ পৰীক্ষাৰ বাবে আমি দায়বদ্ধ।

(৮০) মই ইয়াৰ দ্বাৰা এই আঁচনিৰ বাবে পৰিপূৰক দাবী পৰ্যন্ত ২,০০০ কোটি টকা ধাৰ্য কৰিছো।

## VI. আমাৰ খিলঞ্জীয়া সম্প্ৰদায়ৰ তদাৰক

(৮১) অধ্যক্ষ মহোদয়, আমাৰ খিলঞ্জীয়া জনসাধাৰণৰ অধিকাৰ সুৰক্ষা

প্ৰদানৰ দিশত আমাৰ চৰকাৰৰ দায়বদ্ধতা অপৰিসীম। আমাৰ খিলঞ্জীয়া জনসাধাৰণৰ উন্নয়নৰ দিশত আলোকপাত কৰি বিভিন্ন ব্যৱস্থাৰ পৰিকল্পনা কৰা হৈছে। ৰাজ্যখনৰ খিলঞ্জীয়া জনজাতি লোকসকলৰ সৰ্বাংগীণ উন্নয়ন আৰু কল্যাণৰ বাবে নীতি আৰু কাৰ্যসূচীৰ প্ৰস্তুতকৰণ, প্ৰৱৰ্তন আৰু ৰূপায়ণৰ বাবে ইতিমধ্যে খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস আৰু সংস্কৃতি বিভাগ গঠন কৰা হৈছে।

(৮২) বড়োসকলৰ বাগৰুম্বা, মিচিংসকলৰ গুমৰাগ, কাৰ্বিসকলৰ নিমছো কেৰুং, ডিমাছাসকলৰ বাইদিমা, সোণোৱাল কছাৰীসকলৰ বহুৱা নৃত্য আদিৰ দৰে অলেখ সাংস্কৃতিক ৰত্ন লুকাই আছে। একেদৰে বহু শতিকাজুৰি বিভিন্ন সম্প্ৰদায় আৰু জনগোষ্ঠীৰ থলুৱা খেলসমূহো স্বকীয় বৈশিষ্ট্যৰে মহিমামণ্ডিত হৈ আছে। অসমত ৫০ বিধতকৈও অধিক থলুৱা খেল আছে। এই লুকাই থকা ৰত্নসমূহৰ বিকাশ আৰু এইবোৰক বিশ্ব দৰবাৰত প্ৰদৰ্শন কৰাৰ বাবে আমি অবিৰতভাৱে কাম কৰি আছো।

(৮৩) অধ্যক্ষ মহোদয়, এই বৰ্ণাঢ্য সংস্কৃতিক বিশ্বৰ এক বৃহৎ সংখ্যক দৰ্শকৰ সন্মুখত বিশেষকৈ নতুন প্ৰজন্মৰ মাজত তুলি ধৰাৰ উদ্দেশ্যে আমি উত্তৰ-পূব খিলঞ্জীয়া আৰু জনজাতি সংস্কৃতি আৰু ক্ৰীড়া মহোৎসৱ আয়োজন কৰাৰ প্ৰস্তাৱ লৈছো, যাতে তেওঁলোকে আমাৰ পুৰণি ঐতিহ্যৰ সৈতে চিনাকি হ'ব পাৰে আৰু ইয়াৰ শলাগ ল'ব পাৰে। এই উদ্দেশ্যে মই ১০ কোটি টকা ধাৰ্য কৰিছো।

(৮৪) অধ্যক্ষ মহোদয়, চাহ জনজাতিৰ কল্যাণৰ বিষয়টো আমাৰ চৰকাৰৰ অগ্ৰাধিকাৰৰ শীৰ্ষ তালিকাত আছে। এই বছৰ আমি চাহ বাগিচা এলেকাত প্ৰাথমিক পৰ্যায়ত শিক্ষাৰ মান উন্নত কৰাৰ দিশত এক উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছো। মই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছো যে এই বছৰত আমি বিভিন্ন চাহ বাগিচা এলেকাত অৱস্থিত ৪৩৬ খন বিদ্যালয়ক চৰকাৰী পৰিচালনাৰ অধীনলৈ আনিম।

(৮৫) **কল্যাণী সুমংগলা আঁচনি ঃ** চাহ বাগিচা এলেকাৰ ছাত্ৰীসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা সমাধান কৰিবলৈ এক সৰ্বাত্মক পদক্ষেপৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এক বিস্তাৰিত পৰিকল্পনাৰ সিদ্ধান্ত লোৱা হৈছে। এই কাৰ্যসূচীৰ অধীনত চাহ জনজাতি কল্যাণ বিভাগ আৰু সমাজ কল্যাণ বিভাগৰ সহযোগত শিক্ষা বিভাগে প্ৰতিগৰাকী কন্যা সন্তানে যাতে উপযুক্ত শিক্ষাৰ অধিকাৰ লাভ কৰে আৰু লগতে এই ক্ষেত্ৰত 'জিৰ' ড্ৰপ-আউট' সম্ভৱপৰ হয় সেয়া নিশ্চিত কৰিবলৈ উপযুক্ত কন্যা সন্তানসকলক চিনাক্ত আৰু চিহ্নিত কৰিব আৰু শিক্ষাৰ্থী বিশেষে যি হস্তক্ষেপৰ প্ৰয়োজন হয় তাৰ পৰিকল্পনা প্ৰস্তুত কৰিব।

(৮৬) মাধ্যমিক পৰ্যায়ত শিক্ষা ব্যৱস্থা উন্নত কৰাৰ উদ্দেশ্যে আমি চাহ বাগিচা এলেকাত ১১৭ খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰিছো। ২০২২ বৰ্ষৰ ১০ মে'ৰ পৰা এই বিদ্যালয়সমূহ কাৰ্যক্ষম হৈ উঠিব।

(৮৭) চাহ বাগিচাৰ যুৱকসকলক দক্ষতাসম্পন্ন কৰাৰ লগতে বিভিন্ন সম্প্ৰদায়ভিত্তিক সাংস্কৃতিক কাৰ্যসূচী আৰু বিবাহ আদিৰ আয়োজনৰ সুবিধা প্ৰদানৰ উদ্দেশ্যে ৮০০ খন চাহ বাগিচাৰ প্ৰধান অঞ্চলত পৰ্যায়ক্ৰমে 'মহাপ্ৰভু জগন্নাথ সমূহীয়া আৰু দক্ষতা কেন্দ্ৰ' ভৱন নিৰ্মাণৰ বাবে আমাৰ চৰকাৰে ব্যৱস্থা লৈ আছে। ইয়াৰ বাবে মই ২০০ কোটি টকা ধাৰ্য কৰিছো।

(৮৮) আমাৰ মাননীয় প্ৰধানমন্ত্ৰীৰ 'ঘৰে ঘৰে পানী'ৰ সপোন বাস্তৱায়িত কৰাৰ লক্ষ্য আগুৱাই নিয়াৰ উদ্দেশ্যে আমি চাহ বাগিচাসমূহত পাইপযোগে পানী যোগানৰ ব্যৱস্থা কৰিছো। মই সদনক জনাবলৈ পাই সুখী হৈছো যে এতিয়ালৈকে চাহ বাগিচা এলেকাৰ ১.৪৩ লাখ পৰিয়াললৈ পাইপযোগে পানীৰ যোগান ধৰা হৈছে। আমাৰ চৰকাৰে এইটো নিশ্চিত কৰিব যে বাকী থকা চাহ বাগিচা এলেকাৰ ২.৯ লাখ পৰিয়াললৈও ২০২২-২৩ বিত্তীয় বৰ্ষৰ ভিতৰত পাইপযোগে পানীৰ যোগান ধৰা হ'ব।

(৮৯) মহোদয়, দীৰ্ঘদিনীয়া অনিশ্চয়তাৰ পৰা জনসাধাৰণক সকাহ দিয়াৰ উদ্দেশ্যে আমি অসম চাহ নিগম পৰিসীমিত (ATCL)ৰ নিৰ্বিনিয়োজন প্ৰক্ৰিয়া আৰম্ভ কৰিছো। কৰ্মচাৰীসকলৰ দুৰ্দশা দূৰ কৰাৰ উদ্দেশ্যে প্ৰয়োজনীয় মুঠ পুঁজিৰ ভিতৰত ভৱিষ্যনিধিৰ অনাদায় ধন আদায় দিয়াৰ বাবদ এইবছৰ ১৪২.৫০ কোটি টকা ধাৰ্য কৰা হৈছে। এই অনাদায় ধন ২০২৩-২৪ বৰ্ষত আদায় দিয়া হ'ব।

(৯০) ৰাজ্যখনৰ ৫ টা জনগোষ্ঠী— টাই আহোম, মৰাণ, মটক, চুটীয়া আৰু কোচ ৰাজবংশীৰ সৰ্বাংগীণ উন্নয়নৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতি বৰ্তাই ৰখাৰ উদ্দেশ্যে এই জনগোষ্ঠীসমূহৰ উন্নয়নৰ বাবে ১২৫ কোটি টকা ধাৰ্য কৰা হৈছিল। ইয়াৰে ২৫ কোটি টকা বিগত বৰ্ষত আৰু ২৫ কোটি টকা এই বৰ্ষৰ বাজেটত প্ৰতিটো জনগোষ্ঠীৰ বাবে ধাৰ্য কৰা হৈছে।

(৯১) তদুপৰি আমাৰ চৰকাৰে জাতিগত প্ৰমাণপত্ৰ প্ৰদান ব্যৱস্থা সুসংহত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। জাতিগত প্ৰমাণপত্ৰ প্ৰদানৰ অনুমোদনৰ ক্ষেত্ৰত অন্যান্য পিছপৰা সম্প্ৰদায়ৰ এতিয়া নিজা নিজা স্বীকৃতিপ্ৰাপ্ত সংস্থা থাকিব। মটক সম্প্ৰদায়ক এনে প্ৰমাণপত্ৰ জাৰি কৰাৰ বাবে ইতিমধ্যে অনুমোদন জনোৱা হৈছে আৰু এই বৰ্ষত সোনকালেই আন সম্প্ৰদায়বোৰকো এনে ক্ষমতা প্ৰদান কৰা হ'ব। এই অনুমোদনৰ ভিত্তিত উপায়ুক্ত আৰু মহকুমাধিপতিয়ে জাতিগত প্ৰমাণপত্ৰ প্ৰদান কৰিব পাৰে।

(৯২) খিলঞ্জীয়া লোকসকলৰ উত্তৰাধিকাৰী সূত্ৰে পোৱা ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে 'অসম ভূমি নীতি, ২০১৯' খনৰো পুনৰ সংশোধনৰ ব্যৱস্থা কৰা হৈছে। 'অসম ভূমি নীতি, ২০১৯' অধীনত থকা খিলঞ্জীয়া পৰিয়ালৰ ৮ বিঘা ভূমি চিলিঙৰ ঊৰ্দ্ধসীমাৰ ব্যৱস্থা আঁতৰাই প্ৰতিটো এনে পৰিয়াললৈ ভূমি চিলিঙৰ ৫০ বিঘা পৰ্যন্ত প্ৰদানৰ বাবে অনুমতি দিয়াৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

(৯৩) মহোদয়, মই দৃঢ়তাৰে ক'ব বিচাৰো যে *বন্দৰক্তিকৰণ চুক্তিৰ* যথাৰ্থ ৰূপায়ণেৰে আমাৰ চৰকাৰে ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলসমূহক ক্ষমতা প্ৰদান কৰাৰ উদ্দেশ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। আমি পৰিষদসমূহলৈ একক Head of Account ৰ অধীনত প্ৰাপ্য অনুদান হস্তান্তৰ কৰাৰ ব্যৱস্থা কৰিম। এই পদক্ষেপে পৰিষদসমূহক বিকাশৰ নিজ নিজ প্ৰয়োজনীয়তাক অগ্ৰাধিকাৰ দিয়াৰ বাবে আৱশ্যকীয় স্বায়ত্ত শাসনৰ ক্ষমতা প্ৰদান কৰিব। এতিয়ালৈকে এই কাম পাৰ্বত্য এলেকা উন্নয়ন আয়ুক্তই কৰিছিল।

(৯৪) মহোদয়, মই সদনক জনাবলৈ পাই সুখী হৈছো যে বি টি আৰত ১০ খন মহাবিদ্যালয় প্ৰাদেশিকীকৰণ কৰাৰ পদক্ষেপ ল'ম।

## VII. প্ৰজ্ঞান ভাৰতী

(৯৫) অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে মানৱ সম্পদ উন্নয়নৰ প্ৰতি উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। বিগত দুটা বছৰৰ অধিক সময়েই ৰাজ্যখনৰ শিক্ষানুষ্ঠানসমূহ বন্ধ হৈ আছিল। তেনে ক্ষেত্ৰত আমি ক'ভিড-১৯ ৰ ফলত শৈক্ষিক ক্ষেত্ৰখনত হোৱা ক্ষতি সঠিকভাৱে পূৰণ কৰাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিছো।

(৯৬) প্ৰজ্ঞান ভাৰতীৰ জৰিয়তে আমি তলত দিয়া ধৰণে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰাৰ ধাৰা অব্যাহত ৰাখিম ঃ

- স্নাতক শ্ৰেণীপৰ্যন্ত ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া পাঠ্যপুথি আৰু পাঠ্যপুথি কিনাৰ বাবদ সাহায্য প্ৰদান কৰা হ'ব।
- স্নাতক মহাবিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, পলিটেকনিক মহাবিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰতিমাহে হোষ্টেলৰ মাচুল ২০০০ টকালৈকে ৰেহাই।
- দৰিদ্ৰ সীমাৰেখাৰ তলৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ নামভৰ্তিৰ মাচুল ৰেহাই ব্যৱস্থা অব্যাহত ৰখা হৈছে।
- 'অভিনন্দন আঁচনি'ৰ অধীনত শিক্ষা ঋণ সাহায্য অব্যাহত থাকিব।

- উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা সকলো মেধাৱী ছাত্ৰ-ছাত্ৰীলৈ স্কুটাৰ প্ৰদান কৰা হ'ব।
- স্নাতকোত্তৰ পাঠ্যক্ৰমত অধ্যয়ন কৰি থকা ছাত্ৰীসকললৈ প্ৰতিবছৰে এক যাতায়তী বানচ হিচাপে ১০,০০০ টকাৰ অনুদান।
- 'হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা যোগ্য ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰদান কৰা আনন্দৰাম বৰুৱা বঁটা অব্যাহত ৰখা হ'ব।

(৯৭) মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ উঠি অহা যুৱক-যুৱতীসকলক সঠিক পথৰ সন্ধান দিবলৈ 'আৰোহণ' আঁচনিখন আমি পুনৰ আৰম্ভ কৰিছো। নৱম শ্ৰেণীত প্ৰথম স্থান দখল কৰা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক সংশ্লিষ্ট জিলা উপায়ুক্তই সঠিক পথত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব। সফলতাৰ উচ্চ শিখৰলৈ আগুৱাই যোৱাৰ ক্ষেত্ৰত তেওঁলোকক অনুপ্ৰাণিত কৰিবলৈ উপায়ুক্তগৰাকীয়ে আই আই টি, গুৱাহাটীৰ লেখীয়া আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান ভ্ৰমণৰ সুবিধা প্ৰদান কৰিব আৰু লগতে তেওঁ এনে ছাত্ৰ-ছাত্ৰীসকলক আগশাৰীৰ শিক্ষাবিদ আৰু কেৰিয়াৰ পৰামৰ্শদাতাৰ সৈতে সঘনাই মত-বিনিময় কৰাৰ সুযোগ প্ৰদান কৰিব। এনেধৰণৰ সকলো মেধাৱী ছাত্ৰ-ছাত্ৰীকে পুথি ক্ৰয় আৰু অহা-যোৱাৰ বাবদ ২০০০ টকাকৈ প্ৰদান কৰা হ'ব। এই কাম-কাজৰ বাবে উপায়ুক্তসকলক জিলাই প্ৰতি ১ লাখ টকাকৈ আগবঢ়োৱা হ'ব।

(৯৮) প্ৰজ্ঞান ভাৰতী আঁচনিৰ বাবদ মই ৪১০ কোটি টকা ধাৰ্য কৰিছো।

## VIII. সেউজ অসম অভিযান

(৯৯) মহোদয়, আমাৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰা 'পঞ্চামৃত'ত উল্লেখ থকা 'ক্লাইমেট এক্সনে' বহনক্ষম উন্নয়নৰ দিশত অসম চৰকাৰৰ দৃঢ় দায়বদ্ধতাকে প্ৰতিফলিত কৰে। এয়া ঘোষণা কৰিবলৈ পাই মই অতিশয় আনন্দিত যে মিয়াৱাকি আৰ্হি গ্ৰহণৰ জৰিয়তে ৫ বছৰ সময়ৰ ভিতৰত ৰাজ্যখনৰ সেউজ আৱৰণ ৩৬

শতাংশৰ পৰা ৩৮ শতাংশলৈ বৃদ্ধি কৰাৰ বাবে 'অসম সেউজ অভিযান'ৰ আমি শুভাৰম্ভ কৰিম।

(১০০) মহোদয়, আমি ইতিমধ্যে ৰাইমনা ৰাষ্ট্ৰীয় উদ্যান আৰু দিহিং পাটকাইক ৰাষ্ট্ৰীয় উদ্যান হিচাপে জাননীকৃত কৰিছো আৰু ইয়াৰ লগে লগে আমাৰ ৰাজ্যখন দেশৰ ভিতৰত দ্বিতীয় সৰ্বাধিক সংখ্যক ৰাষ্ট্ৰীয় উদ্যান থকা ৰাজ্যত পৰিগণিত হ'ল। এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ গতিশীল নেতৃত্বত এই চৰকাৰখন নতুনকৈ অধিসূচীত ৰাষ্ট্ৰীয় উদ্যানসমূহত পৰ্যাপ্ত আন্তঃগাঁথনি নিৰ্মাণৰ বাবে দায়বদ্ধ।

(১০১) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক বন্যপ্ৰাণীৰ নিৰাপদ বাসস্থান হিচাপে গঢ়ি তোলাৰ দিশত আমাৰ চৰকাৰে নেৰানেপেৰা প্ৰচেষ্টা অব্যাহত ৰাখিছে। যোৱা কেইটামান বৰ্ষত চোৰাং চিকাৰৰ ঘটনা উল্লেখনীয়ভাৱে হ্ৰাস পোৱাটোৱে ইয়াকে সূচায়। আমাৰ এই প্ৰচেষ্টাক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে আমি গোলাঘাট, নগাঁও, বিশ্বনাথ আৰু শোণিতপুৰ জিলাত ২৪১ টা চোৰাং চিকাৰ বিৰোধী শিবিৰৰ নৱীকৰণৰ কাম হাতত লৈছো।

(১০২) ৭১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মাজেৰে কাজিৰঙাৰ পৰা কাৰ্বি আংলঙলৈ পাৰ হোৱা বন্য জীৱ-জন্তুসমূহৰ নিৰাপদ অহা-যোৱা নিশ্চিত কৰিবলৈ ৩৫ কিলোমিটাৰৰ এটা এলিভেটেড কৰিডৰ আৰু সুৰঙ্গৰ সৈতে ৪ লেনযুক্ত পথৰ নিৰ্মাণৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। এই প্ৰকল্পৰ আনুমানিক ব্যয় ৪৮৬৫ কোটি টকা।

(১০৩) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত দ্বিতীয়, তৃতীয় আৰু পঞ্চম সংযোজন হিচাপে আৰু ১৯৮৫ বৰ্ষত ঘোষণা কৰা অনুসৰি ৮৩২ হেক্টৰ অতিৰিক্ত ভূমি অধিগ্ৰহণ কৰা হৈছে। এই ভূমি অধিগ্ৰহণে অঞ্চলটোত বসবাস কৰা ১০৮৫ পৰিয়ালক ক্ষতিগ্ৰস্ত কৰিছে। অধিগ্ৰহণ কৰা ভূমিৰ মুঠ ক্ষতিপূৰণ হিচাপে ২০২২-২৩ বৰ্ষৰ সময়ছোৱাত ৪৮.০৮

কোটি টকা আৰু সাহায্য আৰু পুনৰ সংস্থাপন পেকেজ আগবঢ়োৱাৰ বাবে আমাৰ চৰকাৰ দায়বদ্ধ। চৰকাৰখনে তেওঁলোকক বিকল্প স্থানলৈ স্থানান্তৰ হোৱাত সহায় কৰিব। অংশীদাৰীসকলৰ সৈতে পৰামৰ্শমৰ্মে নটা হস্তী কৰিড'ৰ সোনকালেই জাননীকৃত কৰা হ'ব।

(১০৪) সংহত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ইক'চেনছেটিভ জ'ন আৰু ৮ টা সুৰক্ষিত অঞ্চল সামৰি ব্যাঘ্ৰ ৰিজাৰ্ভ আৰু ৩২৫৬ বৰ্গ কিলোমিটাৰ সংৰক্ষিত বনাঞ্চল এক বহুতৰপীয়া নিৰীক্ষণ আৰু পৰামৰ্শ প্ৰক্ৰিয়াৰ যোগেদি চূড়ান্ত কৰা হৈছে। ইয়াৰ জাননী জাৰি কৰাৰ কাৰণে ভাৰত চৰকাৰক সোনকালে জমা দিয়া হ'ব। ই বন্যপ্ৰাণী আৰু উদ্ভিদৰাজিৰ সু-সংহত সংৰক্ষণ আৰু ইক'টুৰিজিমৰ পৰিকল্পিত বৃদ্ধি আৰু বিকাশত সহায় কৰিব।

(১০৫) কেন্দ্ৰীয় বাজেটে কৃষিবন ক্ষেত্ৰৰ ওপৰত আৰোপ কৰা গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ চৰকাৰেও কৃষিযোগ্য পতিত ভূমিত গছ ৰোপণ, পথাৰত আলিবান্ধ নিৰ্মাণ আৰু গাঁও পঞ্চায়তৰ বাবে সম্পদ সৃষ্টিৰ জৰিয়তে কৃষিবন ক্ষেত্ৰ উন্নীত কৰাৰ বাবে দায়বদ্ধ। আমাৰ কৃষক বন্ধু আৰু ব্যক্তিগত খণ্ডক জড়িত কৰি এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই উদ্দেশ্য আগত ৰাখি কৃষকসকলক তেওঁলোকৰ ভূমিত গছ ৰোপণ কৰাত উদ্‌গনি যোগোৱাৰ অৰ্থে 'নট-ফৰ-প্ৰফিট' ধাৰা ৮ কোম্পানী হিচাপে অসম কৃষিবন উন্নয়ন ব'ৰ্ড স্থাপন কৰাৰ বাবে আমি ইতিমধ্যে অনুমোদন জনাইছো। সেইমতে ২০২২-২৩ বৰ্ষত এইবোৰ কাম-কাজৰ বাবে প্ৰাৰম্ভিক পৰ্যায়ত মই ১০ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ আগবঢ়ালো।

(১০৬) সমগ্ৰ দেশৰ টায়াৰ-২ আৰু টায়াৰ-৩ মহানগৰীসমূহত জীৱনধাৰণ সহজসাধ্য কৰাৰ বাবে ভাৰত চৰকাৰৰ ভিজনৰ লগত সামঞ্জস্য ৰাখি আমি গুৱাহাটী মহানগৰীত ১০০ খন অতিৰিক্ত চি এন জি বাছৰ

লগতে স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনত প্ৰায়২৫০ কোটি টকা ব্যয়েৰে ২০০ খন বৈদ্যুতিক বাহনৰ চলাচল আৰম্ভ কৰিবলৈ লৈছো। এক পৰিকল্পিত আঁচনি অনুসৰি জীৱাশ্মজনিত ইন্ধনভিত্তিক বাছসেৱা ভৱিষ্যতে বন্ধ কৰি দিয়া হ'ব।

## IX. সুস্বাস্থ্যৰে সমৃদ্ধিলৈ

(১০৭) অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখনে অসমৰ জনসাধাৰণক অত্যাধুনিক স্বাস্থ্য সেৱাৰ সা-সুবিধা আগবঢ়াবলৈ প্ৰদান কৰা নিজৰ প্ৰতিশ্ৰুতি পালন কৰিছে। আমি ক'ভিড পৰিস্থিতিৰ মোকাবিলা কৰা, চিকিৎসা শিক্ষা খণ্ডলৈ আমি অনা অগ্ৰগতি আৰু কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহে আমাৰ এই কথাৰ সত্যতা প্ৰমাণ কৰে।

(১০৮) বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বাৰা প্ৰশংসিত আমাৰ ক'ভিড-১৯ ব্যৱস্থাপনাই হওক বা নিটি আয়োগে তেওঁলোকৰ স্বাস্থ্য সূচকৰ তালিকাত আমাক আটাইতকৈ উন্নীত ৰাজ্য বুলি স্থান প্ৰদান কৰা স্বীকৃতিয়েই হওক, স্বাস্থ্য আন্তঃগাঁথনিত এক দৃষ্টান্তমূলক পৰিৱৰ্তন সাধন কৰিবলৈ চেষ্টা চলাই থকা এখন ৰাজ্য হিচাপে আমি বহুদূৰ অতিক্ৰম কৰিছো। NFHS-5ৰ শেহতীয়া তথ্যত স্পষ্টকৈ প্ৰতিফলিত হৈছে স্বাস্থ্য খণ্ডত অসমৰ সাফল্যৰ বৃহৎ যাত্ৰা।

(১০৯) ক'ভিড-১৯ ব্যৱস্থাপনাৰ ক্ষেত্ৰত যুদ্ধকালীন তৎপৰতাৰে টিকাকৰণ অভিযান চলোৱাটো হৈছে আমাৰ এক অন্যতম গুৰুত্বপূৰ্ণ দিশ । আমি বুজি পাওঁ যে কঠোৰ টিকাকৰণ অভিযানে কেৱল ক'ভিডৰ ভৱিষ্যৎ সংক্ৰমণকে প্ৰতিৰোধ নকৰে, লগতে ই অৰ্থনীতিক সম্পূৰ্ণৰূপে পুনৰুজ্জীৱিত কৰাতো গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। সম্প্ৰতি ১৩ মাৰ্চ, ২০২২ তাৰিখৰ হিচাপত মুঠ প্ৰদত্ত টিকাৰ সংখ্যা হৈছেগৈ ৪,৩৬,২৪,৯৫৩ পালি (প্ৰথম পালি ২,৩৪,৮৭,১০১, দ্বিতীয় পালি ১,৯৯,২৩,৪৫৮ আৰু ২,৭৪,৩৯৪ সতৰ্কতামূলক পালি)।

(১১০) ৰাজ্যখনত কৰ্কট ৰোগৰ বিৰুদ্ধে যুঁজ দিবলৈ আমাৰ চৰকাৰখনে ৰাজ্যখনত কৰ্কট ৰোগৰ চিকিৎসাৰ পৰ্যাপ্ত সা-সুবিধা গঢ়ি তোলাৰ ক্ষেত্ৰত দ্ৰুত পদক্ষেপ গ্ৰহণ কৰিছে।

(১১১) প্ৰথম পৰ্যায়ত ১০ খন কৰ্কট চিকিৎসালয়ৰ নিৰ্মাণ কাৰ্য চলি আছে। ইয়াৰ ভিতৰত ডিব্ৰুগড়, বৰপেটা, লখিমপুৰ, তেজপুৰ, যোৰহাট, মঙলদৈ আৰু কোকৰাঝাৰত সাতখন চিকিৎসালয় ২০২২ বৰ্ষৰ মে’ মাহৰ ভিতৰত সেৱা আগবঢ়াবলৈ সাজু হৈ উঠিব। শিলচৰৰ চিকিৎসালয়খন আৰু ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, গুৱাহাটী ২০২২ বৰ্ষৰ অক্টোবৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব। ডিফু কৰ্কট চিকিৎসালয়খন ২০২৩ বৰ্ষৰ মে’ মাহৰ ভিতৰত সম্পূৰ্ণ কৰি তুলিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে।

(১১২) সন্মানীয় সদস্যসকলক জনাবলৈ পাই মই সুখী হৈছো যে টাটা ন্যাসৰ সৈতে হোৱা বুজাবুজিৰ চুক্তি অনুসৰি ডিব্ৰুগড়, বৰপেটা, কোকৰাঝাৰ, তেজপুৰ, যোৰহাট, লক্ষীমপুৰ আৰু দৰঙত আৰু ৭ খন কৰ্কট ৰোগৰ চিকিৎসালয় স্থাপন কৰা হ’ব। ২০২২-২৩ বৰ্ষৰ ভিতৰতে এইবোৰৰ নিৰ্মাণকাৰ্য আৰম্ভ হ’ব।

(১১৩) মহাশয়, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতালৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত ৰবটিক অস্ত্ৰোপ্ৰচাৰ গোট স্থাপন কৰিবলৈ আমি প্ৰস্তাৱ লৈছো।

(১১৪) অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে মাননীয় প্ৰধানমন্ত্ৰীৰ সপোনৰ আৰ্হিত অসমৰ প্ৰতিখন জিলাতে এখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিবলৈ লক্ষ্য লৈছে। বৰ্তমান ৮ খন চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতাল সম্পূৰ্ণৰূপে কাৰ্যক্ষম হৈ আছে। ধুবুৰী, নলবাৰী, নগাঁও, কোকৰাঝাৰ আৰু তিনিচুকীয়াত চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। বিশ্বনাথ, চৰাইদেউ আৰু গুৱাহাটীৰ দ্বিতীয়খন চিকিৎসা

মহাবিদ্যালয় প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ আনুষংগিক কাম-কাজ আৰম্ভ হৈছে। ধেমাজি, বঙাইগাঁও, মৰিগাঁও, গোলাঘাট আৰু তামুলপুৰ চিকিৎসা মহাবিদ্যালয়ৰ বিতং প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে আৰু চলিত বৰ্ষতে কাম আৰম্ভ হ'ব।

(১১৫) আমি শিৱসাগৰ, কৰিমগঞ্জ আৰু গোৱালপাৰাত তিনিখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ কৰিছো।

(১১৬) ৰাজ্যখনৰ জনসাধাৰণৰ বাবে আই আই টি গুৱাহাটী চৌহদত অতি উন্নত ছুপাৰ স্পেচিয়েলিটী হাস্পতাল কেন্দ্ৰ স্থাপন কৰা হ'ব। বায়' মেকানিকছ, বায়' ইঞ্জিনীয়াৰিং আৰু ৰবটিক চাৰ্জাৰীৰ ক্ষেত্ৰত গৱেষণা আৰু উন্নয়নৰ সা-সুবিধাৰ লগতে সাধাৰণ চিকিৎসাসেৱা আগবঢ়াব।

(১১৭) মহাশয়, আমাৰ জিলা চিকিৎসালয়সমূহ হ'ল ৰাজ্যখনৰ মজলীয়া স্বাস্থ্য সেৱাৰ ৰাজহাড়স্বৰূপ। এই চিকিৎসালয়সমূহক চিকিৎসা মহাবিদ্যালয়লৈ উন্নীত কৰি মানসম্পন্ন মজলীয়া চিকিৎসা সেৱাৰ ব্যৱধানৰ মোকাবিলা কৰা হ'ব। আমি ৰাজ্যখনৰ বৰপেটা, শিলচৰ, ডিফু, যোৰহাট, তেজপুৰ আৰু লক্ষীমপুৰ চিকিৎসা মহাবিদ্যালয় জিলা হাস্পতালত ছুপাৰ স্পেচিয়েলিটী চিকিৎসালয়ৰ শাখা স্থাপন কৰাৰ পৰিকল্পনা কৰিছো। জাইকা সাহায্যপ্ৰাপ্ত এই প্ৰকল্পৰ বাবে ৩,৭৯৮ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে। আনহাতে বিশ্ববেংকৰ সাহায্যত উন্নতমানৰ নাৰ্ছিং মহাবিদ্যালয় আৰু আন সেৱাৰ উন্নীতকৰণেৰে ১০ খন নতুন জিলা হাস্পতাল স্থাপনৰ বিষয়টোও পৰিকল্পনাৰ তালিকা আছে আৰু এই প্ৰকল্পৰ বাবে ২,১৯৭ কোটি টকাৰ ব্যয় ধাৰ্য কৰা হৈছে। ৰাজ্যখনৰ ভিতৰুৱা অঞ্চলত বসবাস কৰা লোকসকললৈ উন্নত চিকিৎসা সেৱাৰ সা-সুবিধা আগবঢ়াবলৈ আমি এই চিকিৎসালয়সমূহত টেলি মেডিচিন, টেলি আই চি ইউ আৰু ই-হস্পিতালৰ সা-সুবিধাসমূহো প্ৰৱৰ্তন কৰিবলৈ ওলাইছো।

(১১৮) মহাশয়, ৰাজ্যখনত উচ্চ অৰ্হতাসম্পন্ন নাৰ্চসকলৰ বৰ্ধিত প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবলৈ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত এখন বি এছ চি নাৰ্ছি মহাবিদ্যালয়/জি এন এম নাৰ্ছিং বিদ্যালয় সংলগ্ন কৰিবলৈও আমি প্ৰস্তাৱ কৰিছো।

(১১৯) মহাশয়, মই বিধানসভাত জনাবলৈ পাই সুখী হৈছো যে আমাৰ চৰকাৰে এ টি চি (ATC) বাগিচাত সম্পূৰ্ণৰূপে কাৰ্যক্ষম চৰকাৰী চিকিৎসালয় স্থাপন কৰাৰ বাবে দিয়া প্ৰতিশ্ৰুতি পালন কৰিছে। ১৪ খন হস্পিতাল ইতিমধ্যে স্থাপন কৰা হৈছে আৰু পৰৱৰ্তী বিত্তীয় বৰ্ষত আৰু এখন কাৰ্যক্ষম কৰা হ'ব।

(১২০) আমাৰ চৰকাৰখনে ঘৰৰ ওচৰলৈকে প্ৰাথমিক স্বাস্থ্য সেৱাৰ অভিলাষী সম্প্ৰসাৰণৰ অংশ হিচাপে ৰাজ্যখনত ১০০০ টা বুনিয়াদী স্বাস্থ্যকেন্দ্ৰ স্থাপনৰ পদক্ষেপ লৈছে। প্ৰথম বছৰত তেনে ১০০ টা কেন্দ্ৰৰ কাম আৰম্ভ কৰা হৈছে আৰু ২০২২-২৩ বিত্তীয় বৰ্ষত আন ২০০ টা উপ-কেন্দ্ৰক বুনিয়াদী স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰাৰ ব্যৱস্থা কৰা হ'ব।

(১২১) পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে নতুনকৈ গুৰুত্ব আৰোপ কৰা মৰ্মে অসমতো দুধনৈ আৰু পলাশবাৰীত দুখন নতুন আয়ুৰ্বেদিক মহাবিদ্যালয় স্থাপন কৰা হ'ব।

(১২২) অধ্যক্ষ মহোদয়, যিসকল পিতৃ-মাতৃৰ Cerebral Palsy ৰোগত আক্ৰান্ত সন্তান আছে তেওঁলোকৰ দুখ আৰু বেদনা সঁচাই মৰ্মান্তিক। এনে পৰিয়ালৰ জীৱন-যাত্ৰা যেন স্তব্ধ হৈ পৰিছে এনে এক অৱস্থা অনুভূত হয়। এই পৰিয়ালসমূহে দীৰ্ঘদিন ধৰি হয়তো কেতিয়াবা আজীৱন চিকিৎসা আৰু ফিজিঅ'থেৰাপিৰ বাবে বৃহৎ পৰিমাণৰ ধন ব্যয় কৰিবলগীয়া হয়। এনেক্ষেত্ৰত আমাৰ চৰকাৰ মৌন দৰ্শক হৈ থাকিব নোৱাৰে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে এনে পৰিয়ালৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি তেওঁলোকলৈ আৰ্থিক আৰু আৱেগিক সমৰ্থন প্ৰদান কৰিছে। Cerebral Palsy ৰোগত আক্ৰান্ত শিশুৰ সাহায্যৰ বাবে স্নেহ স্পৰ্শ প্লাছ আঁচনিখন

আৰম্ভ কৰাৰ প্ৰস্তাৱ কৰা হৈছে। এনেধৰণৰ শিশুৰ পুনৰ সংস্থাপনৰ বাবেও তেওঁলোকৰ পিতৃ-মাতৃসকলে বৃহৎ পৰিমাণৰ ব্যয় বহন কৰিবলগীয়া হয় আৰু সেয়েহে চৰকাৰে এনেধৰণৰ দেৱশিশুসকলৰ কাষত থিয় দিছে। আমি প্ৰকৃততে এই নীতিবাক্যত বিশ্বাস কৰো—

*"আমি তোমালোকৰ সৈতে আৰু তোমালোকৰ কাৰণে*

*সদায় আছো আৰু সদায় থাকিম।"*

## X. মিছন বসুন্ধৰা

(১২৩) সন্মানীয় সদস্যসকল অৱগত যে মিছন বসুন্ধৰা হৈছে বৰ্তমান চৰকাৰৰ অন্যতম গুৰুত্বপূৰ্ণ আঁচনি। ৰূপান্তৰ আৰু ভূমি সম্পৰ্কীয় সেৱা প্ৰদানৰ উদ্দেশ্যে ২০২১ চনৰ ২ অক্টোবৰত এই আঁচনিৰ শুভাৰম্ভ কৰা হৈছিল।

(১২৪) এই অভিযান আৰম্ভ হোৱাৰে পৰা ৯ টা সেৱাৰ বাবে ৮ লাখতকৈও অধিক আৱেদন লাভ কৰা হৈছিল আৰু ইয়াৰ ভিতৰত ৫ লাখতকৈ অধিক আৱেদন ইতিমধ্যে নিষ্পত্তি কৰা হৈছে। বাকীবোৰ আৱেদন চলিত বৰ্ষৰ ১০ মে'ত বৰ্তমানৰ চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তিৰ পূৰ্বে নিষ্পত্তি কৰা হ'ব। মিছন বসুন্ধৰাৰ প্ৰতি ৰাইজৰ অভূতপূৰ্ব সমৰ্থন পৰিলক্ষিত হৈছে। ইয়াৰ জৰিয়তে ভূমি নথি ব্যৱস্থাৰ মূলসুঁতিকৰণৰ প্ৰয়োজনীয়তাৰ কথা পুনৰ প্ৰতীয়মান হৈছে। ভূমি হৈছে সামগ্ৰিক বিকাশ, উদ্যম আৰু বহনক্ষম উন্নয়নৰ মূল উপাদান।

(১২৫) ৬৬৪ খন অনা-কেডেষ্ট্ৰেল গাঁৱৰ পলীগন জৰীপৰ কাম সম্পূৰ্ণ কৰা হৈছে। বাসিন্দাসকললৈ সম্পত্তিৰ অধিকাৰ আগবঢ়োৱাৰ উদ্দেশ্যে ভূমি নথি আৰু মানচিত্ৰৰ ডিজিটেল ব্যৱস্থাৰে এই গাঁওসমূহৰ বিতং জৰীপ কৰা হ'ব। ৰাজ্যখনৰ কোনো অঞ্চলকে এই জৰীপৰ পৰা বাদ দিয়া হোৱা নাই।

(১২৬) জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ আৰু সহযোগত চৰকাৰে মিছন বসুন্ধৰা-২ আৰম্ভ কৰিব। এই অভিযানত সিদ্ধান্তকাৰী ভূমিস্বত্বৰ

বাবে ৰূপৰেখাৰে সৈতে পৰৱৰ্তী পৰ্যায়ৰ ভূমি সম্পৰ্কীয় সেৱাসমূহ আগবঢ়োৱা হ'ব। ইয়ে অকল সুৰক্ষা প্ৰদান আৰু অপৰিবৰ্তনশীলেই নহয়, দূৰদৃষ্টিসম্পন্ন বিধায়িনী পৰিকাঠামোৰ সৈতে ভৱিষ্যৎ সময়ত ভূমি স্বত্বৰ নিশ্চয়তা প্ৰদানৰ ক্ষেত্ৰতো জবাবদিহি হ'ব। মিছন-২ৰ জৰিয়তে ভূমি অধিকাৰীৰ পৰা ৰাজহ সংগ্ৰহ ব্যৱস্থা কাৰ্যক্ষম কৰি তোলা হ'ব। এইক্ষেত্ৰত ভূমিৰ গৰাকীয়ে সেই ভূমি অতিৰিক্ত বন্ধকী হিচাপে ব্যৱহাৰ কৰিব পাৰিব, যিয়ে ভূমিৰ মূল্য মুকলি কৰি দিব।

(১২৭) আইনগত প্ৰত্যাহ্বান দূৰীকৰণৰ বাবে ভূমি নথিৰ উন্নীতকৰণ আৰু নিকাকৰণৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি মিছন বসুন্ধৰা-২ৰ অধীনত প্ৰথম পৰ্যায়ৰ মিছনৰ সেৱা অব্যাহত থাকিব।

(১২৮) এইটো সকলোৱে অৱগত যে বহু ভিলেজ গ্ৰেজিং ৰিজাৰ্ভ (VGR) আৰু প্ৰফেচনেল গ্ৰেজিং ৰিজাৰ্ভ (PGR) ত প্ৰজন্ম ধৰি প্ৰজন্মই বসবাস কৰি আছে যদিও, চৰকাৰে বিভিন্ন কাৰণত তেওঁলোকলৈ ভূমি অধিকাৰ দিবলৈ সমৰ্থ হোৱা নাই। জিলাৰ কেতবোৰ অঞ্চলত নতুন VGR আৰু PGR চিহ্নিত কৰি সেইবোৰত বসবাস কৰি থকা তেনে লোকলৈ মাটিৰ অধিকাৰ দিয়াৰ কথা চৰকাৰে বিবেচনা কৰি আছে।

(১২৯) এই মিছনৰ অধীনত কাম কৰি থকা বিষয়া আৰু কৰ্মচাৰীসকলক মই কৃতজ্ঞতা জনাইছো। এই বিত্তীয় বৰ্ষৰ বাবে মিছন বসুন্ধৰালৈ মই ৭৫ কোটি টকা ধাৰ্য কৰিছো।

## XI. কৰ্মচাৰীৰ পক্ষত

(১৩০) অধ্যক্ষ মহোদয় মই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছো যে ৰাজ্য চৰকাৰে ইয়াৰ কৰ্মচাৰী আৰু পেঞ্চনাৰসকলক ১১ শতাংশ অতিৰিক্ত মৰগীয়া বানচ প্ৰদান কৰিছে। ইয়াৰ ফলত ৰাজ্যৰ ৰাজকোষৰ পৰা প্ৰতিমাহে ১৯৫ কোটি টকা ব্যয় হ'ব। মৰগীয়া বানচ আৰু ৩ শতাংশ বৃদ্ধিৰ ঘোষণা কৰা হৈছে। যাৰ ফলত প্ৰতিমাহে ৫৮.২৬ কোটি টকা অতিৰিক্ত ব্যয় হ'ব।

(১৩১) পেঞ্চনাৰসকলৰ কষ্ট লাঘৱ কৰাৰ উদ্দেশ্যে আমাৰ চৰকাৰে পেঞ্চন সম্বন্ধীয় তথ্য অনলাইন চাবলৈ 'কৃতজ্ঞতা' নামৰ এক প'ৰ্টেল আৰম্ভ কৰিছে। পেঞ্চনৰ আবেদন পৰীক্ষা কৰা আৰু সময়মতে পেঞ্চন প্ৰদান কৰা সহজসাধ্য কৰিবলৈ সমগ্ৰ ৰাজ্যজুৰি পেঞ্চন সেৱা কেন্দ্ৰ স্থাপন কৰি থকা হৈছে।

(১৩২) ভৱিষ্যতলৈ আমি জি পি এফ, লিভ এনকেশ্বমেণ্ট আৰু জি আই এছ আদি অৱসৰৰ পিছত সকলো লাভালাভ এখন একক উইণ্ড'ৰ জৰিয়তে প্ৰদান কৰিম। ক্ষেত্ৰ বিষয়া, ডি ডি অ'সকলক ইয়াৰ বাবে প্ৰয়োজনীয় কৰ্তৃত্ব প্ৰদান কৰা হৈছে।

(১৩৩) 'আপোন ঘৰ' আৰু 'বিদ্যালক্ষ্মী' আঁচনিৰ অধীনত ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীসকলক সুদৰ হাৰৰ বিপৰীতে ৰাজসাহায্য আগবঢ়াবলৈ এই বৰ্ষত মুঠ ১২৯.৮৯ কোটি টকা ধাৰ্য কৰা হৈছে। এতিয়ালৈকে ৩৩,০৩০ গৰাকী কৰ্মচাৰীক উপকৃত কৰি 'আপোন ঘৰ' আঁচনিখনে ৪,৩০৭ কোটি টকাৰ সুলভ ঋণ আগবঢ়াইছে।

(১৩৪) ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনাৰসকলৰ লগতে তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ আন সদস্যসকলক উৎকৃষ্ট স্বাস্থ্য সেৱা আগবঢ়োৱাৰ বাবে আমাৰ চৰকাৰৰ নিৰন্তৰ প্ৰচেষ্টাৰ অংশস্বৰূপে কৰ্মচাৰী আৰু পেঞ্চনাৰসকলে চিকিৎসাৰ বাবে পাবলগীয়া ধন নিৰ্ধাৰিত সময়ৰ ভিতৰত সহজে লাভ কৰাটো নিশ্চিত কৰিবলৈ এখন ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে আমাৰ চৰকাৰে এক সৰলীকৃত প্ৰক্ৰিয়া গ্ৰহণ কৰিব বিচাৰিছে। অটল অমৃত অভিযান ছ'ছাইটি হ'ব ন'ডেল এজেন্সী, যাৰ অধীনত এটা উৎসৰ্গীকৃত আই টি প'ৰ্টেল মুকলি কৰা হ'ব যিয়ে এক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত কৰ্মচাৰী/পেঞ্চনাৰসকললৈ গ্ৰহণযোগ্য ধন মুকলি কৰাৰ বাবে প্ৰস্তাৱ সমূহৰ সকলো প্ৰক্ৰিয়া সম্পাদন কৰিব। তালিকাভুক্ত চিকিৎসালয়সমূহৰ ধাৰণাটো প্ৰত্যাহাৰ কৰা হ'ব যাতে অধিক মানসম্পন্ন চিকিৎসালয়ৰ পৰা কৰ্মচাৰীসকলে চিকিৎসা সেৱা লাভ কৰিব পাৰে।

(১৩৫) মাধ্যমিক সঞ্চালকালয়ৰ অধীনত কম্পিউটাৰ আৰু অতিৰিক্ত শিক্ষকৰ দৰমহা চিলিংমুক্ত কৰা হ'ব। যাতে তেওঁলোকে সময়মতে মাহিলী দৰমহা লাভ কৰে।

(১৩৬) অসম প্ৰাথমিক তথা মাধ্যমিক বিদ্যালয় শিক্ষক (নিয়মীয়া আৰু বদলি) আইন, ২০২০ অনুসৰি একক শিক্ষকৰ মিউছুৱেল ট্ৰেন্সফাৰ, আন্তঃজিলা বদলি আৰু অন্তঃজিলা বদলি কোনো মানৱীয় হস্তক্ষেপ অবিহনে https://hrmsassam.in ত উল্লেখ কৰা মতে অনলাইনযোগে কৰা হ'ব।

## XII. জলবায়ু অনুকূল কৃষি

*If Conservation of Natural Resources goes wrong, nothing else will go Right –M S Swaminathan*

(১৩৭) মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে প্ৰাকৃতিক কৃষিকৰ্মৰ প্ৰসাৰৰ বাবে আহ্বান জনাইছে। এই কৃষি পদ্ধতি প্ৰাকৃতিকভাৱে উপলব্ধ গৰুৰ গোবৰৰ সাৰৰ তথা কম ব্যয়ত/বিনামূলীয়াকৈ উপলব্ধ কীটনাশক দ্ৰব্যৰ ওপৰত নিৰ্ভৰ কৰি কৰা হয়। ই হৈছে এক জলবায়ু অনুকূল আৰু দীৰ্ঘস্থায়ী কৃষি পদ্ধতি কিয়নো ই ৰাসায়নিক সাৰৰ প্ৰয়োজনীয়তা নোহোৱা কৰে। কৃষকসকলৰ মাজত প্ৰাকৃতিক কৃষি পদ্ধতিক জনপ্ৰিয় কৰি তোলাৰ অৰ্থে অসম চৰকাৰে ব্যাপক প্ৰশিক্ষণ আৰু প্ৰদৰ্শন কাৰ্যসূচী ৰূপায়ণৰ প্ৰস্তাৱ আগবঢ়াইছে।

(১৩৮) অসমত কৃষিমূল্য শৃংখল গঠন তথা একত্ৰিকৰণত দেখা দিয়া প্ৰধান সমস্যাসমূহ সমাধানৰ বাবে চৰকাৰে এগৰাকী আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিজ্ঞানীৰ নেতৃত্বত এখন কৃষি আয়োগ গঠনৰ বাবে জাননী জাৰি কৰিবলৈ লৈছে। এই আয়োগখনে বিভিন্ন প্ৰতিবন্ধকতা চিনাক্ত কৰিব আৰু পৰৱৰ্তী পাঁচ বছৰত কৃষি আৰু ইয়াৰ সহযোগী খণ্ডসমূহত হোৱা উৎপাদন তথা উৎপাদনশীলতাৰ ক্ষেত্ৰত আহি পৰা সমস্যাৰাজি সমাধান কৰিবলৈ কৰ্মপন্থা যুগুত কৰিব। ইয়ে আমাৰ কৃষকসকলক প্ৰচুৰভাৱে উপকৃত কৰিব। ই গ্ৰাম্য অৰ্থনীতিক অধিক সবল কৰিব।

(১৩৯) ২০২৩ বৰ্ষটো ৰাষ্ট্ৰসংঘই 'আন্তঃৰাষ্ট্ৰীয় মৰুৱা ধান (Millet) বৰ্ষ' হিচাপে ঘোষণা কৰিছে। অসম চৰকাৰেও ২০২৩ বৰ্ষটো মৰুৱা ধান বৰ্ষ হিচাপে পূৰ্ণ উদ্যমেৰে উদযাপন কৰিব। মৰুৱা ধানে বিশেষকৈ শিশু আৰু মহিলাৰ মাজত দেখা দিয়া পৰিপুষ্টিহীনতাৰ সমস্যা দূৰ কৰিব পাৰে। ৰাজ্যখনৰ কাৰ্বি বেল্টত ইতিমধ্যে মৰুৱা ধানৰ খেতি কৰা হৈছে। অসমৰ জনসাধাৰণৰ খাদ্য সম্ভাৰত মৰুৱা ধানৰ পৰা উৎপাদিত সামগ্ৰীৰ ব্যৱহাৰ আৰু ইয়াৰ উৎপাদন তথা উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ 'অসম মৰুৱা ধান অভিযান' স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে।

(১৪০) অসমত বৃহৎসংখ্যক পশুধন আছে যদিও পশুখাদ্য উৎপাদন কৰা এলেকা যথেষ্ট সীমিত। বৰ্তমান সৰহভাগ পশুখাদ্য উচ্চ দৰত ৰাজ্যৰ বাহিৰৰ পৰা আনিব লগা হয়, যাৰ ফলস্বৰূপে আমাৰ ৰাজ্যখনৰ খেতিয়কৰ পৰা আন ৰাজ্যলৈ এক বুজন পৰিমাণৰ কষ্টোপাৰ্জিত ধন ওলাই যায়। সেয়েহে পশুখাদ্য উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনক আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ অসম পশু খাদ্য অভিযানৰ প্ৰস্তাৱ লোৱা হৈছে।

(১৪১) ৰাজ্যখনত বিভিন্ন শস্যৰ বীজ উৎপাদনৰ ব্যাপক সুবিধা আৰু সম্ভাৱনীয়তাৰ কথা উপলব্ধি কৰি অসম বীজ নিগম পৰিসীমিত আৰু কৃষি সঞ্চালকালয়ৰ অধীনত এই বৰ্ষত ১০ কোটি টকা আবণ্টনেৰে ৪০ খন বীজ পাম পুনৰুজ্জীৱিত কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। এই পামসমূহক শক্তিশালী কৰি তুলি মূলতঃ প্ৰজনক আৰু মূল বীজ উৎপাদনৰ বাবে ব্যৱহাৰ কৰা হ'ব। ই অনেক শস্যৰ ক্ষেত্ৰত ৰাজ্যখনক দীৰ্ঘ কালৰ বাবে আত্মনিৰ্ভৰশীল হোৱাত সহায় কৰিব।

## XIII. খাদ্য সুৰক্ষা

(১৪২) মহাশয়, আমাৰ চৰকাৰখনে যিকোনো বিত্তীয় অংকৰ উৰ্ধত আমাৰ সমাজৰ দুৰ্বল শ্ৰেণীটোৰ কল্যাণৰ ওপৰত সদায় গুৰুত্ব প্ৰদান কৰে

আৰু ব্যয়সাধ্য পুৰিপুষ্টি আৰু প্ৰতিপালন সাহায্য (ANNA) যোজনাৰ ৰূপায়ণৰ জৰিয়তে খাদ্য সুৰক্ষাৰ এক নিৰাপদ ব্যষ্টনী গঢ়ি তোলাৰ ক্ষেত্ৰত বুজন পৰিমাণে ব্যয় কৰিছে। চলিত বৰ্ষত প্ৰতিমাহে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (NFSA)ৰ অধীনত ২.৫ কোটি হিতাধিকাৰীক বিনামূলীয়াকৈ চাউলৰ যোগান ধৰি অহা হৈছে। তদুপৰি NFSAৰ অধীনত সকলো হিতাধিকাৰীকে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্নযোজনা (PMGKAY)ৰ অধীনত প্ৰতিমাহে প্ৰতিজন ব্যক্তিকে ৫ কেজিকৈ বিনামূলীয়া চাউল অতিৰিক্তকৈ যোগান ধৰা হৈছে। আমি ২০২২-২৩ বৰ্ষত ৪৮৮.৬৮ কোটি টকা ব্যয়ৰে এই অন্নযোজনা অব্যাহত ৰাখিম।

(১৪৩) আন্তঃৰাজ্যিক আৰু অন্তঃৰাজ্যিক বহনসাধ্যতা নিশ্চিত কৰিবলৈ ***এক ৰাষ্ট্ৰ এক পৰিয়াল পৰিচয় পত্ৰ*** আঁচনি (ONRC)ৰ অধীনত ৰাজ্যখনৰ ৩৩,৯৮৭ ৰ লক্ষ্যৰ বিপৰীতে ২৮,৪৯২ গৰাকী সুলভ মূল্যৰ দোকানৰ (FPS) দোকানীক ইতিমধ্যে e-POS যতন প্ৰদান কৰা হৈছে।

(১৪৪) পৰিবহণকাৰী আৰু সুলভ মূল্যৰ দোকানৰ দোকানীসকলক ক্ষিপ্ৰভাৱে ধন মুকলি কৰি দিয়াৰ বাবে এক গুৰুত্বপূৰ্ণ বিত্তীয় সংস্কাৰ হিচাপে পৰিবহণ ব্যয় আৰু দোকানীসকলৰ লাভালাভৰ ৰাজ্যিক অংশ চিলিঙৰ পৰা বাদ দিয়া হৈছে আৰু বিত্তীয় ক্ষমতা খাদ্য, অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা বিভাগক অৰ্পণ কৰা হৈছে। তদুপৰি অন্ন যোজনা আৰু পি এম জি কে এ ৱাই (PMGKAY)ৰ অধীনত আবণ্টিত খাদ্য শস্যৰ মসৃণ আৰু বাধাহীন আহৰণ তথা বিতৰণৰ বাবে ২০২১-২২ বিত্তীয় বৰ্ষত চৰকাৰে পৰিবহন ব্যয় আৰু সুলভ মূল্যৰ দোকানীৰ লাভ হিচাপে প্ৰদান কৰিবলৈ জিলাসমূহলৈ প্ৰায় ৬৮৮ কোটি টকা মুকলি কৰি দিছে।

(১৪৫) অসম চৰকাৰে ২০২২-২৩ বৰ্ষৰ খাৰিফ শস্য বিপণন ঋতুৰ পৰাই বিকেন্দ্ৰীকৃত ক্ৰয় আঁচনি আৰম্ভ কৰিবলৈ ওলাইছে। ১৫০ টা ধান ক্ৰয় কেন্দ্ৰ (PPC) আৰু কমেও ৩০ টা চাউল সংগ্ৰহ ভঁড়াল (RRD) স্থাপনৰ প্ৰস্তাৱ কৰা হৈছে। এইটো আশা কৰা হৈছে যে মধ্যভোগীৰ

বিলোপ সাধন কৰা ডি চি পি (DCP) কাৰ্যব্যৱস্থাৰ জৰিয়তে প্ৰায় ১,৯৪০ কোটি টকা পোনপটীয়াকৈ খেতিয়কৰ হাতলৈ যাব। মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ৩৫০ কোটি টকাৰে ঘূৰ্ণীয়মান (Rolling Fund) পুঁজি গঠন কৰা হ'ব। এক পদ্ধতিগত উপায়েৰে ইয়াক আগবঢ়াই নিবলৈ আৰু ১০ লাখ মেট্ৰিকটন ধান ক্ৰয়ৰ লক্ষ্যত উপনীত হ'বলৈ ৫০ শতাংশ মূলধনী ৰাজসাহায্য আগবঢ়াই আমি প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণ কৰিছো। মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত শীঘ্ৰে ৮৪ টা কল, ১১০ টা গুদাম আৰু ২০০ টা খাদ্য শস্য শুকোৱা গোট স্থাপনৰ যো-জা কৰা হৈছে। ধান ক্ৰয়ৰ ক্ষেত্ৰত উদ্‌গনি প্ৰদত্ত অংশগ্ৰহণৰ বাবে ধান কলৰ মালিকসকলক ৰাজসাহায্য হিচাপে প্ৰতি কুইণ্টলত ৭০ টকাকৈ দিয়াৰ প্ৰস্তাৱ কৰা হৈছে আৰু ইয়াৰ উপৰি প্ৰতি কুইণ্টলত ১০ টকাকৈ কেন্দ্ৰীয় চৰকাৰে দি আছে।

(১৪৬) ৰাজ্যখনত স্থাপন কৰিবলগীয়া প্ৰায় ১০,০০০ আদৰ্শ আংগনৱাড়ী কেন্দ্ৰই পোনপটীয়াকৈ ভাৰতীয় খাদ্য নিগমৰ চাউল ক্ৰয় কৰিব। এই প্ৰক্ৰিয়াৰ জৰিয়তে ৰাহি হোৱা ধন অন্যান্য খাদ্য সামগ্ৰী যোগানত ব্যৱহাৰ কৰা হ'ব। ২০০০ কেন্দ্ৰ স্থাপনৰ বাবে পৰ্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰা হৈছে।

## XIV. অসমৰ বৈদ্যুতিকৰণ

(১৪৭) অধ্যক্ষ মহোদয়, সন্মানীয় কেন্দ্ৰীয় বিত্ত মন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমণ ডাঙৰীয়ানীয়ে শেহতীয়া কেন্দ্ৰীয় বাজেটত অসমক শক্তি খণ্ডৰ সংস্কাৰৰ বাবে অতিৰিক্ত ০.৫% ঋণৰ অনুমতি প্ৰদান কৰাৰ বাবে প্ৰথমে মই তেখেতক ধন্যবাদ জনাইছো। ইয়ে আমাক শক্তিখণ্ডত গাঁথনিগত সংস্কাৰ সাধনৰ বাবে যথেষ্ট সুবিধা প্ৰদান কৰিব।

(১৪৮) ৰাজ্য চৰকাৰে যোৱা কেইমাহমানত শক্তি খণ্ডত ভালেসংখ্যক বৃহৎ সংস্কাৰৰ কাম হাতত লৈছে।

(১৪৯) এই সংস্কাৰ সাধন কাৰ্যসূচীসমূহৰ ভিতৰত আছে - যোৱা বছৰত অসম শক্তি বিতৰণ কোম্পানী পৰিসীমিত (APDCL) লৈ ৰাজ্য চৰকাৰে

আগবঢ়োৱা ৪,২৯০ কোটি টকাৰ ঋণ আৰু অনুদানক 'ইকুইটী' লৈ ৰূপান্তৰ। ইয়াৰ ফলত বাৰ্ষিকভাৱে ২৭০ কোটি টকাৰ return on equity ৰ অতিৰিক্ত দাবী কৰিব পৰা হ'ব।

(১৫০) ৰাজ্য চৰকাৰে লগতে ৩৪৬ কোটি টকাৰ অনাদায় হৈ থকা সুদ ৰেহাইৰ ব্যৱস্থা কৰিছে। এই ব্যৱস্থাই APDCLৰ বেলেঞ্চ শ্বীটৰ ঋণ গ্ৰহণ যোগ্যতা অধিক বৃদ্ধি কৰিব।

(১৫১) গ্ৰাহকক সকাহ দিয়াৰ উদ্দেশ্যে বিদ্যুৎ মাছুলৰ নিৰিখ হ্ৰাস কৰাৰ লক্ষ্যৰে অসম চৰকাৰে APDCL লৈ বিদ্যুৎ ক্ৰয়ৰ ৰাজ সাহায্য হিচাবে ৫০০ কোটি টকা আৰু ৪৮০ কোটি টকা নিৰ্ধাৰিত ৰাজ্য সাহায্য হিচাপে মোকলাই দিছে।

(১৫২) COP-26 ত ভাৰতৰ পঞ্চামৃত প্ৰতিশ্ৰুতিৰ লগত সংগতি ৰাখি অসম চৰকাৰে **'মুখ্যমন্ত্ৰী সৌৰশক্তি প্ৰকল্প'** আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ জৰিয়তে পৰৱৰ্তী তিনিটা বছৰত ৰাজ্যখনত স্বচ্ছ শক্তি উৎপাদন বৃদ্ধি কৰি তোলাৰ লক্ষ্যৰে ১০০০ মেগাৱাট শক্তি সম্পন্ন সৌৰশক্তি উৎপাদন প্ৰকল্প স্থাপন কৰা হ'ব। এই সৌৰশক্তি প্ৰকল্পসমূহ অব্যৱহৃত চৰকাৰী ভূমি আৰু জলাশয়ত ৰূপায়ণ কৰা হ'ব। উপযুক্ত স্থান চিনাক্তকৰণৰ বাবে ইতিমধ্যে জৰীপ কাৰ্য আৰম্ভ কৰা হৈছে। ৩০০ কোটি টকা বিনিয়োগেৰে নিৰ্মাণ কৰা ৭০ মেগাৱাট শক্তিৰ আমগুৰি সৌৰশক্তি প্ৰকল্পৰ কাম শীঘ্ৰেই আৰম্ভ কৰা হ'ব। ২০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০ মেগাৱাট শক্তিসম্পন্ন নামৰূপ সৌৰশক্তি প্ৰকল্প আৰু ২০ মেগাৱাট শক্তিসম্পন্ন মাজুলী সৌৰশক্তি প্ৰকল্পও অচিৰেই আৰম্ভ কৰা হ'ব। সমগ্ৰ প্ৰকল্পটোত মুঠ ৪০০০ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে।

(১৫৩) ভাৰত চৰকাৰ আৰু এছিয়ান ডেভেলপমেণ্ট বেংকৰ সহায়ত ডিমা হাছাও জিলাত ২১২৭ কোটি টকা ব্যয় সাপেক্ষে ১২০ মেগাৱাট শক্তিসম্পন্ন নামনি কপিলী জল বিদ্যুৎ প্ৰকল্প স্থাপনৰ বাবে APGCLয়ে

পদক্ষেপ গ্ৰহণ কৰিছে। এই প্ৰকল্পৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে। কাৰ্বি আংলং জিলাৰ বৰপানী নদীত ৪৬.৫ মেগাৱাট শক্তিসম্পন্ন আন দুটা জল বিদ্যুৎ প্ৰকল্প শীঘ্ৰেই ৰূপায়ণৰ পৰিকল্পনাও গ্ৰহণ কৰা হৈছে। একেদৰে বৃহৎ তাপ শক্তি প্ৰকল্প ১০০ মেগাৱাটযুক্ত নামৰূপ ৰিপ্লেচমেণ্ট পাৱাৰ প্ৰজেক্ট Phase-II (NRPP Ph-II) আৰু ১০০ মেগাৱাটযুক্ত নামৰূপ গেছ ইঞ্জিন প্ৰকল্পৰ কামৰো পৰিকল্পনা কৰা হৈছে। এই প্ৰকল্পৰ বাবে মুঠ ২৫০০ কোটি টকা ব্যয় হ'ব।

## XV. ঔদ্যোগিক বিকাশৰ বাবে পাৰিপাৰ্শ্বিক ব্যৱস্থা সৃষ্টি

(১৫৪) অধ্যক্ষ মহোদয়, বিনিয়োগৰ বাবে ৰাজ্যসমূহে আজি পৰস্পৰৰ মাজত প্ৰতিযোগিতাত নামিছে। ভৌগলিক অসুবিধাৰ বাবে অধিক বিনিয়োগ আকৰ্ষণ কৰাৰ ক্ষেত্ৰত অসমে এক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সেইবাবে এখন সাধাৰণ ঔদ্যোগিক নীতিৰ সলনি খাপখোৱা ঔদ্যোগিক নীতি বিকশাই তোলা হ'ব।

(১৫৫) বিনিয়োগৰ প্ৰসাৰ আৰু ঔদ্যোগিক উন্নয়ন ত্বৰান্বিত কৰি তোলাৰ বাবে ৰাজ্য চৰকাৰে নতুন ঔদ্যোগিক আৰু বিনিয়োগ নীতি, ২০২২ প্ৰৱৰ্তন কৰিছে। এই নীতিয়ে অসমৰ ঔদ্যোগিক বিকাশৰ বাবে কেইবা তৰপীয়া ব্যৱস্থা সামৰি ল'ব। এই নতুন নীতিৰ অধীনত বিভিন্ন উদগনিৰ বাবে ঔদ্যোগিক খণ্ডত চিকিৎসালয়, হোটেল, নৌ ভ্ৰমণ সেৱাৰ লগতে দুটা সেৱা যেনে— জাহাজ নিৰ্মাণ আৰু Vehicle Scrap Processing Facility অন্তৰ্ভুক্ত কৰা হ'ব।

(১৫৬) এই নীতিৰ অধীনত উদগনিৰ বাবে Capacity Expansion of Existing Manufacturing Unit ক অৰ্হতাসম্পন্ন কৰা হ'ব।

(১৫৭) কাৰ্বি আংলং আৰু ডিমা হাচাও স্বায়ত্বশাসিত পৰিষদৰ পাহাৰীয়া অঞ্চলসমূহত স্থাপন কৰা ইউনিটসমূহৰ বাবে নতুন আঁচনিখনৰ অধীনত বৰ্দ্ধিত উদ্‌গনি প্ৰদান কৰা হ'ব।

(১৫৮) ১০০ কোটি বা তাতকৈ অধিক পৰিমাণৰ বিনিয়োগ কৰা বৃহৎ উদ্যোগসমূহলৈ কৰ উদ্‌গনি, মূলধনী ৰাজসাহায্য, উৎপাদন সংলগ্ন উদ্‌গনি (PLI) ৰ দৰে খাপ খোৱা আৰু বিশেষ উদ্‌গনি প্ৰদান কৰা হ'ব। উদ্যোগৰ ধৰণ, বিনিয়োগৰ পৰিমাণ আৰু বৃহৎ উদ্যোগসমূহৰ দ্বাৰা নিয়োগ সৃষ্টিৰ ওপৰত ভিত্তি কৰি চৰকাৰে উদ্‌গনি, শিথিলতা আৰু ৰেহাই প্ৰদান কৰিব। এই সকলো দিশ সচিব সকলৰ এটা শক্তিশালী গোটৰ দ্বাৰা বিবেচনা কৰা হ'ব, যিসকলে নিৰ্দ্দিষ্ট প্ৰস্তাৱসমূহ চালি-জাৰি চাব আৰু তাৰ পিছত ৰাজ্য চৰকাৰৰ বিবেচনাৰ্থে তেওঁলোকৰ পৰামৰ্শ দাখিল কৰিব।

(১৫৯) অধ্যক্ষ মহোদয়, চাহ উদ্যোগৰ দীৰ্ঘম্যাদী বিত্তীয় সুস্থিৰতা নিশ্চিত কৰিবলৈ আৰু অৰ্থডক্স চাহৰ উৎপাদন বৃদ্ধি কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰীৰ দক্ষ নেতৃত্বাধীন এই চৰকাৰখনে "অসম চাহ উদ্যোগ বিশেষ উদ্‌গনি আঁচনি" (ATSIS) খন প্ৰণয়ন কৰিছে। মই পৱিত্ৰ সদনক জনাবলৈ পাই অত্যন্ত সুখী যে সুত সাহায্য উৎপাদন আৰু মূলধনী ৰাজ্যসাহায্য হিচাপে এই পৰ্যন্ত আমি প্ৰায় ৪৫ কোটি টকা মঞ্জুৰ কৰিছো। এই আঁচনিখন চলিত বৰ্ষতো অব্যাহত থাকিব।

## XVI. তেজস্বী নৱধিতমস্ত শিক্ষা আন্তঃগাঁথনি পুঁজি (টি এন ই আই এফ)

*Higher Education is the Strongest, Sturdiest Ladder to increased Socio-Economic Mobility.*

*–Drew Faust*

(১৬০) অধ্যক্ষ মহোদয়, ৰাজ্যখনত উচ্চ শিক্ষাৰ পৰিৱেশ উন্নীত কৰাৰ লগতে গৱেষণা আৰু উদ্ভাৱনৰ প্ৰসাৰৰ বাবে বিশ্ববিদ্যালয়সমূহৰ জৰিয়তে উৎকৰ্ষ কেন্দ্ৰ নিৰ্মাণৰ প্ৰতি চৰকাৰে প্ৰদান কৰা গুৰুত্বৰ ভিত্তিত এন আই ডি এ (NIDA) ৰ পুঁজিৰ পৰা ছখন বিশ্ববিদ্যালয়ৰ বাবে তলত দিয়া ধৰণে পুঁজি আবণ্টন দিয়াৰ ব্যৱস্থা কৰিছো।

| ক্ৰঃ নং | বিশ্ববিদ্যালয় | পৰিমাণ |
|---|---|---|
| ১ | মাজুলী বিশ্ববিদ্যালয় | ৫০ কোটি |
| ২ | ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় | ৫০ কোটি |
| ৩ | ভট্টদেৱ বিশ্ববিদ্যালয় | ৫০ কোটি |
| ৪ | মাধৱদেৱ বিশ্ববিদ্যালয় | ৫০ কোটি |
| ৫ | বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় | ৫০ কোটি |
| ৬ | অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় | ৫০ কোটি |

(১৬১) অহা তিনি বছৰৰ ভিতৰত শিৱসাগৰ মহাবিদ্যালয়, কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়, বঙাইগাঁও মহাবিদ্যালয়, যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়, উত্তৰ লখিমপুৰ মহাবিদ্যালয়, গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয় আৰু নগাঁও মহাবিদ্যালয়ক আমি বিশ্ববিদ্যালয়লৈ উন্নীত কৰিম। অত্যাধুনিক আন্তঃগাঁথনিৰ আৰ্হি প্ৰস্তুত কৰিবলৈ স্থপতিবিদ নিয়োগ কৰি  আন্তঃগাথনি উন্নয়নৰ কাম আৰম্ভ কৰা হ'ব। ইয়াৰ বাবে বাজেটত মই পৰ্যাপ্ত পুঁজি ধাৰ্য কৰিছো।

(১৬২) আধুনিক অসম নিৰ্মাণত গুৱাহাটী বিশ্ববিদ্যালয়ে পালন কৰা ঐতিহাসিক ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি তথা ইয়াৰ মহাৰজত জয়ন্তী উপলক্ষে আমি ষ্টাৰ্ট-আপ-ইক' ছিষ্টেমৰ বাবে ২৫ কোটি টকা আবণ্টনৰ ব্যৱস্থা কৰিছো।

(১৬৩) সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয় ধাৰণাৰ উদ্যমেৰে পোন প্ৰথমবাৰৰ বাবে আমাৰ চৰকাৰে অসমৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বৰঙণি যোগাই আছে। ২০২২-২৩ বিত্তীয় বৰ্ষত অসম বিশ্ববিদ্যালয়, শিলচৰ আৰু তেজপুৰ বিশ্ববিদ্যালয়লৈ ১৫ কোটিকৈ টকা দিয়াৰ বাবে প্ৰস্তাৱ কৰা হৈছে।

(১৬৪) যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে আমি ২৫ কোটি টকা আবণ্টন দিয়াৰ ব্যৱস্থা কৰিছো।

(১৬৫) অসম চৰকাৰৰ পৰামৰ্শমৰ্মে স্থাপিত হোৱা গুৱাহাটীৰ টাটা ইনষ্টিটিউট অব্ ছ'চিয়েল ছাইন্সে (টি আই এছ এছ) ২০০৯ বৰ্ষৰ পৰা উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়ন ক্ষেত্ৰলৈ প্ৰচুৰ বৰঙণি যোগাই আহিছে। ইয়াৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰিবলৈ এই বৰ্ষৰ বাজেটত আমি ১৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

(১৬৬) ভাৰতীয় তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান (আই আই আই টি) চৌহদৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে আমি ২০২২-২৩ বিত্তীয় বৰ্ষত ১০ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ কৰিছো। প্ৰশাসন পৰিচালনাত প্ৰযুক্তিগত সেৱা ব্যৱহাৰৰ কৰি অসম যিহেতু দৃষ্টান্তমূলকভাৱে এক ইতিবাচক দিশত ধাৱমান হৈছে, সেয়েহে এইক্ষেত্ৰত আই আই আই টিৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

(১৬৭) হাফলং মহাবিদ্যালয়ত এটা বিজ্ঞান ব্ল'ক নিৰ্মাণৰ বাবেও ১০ কোটি টকা ধাৰ্য কৰা হৈছে। কলিয়াবৰটো এখন নতুন বিজ্ঞান মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ বাবেও আমাৰ চৰকাৰে প্ৰস্তাৱ আগবঢ়াইছে।

(১৬৮) প্ৰযুক্তিগত উৎকৰ্ষতাক আত্মিক আৰু নৈতিক মূল্যবোধৰ সৈতে সু-সংহত কৰি এক মূল্যবোধ ভিত্তিক শিক্ষা আগবঢ়োৱাৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ে প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই বিশ্ববিদ্যালয়খনৰ গুৰুত্ব উপলব্ধি কৰি আমাৰ চৰকাৰে বিশ্ববিদ্যালয়খনৰ ফেকাল্টী সদস্যসকলৰ দৰমহাৰ ৭৫ শতাংশ ধন সাহায্য অনুদান হিচাপে আগবঢ়োৱাৰ প্ৰস্তাৱ ৰাখিছে।

(১৬৯) বিশ্ববিদ্যালয়খনৰ ফেকাল্টী আৰু কৰ্মচাৰীসকলৰ দৰমহা চিলিঙৰ যোগেদি প্ৰক্ৰিয়াকৰণ কৰাৰ ফলত তেওঁলোকে দৰমহা সময়মতে লাভ কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। এতিয়াৰ পৰা চিলিঙৰ কোনো প্ৰয়োজন নোহোৱাকৈয়ে আবণ্টিত বাজেট বছৰটোত বাৰটা সমপৰিমাণৰ কিস্তিৰ যোগেদি উলিয়াব পৰা যাব।

(১৭০) অধ্যক্ষ মহোদয়, মই জনাবলৈ পাই অতিশয় সুখী যে ২০২২ বৰ্ষৰ

ফেব্ৰুৱাৰী মাহত মাননীয় মুখ্যমন্ত্ৰী আৰু টাটা  ছনছৰ অধ্যক্ষৰ মাজত এখন বৈঠক সফলভাৱে সম্পন্ন হয়। ৰাজ্যখনৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (আই টি আই) আৰু প'লিটেকনিকসমূহক উন্নীত কৰাৰ উদ্দেশ্যে এই মাহত অসম চৰকাৰে টাটা টেকন'লজিছ লিমিটেডৰ লগত এখন চুক্তিৰ স্বাক্ষৰৰ দিশে আগবাঢ়িছে। এই প্ৰকল্পজনিত কাৰ্যকলাপৰ অংশস্বৰূপে উক্ত প্ৰকল্পত টাটা টেকন'লজীয়ে আন ২০ টাতকৈ অধিক সংখ্যক আন উদ্যোগ প্ৰতিষ্ঠানৰ সহযোগত ২০০০ কোটি টকা বিনিয়োগ কৰিব। হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী শাখা প্ৰৱৰ্তন, কৰ্মশালা/প্ৰযুক্তি গৱেষণাগাৰৰ বাবে অত্যাধুনিক সা-সৰঞ্জাম যোগান  আৰু ফেকাল্টী সদস্যৰ প্ৰশিক্ষণ এই প্ৰকল্পই সামৰি ল'ব। 'ইণ্ডাষ্ট্ৰি ৪.০'ৰ প্ৰয়োজনীয় কৌশলৰাজিৰ কাৰণে আই টি আই আৰু প'লিটেকনিকবোৰক উৎকৰ্ষ সাধন কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব। পানী আৰু বিদ্যুৎ ব্যৱস্থাৰ লগতে প্ৰযুক্তি গৱেষণাগাৰ আৰু কৰ্মশালা স্থাপন কৰাৰ বাবে অসম চৰকাৰে প্ৰতিখন প্ৰতিষ্ঠানক ১০,০০০ বৰ্গফুটকৈ নিৰ্মাণৰ ক্ষেত্ৰ আগবঢ়াব।

(১৭১) অসমৰ বিভিন্ন ভাষাৰ বিকাশ আৰু সংৰক্ষণৰ বাবে 'ভাষা গৌৰৱ' আঁচনিখন ৰূপায়ণ কৰা হৈছে। এই আঁচনিৰ অধীনত ৰাজ্যখনৰ ২১ খন খিলঞ্জীয়া সাহিত্য সভাৰ বাবে ক'ৰ্পাছ পুঁজিৰ ব্যৱস্থা কৰাৰ লগতে 'লেখক সম্বৰ্দ্ধনা'ৰ অধীনত লেখকসকলক এককালীন সাহায্যৰে সম্বৰ্দ্ধনা জনোৱাৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ বাবে এই বৰ্ষৰ বাজেটত ২৮.৮০ কোটি টকা ধাৰ্য কৰা হৈছে।

## XVII. যুৱ আয়োগ আৰু মুখ্যমন্ত্ৰী বিকাশ আৰু নিয়োগ আঁচনি

*The Youth of Today are the Leaders of Tomorrow*

*–Nelson Mandela*

(১৭২) অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে "মুখ্যমন্ত্ৰী বিকাশ আৰু নিয়োগ আঁচনি"ৰ অধীনত এখন যুৱ আয়োগ গঠন কৰিবলৈ ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত প্ৰাৰ্থীসকলক সৰ্বভাৰতীয় /

ৰাজ্যিক / অসামৰিক সেৱা/এছ এছ চি / বেংকিং /বীমা খণ্ড / ৰাজহুৱা খণ্ডৰ প্ৰতিস্থান / কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীত নিয়োগৰ বাবে ব্যাপক কোচিঙত নামভৰ্তি কৰোৱা হ'ব, যাতে এই সেৱাসমূহত আমাৰ যুৱক-যুৱতীসকলে নিজকে প্ৰতিনিধিত্ব কৰিব পাৰে। অভিজ্ঞ ব্যক্তিৰ অধীনত প্ৰদান কৰিবলগীয়া এনেধৰণৰ প্ৰশিক্ষণ বিনামূলীয়া হোৱাৰ লগতে প্ৰশিক্ষাৰ্থীসকলক থকা খোৱাৰ সুবিধাও আগবঢ়োৱা হ'ব। এনে প্ৰশিক্ষণৰ বাবে প্ৰাৰ্থীসকলক বিভিন্ন জিলাৰ পৰা সাৱধানতাৰে বাছনি কৰা হ'ব।

(১৭৩) ইয়াৰ উপৰি চৰকাৰে ইতিমধ্যে অসম ৰাজ্যিক যুৱ আয়োগখন গঠন কৰিছে। ই আমাৰ যুৱক-যুৱতীসকলক নিয়োগৰ সুবিধা লাভ কৰাত আৰু দক্ষতা উন্নয়নৰ ক্ষেত্ৰত সহায় কৰিব। এই আয়োগে অসমৰ বাহিৰত নিয়োজিত যুৱক-যুৱতীসকলক মত-বিনিময় আৰু সহায়ৰ ক্ষেত্ৰত এখন মঞ্চ প্ৰদান কৰিব। এই আয়োগখনে যুৱ ক্লাব, এন এছ এছ, এন চি চি কেডেট আদিক সক্ৰিয়ভাৱে জড়িত কৰাব।

(১৭৪) যুৱ আয়োগখনক ইয়াৰ কাম-কাজৰ ক্ষেত্ৰত সক্ষমতা প্ৰদান কৰিবলৈ এনে ধৰণৰ আন আয়োগৰ ধৰণত অৰ্ধন্যায়িক ক্ষমতা প্ৰদান কৰা হ'ব। এই আয়োগখন এগৰাকী অধ্যক্ষ আৰু আন আঠগৰাকী সদস্যৰে গঠন কৰা হৈছে।

## XVIII. অমৃত-গুৱাহাটী সংহত গোলকীয় মহানগৰ (Amrit GiG City)

(১৭৫) মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ স্বাধীনতা দিৱসৰ ভাষণত পৰৱৰ্তী ২৫ বছৰক ***"নতুন উন্মেষণ, আকাংক্ষা আৰু সপোনেৰে"*** এক গৌৰৱময় অমৃতকাল কৰি তুলিবলৈ আহ্বান জনাইছিল। অসম হ'ল অন্যান্য উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যসমূহ আৰু দক্ষিণ-পূব এছিয়াৰ অন্যান্য দেশসমূহৰ দুৱাৰমুখ। অসমৰ অমৃত কালৰ সময়ছোৱাত নতুন যুগৰ সূচনা কৰিবলৈ ইয়াৰ নতুন আকাক্ষাংক বিশ্বমানৰ সংহত বাণিজ্যিক

মহানগৰ-অমৃত-গুৱাহাটী সংহত গোলকীয় মহানগৰেৰে (Amrit-Glig City) পৰিচিত কৰাৰ প্ৰস্তাৱ কৰা হৈছে। নতুন অমৃত GiG মহানগৰে আমাৰ সংস্কৃতিৰ গভীৰলৈ শিপাইও নতুন অসমৰ নতুন উচ্চাকাংক্ষা, নতুন আশা আৰু এক নতুন ফেহুজালিক সামৰি ল'ব।

(১৭৬) প্ৰস্তাৱিত অমৃত GiG মহানগৰখন ১,০০০ একৰ ভূমিত সম্পূৰ্ণৰূপে পৰিকল্পিতভাৱে গঢ়ি তোলা হ'ব আৰু নতুন যুগৰ আৱাসিক তথা সামাজিক আন্তঃগাঁথনিৰ লগতে পৰৱৰ্তী প্ৰজন্মৰ উদ্যোগৰ বিশ্বমানৰ আন্তঃগাঁথনিৰ মিশ্ৰণেৰে সংহত কৰা হ'ব।

(১৭৭) মহাশয়, কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে তেওঁৰ ২০২২-২৩ বৰ্ষৰ বাজেট ভাষণত ঘোষণা কৰাৰ দৰে বিশেষ অৰ্থনৈতিক মণ্ডল আইন, ২০০৫ (Special Economics Zones Act, 2005) ৰ ঠাইত এখন নতুন আইন অনা হ'ব। এই আইনখনে ইয়াৰ নতুন বিধানসমূহক সামৰি ল'বলৈ ৰাজ্যসমূহক ক্ষমতা প্ৰদান কৰিব আৰু উদ্যম তথা সেৱা কেন্দ্ৰসমূহৰ (ESH) উন্নয়নত অংশীদাৰ হোৱাৰ বাট ৰাজ্যসমূহৰ বাবে মুকলি কৰিব। আমাৰ ৰাজ্যখনো ESH ৰ পৰা লাভান্বিত হ'ব বুলি আশা কৰা হৈছে আৰু ই হ'ব অমৃত GiG মহানগৰৰ এক মূল উপাদান।

(১৭৮) আমাৰ ৰাজ্যখনে ক্ৰমান্বয়ে জলবায়ু অনুকূল প্ৰয়াস আৰু বহনক্ষম শক্তি উৎসৰ দিশে আগবাঢ়িছে। কাৰ্বনৰ পৰিমাণ হ্ৰাস কৰাৰ প্ৰচেষ্টা হিচাপে শূন্য নিৰ্গমন ভিত্তিক সেউজ ব্যৱস্থাটো হ'বগৈ অমৃত GiG মহানগৰীৰ সপোনস্বৰূপ আন্তঃগাঁথনিৰ লাইখুঁটা। এই গোলকীয় বজাৰৰ পৰা জলবায়ু বিত্ত (climate finance) প্ৰৱাহিত কৰিব আৰু ৰাজ্য চৰকাৰৰ বিত্তই ব্যক্তিগত বিনিয়োগৰ প্ৰবাহক দ্ৰুততৰ কৰি তোলাত সহায় কৰিব। বিশ্ববিখ্যাত পৰামৰ্শকাৰীসকলৰ ওপৰত মাষ্টাৰ প্লেনখন যুগুত কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। ২০৩০ বৰ্ষৰ ভিতৰত পৰ্যায়-I, ২০৩৫ বৰ্ষৰ ভিতৰত পৰ্যায়-II সম্পূৰ্ণ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

## প্ৰধান ঘোষণাসমূহ

### I. চাহ আৰু নদী পৰ্যটন

(১৭৯) অসমৰ চাহ বাগিচাসমূহ হ'ল বিশ্বৰ আটাইতকৈ পুৰণি আৰু শ্ৰেষ্ঠ চাহ বাগিচাসমূহৰ অন্যতম। এই চাহ বাগিচাসমূহৰ কিছুমান অতি মনোৰম প্ৰাকৃতিক পৰিৱেশৰ মাজত অৱস্থিত, যিবোৰ বৃহৎ পৰ্যটনস্থলী হিচাপে বিবেচিত হোৱাৰ ব্যাপক সম্ভৱনীয়তা আছে। কিন্তু যোগাযোগৰ অসুচলতা আৰু থকা-মেলা ব্যৱস্থাৰ অসুবিধাৰ বাবে পৰ্যটকসকল এই চাহ বাগিচাসমূহৰ চৌপাশৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। চাহ পৰ্যটনক উদ্‌গনি জনোৱাৰ অৰ্থে এই বৰ্ষত আমি পঞ্চাশখন নিৰ্বাচিত চাহ বাগানৰ প্ৰতিখনলৈ চাহ বাগিচাৰ ভিতৰত অতিথিশালা আৰু পৰ্যটকৰ বাবে সা-সুবিধা নিৰ্মাণৰ বাবে মূলধনী আন্তঃগাঁথনি সাহায্য হিচাপে ২ কোটি টকালৈ আগবঢ়োৱাৰ প্ৰস্তাৱ লৈছো। চাহ পৰ্যটনৰ বিকাশৰ উদ্দেশ্যে চাহ বাগিচাসমূহক কৃষি বনানীকৰণ, সৌৰশক্তি প্ৰকল্প আদিৰ লেখীয়া অনা-চাহ খেতিৰ কাম-কাজৰ বাবেও সক্ষম কৰি তোলা হ'ব আৰু ইয়াৰ ফলত তেওঁলোকৰ উপাৰ্জনো বৃদ্ধি পাব। ইয়াৰ বাবে এই বৰ্ষত মই ৫০ কোটি টকা ধাৰ্য কৰিছো।

(১৮০) মানাহ আৰু কাজিৰঙাকে সামৰি ব্ৰহ্মপুত্ৰৰ দাঁতিয়ে দাঁতিয়ে 'নদী পৰ্যটন আৱৰ্ত' নিৰ্মাণ কৰা হ'ব। বিলাসী ৰিভাৰ ক্ৰুইজৰ সৈতে এই নৈ পথবোৰত ৰিভাৰ ক্ৰুইজ সেৱা উপলব্ধ হ'ব।

### II. অসম জ্ঞান নেটৱৰ্ক

(১৮১) মহাশয়, আমাৰ চৰকাৰে ৰাজ্যৰ প্ৰতিষ্ঠানসমূহক দ্ৰুতবেগী ইণ্টাৰনেট সেৱাৰে সু-সজ্জিত কৰি তুলিবলৈ ৰাষ্ট্ৰীয় জ্ঞান নেটৱৰ্কৰ আৰ্হিত এক দ্ৰুতবেগী অসম জ্ঞান নেটৱৰ্ক গঢ়ি তুলিবলৈ বিচাৰিছে। এমট্ৰনে NeGP আন্তঃগাঁথনিৰ অংশ হিচাপে ২০০৮ চনৰ পৰা ২০১০ চনৰ ভিতৰত গঢ়ি তোলা Assam State Wide Area Network (ASWAN) চলাই আছে। ই e-Govt. application সমূহৰ বাবে

এক প্ৰধান উমৈহতীয়া ইণ্টাৰনেট  উৎস হিচাপে কাম কৰিব। ASWAN ৰ অংশ হিচাপে মুখ্যতঃ উন্নয়ন খণ্ড আৰু চক্ৰ বিষয়াৰ কাৰ্যালয়সমূহক 2 Mbps Bandwidth সৈতে সংযোগ কৰাৰ অৰ্থে সমগ্ৰ অসমতে ২৮০ Points of Presence (PoPs) সৃষ্টি কৰা হৈছে আৰু তেতিয়াৰে পৰা ই কাৰ্যক্ষম হৈ আছে। এমট্ৰনে কাৰ্যালয়সমূহক সংযোজিত কৰাৰ অৰ্থে ২,০০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ Optical fibre আৰু ২৫০ টা ৱায়াৰলেছ কমিউনিকেচন টাৱাৰ স্থাপন কৰিছে। এই প্ৰস্তাৱিত আঁচনিৰ অধীনত সকলো মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক সামৰি ১,৫০০ খন প্ৰতিষ্ঠানক সংযোজিত কৰা হ'ব। সেই অনুসৰি অহা তিনি বছৰত ইয়াৰ বাবে ব্যয় কৰিবলৈ বাজেটত ৯৫ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে এই বিত্তীয় বৰ্ষত মই ২৩.৭৫ কোটি টকা ধাৰ্য কৰিছো।

## III. আমাৰ শিশুসকলৰ সুৰক্ষা সুনিশ্চিতকৰণ

(১৮২) অধ্যক্ষ মহোদয়, আমি অসমৰ প্ৰত্যেকখন জিলাতে এটাকৈ উৎসৰ্গীকৃত অনাথ শিশু পৰিচৰ্য্যা কেন্দ্ৰ (Dedicated Orphan Care Centre) স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছো। এই কেন্দ্ৰসমূহ প্ৰতিখন জিলাতে চিনাক্ত কৰিবলগীয়া অৰ্হতাসম্পন্ন অনা-চৰকাৰী সংস্থাৰ জৰিয়তে চলোৱা হ'ব।

(১৮৩) আমি প্ৰতিখন জিলাতে 'জিলা শিশু অধিকাৰ সমিতি' পুনৰ গঠন কৰিবলৈ লৈছো। এই সমিতিখন নিৰ্বাচিত প্ৰতিনিধি আৰু বিভিন্ন সম্প্ৰদায়ৰ সদস্যক অন্তৰ্ভুক্ত কৰি বহল ভিত্তিত গঠন কৰা হ'ব।

## IV. পৰিয়াল পৰিচয়-পত্ৰ

(১৮৪) অধ্যক্ষ মহোদয়, কিছুমান নিৰ্দ্দিষ্ট আঁচনিৰ সুবিধাসমূহ পৰিয়াল ভিত্তিত প্ৰদান কৰা হয়। হিতাধিকাৰীকেন্দ্ৰিক আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ সুবিধাৰ্থে পৰিয়ালৰ সংখ্যা নিৰ্দ্ধাৰণ কৰিবলৈ আমাৰ চৰকাৰে 'অসম পৰিয়াল পৰিচয়-পত্ৰ' ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱ লৈছে।

## V. আকস্মিক পুঁজিৰ ক'ৰ্পাছ বৃদ্ধিকৰণ (AUGMENTATION OF CORPUS OF CONTINGENCY FUND)

(১৮৫) মহাশয়, ভাৰতৰ সংবিধানৰ ২০৫ আৰু ২০৬ অনুচ্ছেদৰ অধীনত আমি আকস্মিক পুঁজিৰ ক'ৰ্পাছ বৰ্তমানৰ ২০০ কোটি টকাৰ পৰা ২,০০০ কোটি টকালৈ বৃদ্ধি কৰিবলৈ সিদ্ধান্ত লৈছো। ইয়ে প্ৰাকৃতিক দুৰ্যোগ, মহামাৰীৰ দৰে অনাহূত পৰিঘটনাসমূহৰ সৈতে সম্পৰ্কিত ব্যয় মোকাবিলা কৰাত আমাক সহায় কৰিব আৰু অভিযান/কাৰ্যসূচী/বৃহৎ ব্যয় সাপেক্ষ প্ৰকল্প সন্দৰ্ভত ৰাজ্য চৰকাৰে দিয়া প্ৰতিশ্ৰুতি পূৰণত প্ৰয়োজনীয় সকাহ প্ৰদান কৰিব।

## VI. ক্ৰীড়া আন্তঃগাঁথনিৰ উন্নয়ন

(১৮৬) মহাশয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ সবল নেতৃত্বত ৰাজ্যখনৰ উদীয়মান ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে অসমত আমি ক্ৰীড়া আন্তগাঁথনি উন্নয়নৰ ব্যৱস্থা কৰিছো। পৱিত্ৰ সদনক জনাবলৈ পাই মই অত্যন্ত সুখী হৈছো যে আমিনগাঁৱত থকা ৰাজীৱ গান্ধী ইনড'ৰ ষ্টেডিয়ামক বিশ্বমানৰ আন্তঃগাঁথনিৰে ৰাষ্ট্ৰীয় বেডমিণ্টন একাডেমী হিচাপে উন্নীত কৰি থকা হৈছে। তদুপৰি আমিনগাঁৱত থকা খেলপথাৰখনক ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ (BCCI) মান অনুসৰি উন্নীত কৰা হ'ব। অতিৰিক্তভাৱে প্ৰায় ১০,০০০ দৰ্শকে একেলগে বহি খেল উপভোগ কৰিব পৰাকৈ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ মান অনুসৰি এখন নতুন ফুটবল ষ্টেডিয়াম আৰু চিন্থেটিক ট্ৰেকৰ উন্নয়ন সাধনৰ প্ৰস্তাৱ কৰা হৈছে।

(১৮৭) যোৰহাটৰ ষ্টেডিয়ামখনক আন্তঃৰাষ্ট্ৰীয় মানৰ ফুটবল খেলপথাৰ আৰু চিন্থেটিক ট্ৰেকৰ লগতে ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় খেল খেলিব পৰাকৈ উন্নীত কৰা হ'ব। তদুপৰি ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ মান অনুসৰি বেডমিণ্টন, বাস্কেটবল, ভলীবল ইত্যাদিৰ বাবে ইনড'ৰ ষ্টেডিয়ামক উন্নীত কৰা হ'ব।

**VII. আৱৰ্ত ভৱনৰ সৌন্দৰ্যবৰ্দ্ধন**

(১৮৮) মহাশয়, আমি পৰ্যায়ক্ৰমে ৰাজ্যখনৰ সকলোবোৰ আৱৰ্ত ভৱন মেৰামতি কৰাৰ ব্যৱস্থা কৰিছো। আমি লগতে ১১ খন জিলা আৰু মহকুমা ক্ৰমে বজালী, ধেমাজি, শদিয়া, নগাঁও, হাইলাকান্দি, দক্ষিণ শালমাৰা, বিশ্বনাথ, মাজুলী, লখিমপুৰ, তিতাবৰ আৰু লক্ষীপুৰত আৱৰ্ত ভৱনসমূহৰ নিৰ্মাণৰ প্ৰস্তাৱ কৰিছো। ঐতিহ্য বঙলাৰ আৰ্হিত উপযুক্ত স্থানত এই আৱৰ্ত ভৱনসমূহৰ নিৰ্মাণ কৰা হ'ব।

**VIII. একক সাধাৰণ বাজেট শিতান**

(১৮৯) বিভিন্ন আঁচনিৰ স্বচ্ছতা বৃদ্ধি কৰিবলৈ আৰু কাৰ্যৰূপায়ণ ত্বৰান্বিত কৰিবলৈ আমি অনেক বাজেট সম্পৰ্কীয় সংস্কাৰ সাধন কৰিবলৈ লৈছো। এই বছৰটোৰ ভিতৰত বাজেট প্ৰতিশ্ৰুতিসমূহ ত্বৰিত গতিত ৰূপায়ণ কৰিবলৈ বিভাগ আৰু সঞ্চালকালয়সমূহক শক্তিশালী কৰি আমি নতুন বিত্তীয় গাঁথনি অধিসূচিত কৰিছো। এইক্ষেত্ৰত অন্য এক পদক্ষেপ হিচাপে ৰাজ্যখনৰ ভিতৰৰ বিভিন্ন বিভাগৰ অধীনৰ নিৰ্মাণ কাৰ্যসমূহৰ মসৃণ ৰূপায়ণ সাধন কৰিবলৈ লোকনিৰ্মাণ (গৃহ)ৰ অধীনত এটা গোলকীয় হিচাপৰ শিতান খোলা হৈছে। ইয়াৰ বাবে মই প্ৰায় ২০৩৫ কোটি টকা ধাৰ্য কৰিছো।

**IX. আবকাৰী সংস্কাৰ**

(১৯০) অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে গ্ৰামাঞ্চলত মাচুলৰ বিনিময়ত সীমিত ব্যৱস্থাৰে দেশীয়ভাৱে প্ৰস্তুত কৰা বিলাতী সুৰা (IMFL) ৰ 'ON' অনুজ্ঞাপত্ৰসমূহ 'OFF' অনুজ্ঞাপত্ৰলৈ ৰূপান্তৰিত কৰাৰ বিকল্পত অনুমতি প্ৰদানৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। আনহাতে, পৌৰ নিগম/পৌৰসভা/নগৰ সমিতি আদিত অৱস্থিত দোকানসমূহৰ বাবে বিভিন্ন প্ৰকাৰৰ মাচুলৰ নিৰিখ প্ৰৱৰ্তনৰ ব্যৱস্থা লোৱা হৈছে।

(১৯১) বিধিগত অনুমোদন সম্পৰ্কীয় বোজা হ্ৰাস কৰাৰ উদ্দেশ্যে IMFL দোকানৰ অনুজ্ঞাপত্ৰধাৰীৰ মৃত্যুৰ ক্ষেত্ৰত মৃতকৰ আইনগত

উত্তৰাধিকাৰী নাইবা নিকটাত্মীয়লৈ অনুজ্ঞাপত্ৰ হস্তান্তৰৰ ক্ষেত্ৰত চৰকাৰে উপাযুক্ত-সকলক কর্তৃত্ব প্ৰদান কৰাৰ প্ৰস্তাৱ লৈছে। ইয়াৰ অনুমোদনৰ বাবে চৰকাৰলৈ প্ৰেৰণ কৰাৰ কোনো প্ৰয়োজনীয়তা নাথাকিব।

(১৯২) আবকাৰী বিভাগৰ কাম-কাজক অধিক গতিশীল কৰাৰ উদ্দেশ্যে আমিনগাঁৱৰ গুৱাহাটী জৈৱ-প্ৰযুক্তি উদ্যানত এটা আধুনিক অসম আবকাৰী ৰাসায়নিক পৰীক্ষাগাৰ স্থাপনৰ ব্যৱস্থা কৰা হৈছে। এই অত্যাধুনিক পৰীক্ষাগাৰ স্থাপনৰ বাবে গুৱাহাটী জৈৱ-প্ৰযুক্তি উদ্যানৰ বর্তমানৰ আন্তঃগাঁথনি আৰু দক্ষতাসম্পন্ন কর্মীৰ উপযুক্ত ব্যৱহাৰৰ উদ্দেশ্যে আবকাৰী বিভাগ, গুৱাহাটী জৈৱ-প্ৰযুক্তি উদ্যান আৰু অসম সামগ্ৰিক বিত্তীয় ব্যৱস্থাপনা পদ্ধতি সমিতিৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে।

(১৯৩) অসম আবকাৰী নিয়মাৱলী, ২০১৬ ৰ ব্যৱস্থা অনুসৰি ৰাজ্যখনত প্ৰথমবাৰৰ বাবে সুৰাৰ বটলত QR কোডৰ সৈতে নষ্ট কৰিব নোৱৰা উচ্চ সুৰক্ষাযুক্ত হোলোগ্ৰাম লগোৱাৰ ব্যৱস্থা কৰা হৈছে। এই পদক্ষেপৰ ফলত উৎপাদিত সুৰাৰ প্ৰস্তুতৰ উৎস আৰু আন তথ্যৰ বিষয়ে বিতংকৈ জানিব পৰা যাব। এই ব্যৱস্থাই উপভোক্তাসকলক ভেজাল সুৰাৰ পৰা সুৰক্ষিত কৰাৰ লগতে চোৰাংভাৱে সুৰা বিক্ৰীৰ জৰিয়তে হোৱা শুল্ক ফাকি প্ৰতিৰোধ কৰিব।

## X. স্ব-নির্ভৰ নাৰী

(১৯৪) থলুৱা হস্ততাঁত শিপিনীসকলক উদ্‌গনি দিয়াৰ উদ্দেশ্যে আমাৰ চৰকাৰে 'স্ব-নির্ভৰ নাৰী' আঁচনিৰ অধীনত ৮০ কোটি টকাৰ প্ৰাৰম্ভিক পুঁজিৰে গামোচা, আৰনাই, দুমেৰ আদিৰ দৰে হস্ততাঁত সামগ্ৰী ক্ৰয়ৰ প্ৰস্তাৱ লৈছে। এই আঁচনিৰ অধীনত ৰাজ্যৰ ৮৭ টা ক্ৰয় কেন্দ্ৰৰ জৰিয়তে অনলাইন ব্যৱস্থাৰে পঞ্জীয়নভুক্ত শিপিনীসকলৰ পৰা সামগ্ৰী ক্ৰয় কৰা হ'ব। এই ক্ৰয় ব্যৱস্থা নির্ধাৰিত পর্টেলৰ জৰিয়তে সম্পন্ন কৰা হ'ব আৰু ২৪ ঘণ্টাৰ ভিতৰত শিপিনীসকলৰ প্ৰাপ্য ধন একাউণ্টত জমা

হ'ব। এই সম্পৰ্কীয় পদ্ধতিগত আনুষ্ঠানিকতা সম্পূৰ্ণ হৈছে। মহোদয়, এই আঁচনিয়ে অসমীয়া বস্ত্ৰ শিল্প আৰু সাজ-পাৰৰ আৰ্হিৰ মৌলিকতা সুৰক্ষিত কৰাৰ লগতে শিপিনীসকলৰ আৰ্থিক অৱস্থাৰো উন্নতি সাধন কৰিব। ইয়াৰ সমান্তৰালকৈ হস্ততাঁত খণ্ডত নিয়োজিত শিপিনীসকলৰ এটা সু-ব্যৱস্থাসম্পন্ন ইলেকট্ৰনিক তথ্য ভাণ্ডাৰ গঢ় লৈ উঠিব। ইয়াৰ বাবে এই বিত্তীয় বৰ্ষত মই ৭৬ কোটি টকা ধাৰ্য কৰিছো।

## XI. গৰুখুঁটি প্ৰকল্প

(১৯৫) অধ্যক্ষ মহোদয়, খিলঞ্জীয়া লোকসকলৰ স্বাৰ্থৰ প্ৰতি থকা আমাৰ চৰকাৰৰ দায়বদ্ধতা অনুসৰি দৰং জিলাৰ ছিপাঝাৰ খণ্ডৰ অন্তৰ্গত গৰুখুঁটিৰ ৭৭,৪২০ বিঘা ভূমি বেদখলমুক্ত কৰাটো আমাৰ লক্ষ্য আছিল আৰু আমি এই লক্ষ্য পূৰণ কৰিবলৈ সক্ষম হৈছো। অঞ্চলটোত ইতিমধ্যে ১৩৪ টা পাৰিপাৰ্শ্বিক কৰ্ম বাহিনী (Ecological Task Force) গঠন কৰা হৈছে আৰু ব্যাপক বনানীকৰণ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইয়াৰ লগতে গুজৰাটৰ ভাৱনা নগৰৰ পৰা ১০৮ জনী গিৰ গাই আমদানি কৰা হৈছে আৰু অতি শীঘ্ৰে আৰু ৫০০ জনী গাই অনা হ'ব। আমি চলিত বছৰতো এই পদক্ষেপৰ প্ৰতি সমৰ্থন অব্যাহত ৰাখিম।

## XII. প্ৰতিদিনে ১০ লাখ লিটাৰ দুগ্ধ

(১৯৬) ৰাজ্য চৰকাৰ আৰু ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন ব'ৰ্ডে ৰাজ্যখনত দুগ্ধ উৎপাদন খণ্ডৰ উন্নয়নৰ বাবে যৌথভাৱে পদক্ষেপ গ্ৰহণ কৰাৰ উদ্দেশ্যে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। ইয়াৰ লক্ষ্য হ'ল ৰাজ্যত প্ৰতিদিনে ১০ লাখ লিটাৰতকৈ অধিক দুগ্ধ উৎপাদন প্ৰক্ৰিয়াৰ ক্ষমতা সৃষ্টি কৰা। এই পদক্ষেপে ১.৭৫ লাখতকৈ অধিক দুগ্ধপালকক উপকৃত কৰাৰ লগতে এই খণ্ডত ব্যাপক কৰ্মসংস্থাপনৰো সৃষ্টি কৰিব। এই যৌথ পদক্ষেপৰ জৰিয়তে সমগ্ৰ অসমত ৬ টা দুগ্ধ সংসাধন কেন্দ্ৰ স্থাপন কৰাৰ বাবে ব্যৱস্থা কৰা হৈছে, যাৰ জৰিয়তে ৪,১০০ খন দুগ্ধ সমবায় সমিতিৰ দ্বাৰা উৎপাদিত গাখীৰ সংসাধন, পেকেটিং আৰু বিপণনৰ

ব্যৱস্থা কৰা হ'ব। এই উদ্দেশ্যে মই ৩৭.২৫ কোটি টকাৰ আবণ্টন দিছো।

## XIII. নগৰীয় আন্তঃগাঁথনি উন্নয়ন পুঁজি

(১৯৭) আমাৰ আকাংক্ষা অনুসৰি নগৰীয় আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত মহানগৰী আন্তঃগাঁথনি উন্নয়ন পুঁজি আঁচনিখন সফল হ'ব পৰা নাই আৰু তৃণমূল পৰ্যায়ত ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হোৱা নাই। আমাৰ চৰকাৰে এই আঁচনিখন প্ৰত্যাহাৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে, কিন্তু এই সম্পৰ্কীয় সকলো দেনা পৰিশোধ কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ। ইয়াৰ পৰিৱৰ্তে নগৰীয় আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ ব্যৱস্থা কৰা হৈছে। এই পুঁজি ৰাজ্যখনৰ সকলোবোৰ পৌৰ নগৰসমূহক দিয়া হ'ব আৰু ইয়াৰ অধীনত মূলতঃ পুৰণি কাৰাগাৰসমূহ স্থানান্তৰ কৰাৰ লগতে মুকলি স্থান সৃষ্টি, ১০০০ জন দৰ্শক বহিব পৰাকৈ প্ৰেক্ষাগৃহ নিৰ্মাণ, পানী যোগানৰ ব্যৱস্থা গ্ৰহণ আৰু গোটা আবৰ্জনা নিষ্কাশন ব্যৱস্থাপনা আঁচনি আৰু আন্তঃৰাজ্যিক বাছ আস্থানৰ কাম হাতত লোৱা হ'ব। এই পুঁজি 'ফাৰ্ষ্ট কাম ফাৰ্ষ্ট ছাৰ্ভ' ভিত্তিত উপলব্ধ হ'ব। মই মাননীয় বিধায়কসকলক উন্নতমানৰ আধুনিক আন্তঃগাঁথনি নিৰ্মাণৰ বাবে আগবাঢ়ি আহিবলৈ উৎসাহিত কৰিম। ২০২২-২৩ বৰ্ষত ২৫০ কোটি টকা আবণ্টনেৰে অহা তিনি বৰ্ষত এই প্ৰকল্পৰ বাবে আমি ১,০০০ কোটি টকা ব্যয় কৰিম।

## XIV. পৌৰ সেৱা কেদাৰ গঠন

(১৯৮) মহাশয়, আমাৰ নগৰীয় স্থানীয় নিকায়সমূহৰ বিষয়াসকলে বহুদিনৰ পৰা অতিৰিক্ত সেৱা আগবঢ়াই আহিছে। ৰাজ্যখনৰ পৌৰ ব'ৰ্ডসমূহৰ কৰ্মদক্ষতা আৰু পেছাদাৰিত্ব উন্নীত কৰাৰ লক্ষ্যৰে "অসম পৌৰ নিগম (সংশোধন) আইন ২০১৭" ৰ অধীনত তিনিটা পৌৰ কেদাৰ গঠন কৰাৰ বাবে আমি প্ৰস্তাৱ আগবঢ়ালো। প্ৰস্তাৱিত পৌৰ কেদাৰবোৰ হ'ল—

(ক) অসম নগৰীয় প্ৰশাসনীয় সেৱা

(খ) অসম নগৰীয় প্ৰশাসনীয় অভিযান্ত্ৰিক সেৱা আৰু

(গ) অসম নগৰীয় বিত্তীয় সেৱা

## XV. অসম আদৰ্শ গ্ৰাম যোজনা

(১৯৯) অধ্যক্ষ মহোদয়, সৰ্বাংগীণ বিকাশৰ লক্ষ্যৰে ২৫০খন আদৰ্শ গাঁও নিৰ্মাণৰ বাবে অসম আদৰ্শ গ্ৰাম যোজনা আঁচনিখন হাতত লোৱা হৈছে। এতিয়ালৈকে ২৭খন জিলাই গাঁওসমূহৰ বেচ-লাইন জৰীপ সম্পূৰ্ণ কৰিছে আৰু ১৭খন জিলাই এণ্ট্ৰি পইণ্ট জনিত কাম-কাজ সম্পূৰ্ণ কৰিছে। ২০২২-২৩ বিত্তীয় বৰ্ষত মই মুঠ ১১৮ কোটি টকা ধাৰ্য কৰিছো। বিদ্যালয়, অংগনবাড়ী কেন্দ্ৰ, স্বাস্থ্য উপ-কেন্দ্ৰ, পানী যোগান আঁচনি, পশু চিকিৎসা উপ-কেন্দ্ৰ আদিৰ দৰে প্ৰতিষ্ঠান আৰু অন্যান্য বহুতৰ লগতে নামঘৰ, সমূহীয়া কেন্দ্ৰ, সমাধি ক্ষেত্ৰ, ৰংগমঞ্চ আদি সমূহীয়া সম্পদৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে এই পুঁজি আগবঢ়োৱা হৈছে। ৰাজ্যৰ মুখ্য কাৰ্যালয়ৰ পৰা অসম অসামৰিক সেৱাৰ এগৰাকী যুৱ বিষয়াই এখন গাঁও বাঁচনি কৰি গাঁওবাসীক পথ-প্ৰদৰ্শন কৰিব আৰু ৰাজ্যিক পৰ্যায়ত তেওঁলোকৰ অভিভাৱক হিচাপে কাম কৰিব।

## XVI. মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান

(২০০) মহাশয়, বিভিন্ন পৰ্যায়ৰ বাচনি প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰতি বৰ্ষতে মাধ্যমিক স্তৰৰ পৰা বিজ্ঞান ক্ষেত্ৰৰ ৫০ গৰাকী যুৱতীকে ধৰি ১০০ গৰাকী যুৱ প্ৰতিভাক চিনাক্ত আৰু তত্ত্বাৱধান কৰাৰ বাবে আমাৰ চৰকাৰে মুখ্যমন্ত্ৰীৰ 'বিজ্ঞান প্ৰতিভা সন্ধান' আঁচনিখন শুভাৰম্ভ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। নিৰ্বাচিত হোৱা ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকে বিচৰা প্ৰতিষ্ঠান (মূলতঃ ৰাষ্ট্ৰীয় ৰাসায়নিক গৱেষণাগাৰ, ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান, প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা ডি আৰ ডি অ', ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, টাটা ইন্ষ্টিটিউট অব্ ফাণ্ডামেণ্টেল ৰিছাৰ্চ)ত এক বছৰৰ মেণ্টৰিং লাভ কৰিব আৰু সেইমতে মেণ্টৰজনক পৰ্যাপ্ত ভাট্টা প্ৰদান কৰা হ'ব।

## XVII. জলবায়ু অনুকূল (Climate Resilient) গাঁৱৰ বাবে মুখ্যমন্ত্ৰীৰ ফেল'শ্বিপ

(২০১) অসমত জলবায়ু অনুকূল গাঁও নিৰ্মাণৰ উপায় উদ্‌ঘাটনৰ বাবে আমি এক ফেল'শ্বিপ কাৰ্যসূচীৰ প্ৰস্তাৱ আগবঢ়াইছো। নিৰ্ধাৰিত কৰা বৈজ্ঞানিক প্ৰতিষ্ঠানৰ অধীনত বিজ্ঞান আৰু অভিযান্ত্ৰিক শাখাৰ পৰা স্নাতক আৰু স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীসকলক এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰা হ'ব। ফেল'শ্বিপৰ পৰিমাণ ১ বছৰৰ বাবে প্ৰতিমাহে ২০,০০০ টকাকৈ প্ৰদান কৰা হ'ব। আমি এইক্ষেত্ৰত ১০০ গৰাকী সদস্যক জড়িত কৰাৰ প্ৰস্তাৱ আগবঢ়াইছো, যিসকলে প্ৰাৰম্ভিক পৰ্যায়ত ১০খন গাঁও সামৰি ল'ব।

## XVIII. এক জিলা এক উৎপাদন

(২০২) আমাৰ সন্মানীয় প্ৰধানমন্ত্ৰীৰ 'আত্মনিৰ্ভৰ ভাৰত' আহ্বানৰ প্ৰতি সঁহাৰি জনাই উদ্যোগ বিভাগে 'এক জিলা এক উৎপাদন' অভিযান আৰম্ভ কৰিছে। এই অভিলাষী অভিযানৰ লক্ষ্য হৈছে একোখন জিলাত থকা সম্ভাৱনীয়তা আৰু সামৰ্থ্যৰ ওপৰত ভিত্তি কৰি এবিধ সামগ্ৰী চিনাক্ত কৰা আৰু মানসম্পন্ন, মাপনীয় আৰু এটা ব্ৰেণ্ডযুক্ত সামগ্ৰী উৎপাদনৰ বাবে এটা গোট বিকাশ কৰা। ইয়াৰ বাবে ৰাজ্যখনৰ প্ৰতিখন জিলাতে উপলব্ধ সামগ্ৰী সম্পৰ্কত বিস্তৃত অধ্যয়ন কৰা হৈছে আৰু প্ৰতিখন জিলাৰ বাবে একোটাকৈ সামগ্ৰী চিনাক্ত কৰা হৈছে। জিলাসমূহৰ বাবে চিনাক্ত কৰা সামগ্ৰীসমূহ মুখ্যতঃ খাদ্য সংসাধন খণ্ড আৰু পাট, চাহ, হস্তশিল্প, বাঁহ-বেতৰ সামগ্ৰী সম্পৰ্কীয়।

(২০৩) ৰাজ্যখনত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ (এম এছ এম ই)ৰ বাবে এক পৰিবেশ সৃষ্টি কৰিবলৈ তথা অ' ডি অ' পি ধাৰণাৰ প্ৰসাৰৰ বাবে অসম চৰকাৰ আৰু এছ আই ডি বি আয়ে এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। এই বুজাবুজি চুক্তিৰ প্ৰধান উদ্দেশ্য হ'ল— অংশীদাৰী সাহায্য (equity support), সুত ৰেহাই, সম্ভাৱনীয়

আন্তঃগাঁথনি প্ৰকল্পৰ মূল্যায়ন, এম এছ এম ইলৈ ঋণ প্ৰদানৰ সুবিধা। বিভিন্ন প্ৰাথমিক সংসাধন কেন্দ্ৰ আৰু অন্যান্য ঔদ্যোগিক আন্তঃগাঁথনিৰ বিকাশৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পদক্ষেপক সহায় আগবঢ়োৱাৰ অৰ্থে এছ আই ডি বি আয়ে ৩৫০ কোটি টকা প্ৰদানৰ প্ৰতিশ্ৰুতি দিছে। জিলাভিত্তিত চিনাক্ত কৰা সামগ্ৰী আৰু সেইবোৰৰ ৰপ্তানিৰ সামৰ্থ্য প্ৰদৰ্শন কৰাৰ অৰ্থে এখন ৰাজ্যিক পৰ্যায়ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰাৰ বাবেও প্ৰস্তাৱ কৰা হৈছে।

## XIX. ষ্টাৰ্ট-আপ্ অভিযান

(২০৪) অধ্যক্ষ মহোদয়, এই বিত্তীয় বৰ্ষত ষ্টাৰ্ট-আপ্ নীতি ৰূপায়ণ কৰাৰ বাবে আমি প্ৰস্তাৱ লৈছো। ব্যৱসায়ৰ ধাৰণাক বুনিয়াদী ৰূপলৈ ৰূপান্তৰ কৰাৰ লগতে বজাৰত এই বুনিয়াদী ৰূপৰ সামগ্ৰীৰ বৰ্তি থকাৰ ক্ষমতাক পৰীক্ষা কৰিবলৈ পাইলট প্ৰকল্প আৰম্ভ কৰাৰ বাবে চৰকাৰে বিত্তীয় অনুদান আগবঢ়াব। উচ্চাকাংক্ষী যুৱচামক ভেনচাৰ কেপিটেল আগবঢ়াবলৈ এক ষ্টাৰ্ট-আপ্ বিনিয়োগ পুঁজি গঠনৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে। ইয়াৰ বাবে আমি ৯.৫০ কোটি টকা ধাৰ্য কৰিলো।

**এক্ট ইষ্ট নীতি পৰিক্ৰমা বিভাগ**

***প্ৰাকৃতিক বন্ধুত্বৰে আগবাঢ়োঁ একেলগে***

(২০৫) মহোদয়, আমাৰ অনুকূল ভৌগোলিক অৱস্থানৰ পৰা লাভ আদায় কৰাৰ বিষয়টো অতিকৈ গুৰুত্বপূৰ্ণ। আমাৰ ৰাজ্যখনৰ বাবে এয়া আশীৰ্বাদস্বৰূপ যে ই দক্ষিণ-পূব আৰু দক্ষিণ এছিয়াৰ সংগমস্থলীত অৱস্থিত। ইয়েই আছিয়ান (ASEAN) আৰু বিবিয়ান (BBIN) - বাংলাদেশ, ভূটান, ইণ্ডিয়া, নেপাল দেশৰ লগত প্ৰাকৃতিকভাৱে বন্ধুত্বত সাঙোৰ খুৱাইছে। এই অনুভৱেৰে এক্ট ইষ্ট পৰিক্ৰমা নামেৰে এটা বিভাগ ২০১৭ চনত স্থাপন কৰা হ'ল আৰু খুব কম সময়ৰ ভিতৰতে বিভাগটোৱে পূব-দেশীয় ওচৰ-চুবুৰীয়াৰ লগত গতিশীল সম্বন্ধ গঢ়ি তুলিবলৈ সক্ষম হৈছে।

(২০৬) ২০১৯ চনত ASEAN আৰু BBIN গোট দেশসমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্ত পৰ্যায়ত ঘূৰণীয়া মেজমেল অনুষ্ঠিত কৰা হৈছিল। SAMPARK যাত্ৰা আয়োজন কৰি বিধায়ক আৰু আমোলাসকলে একে বছৰতে বাংলাদেশ আৰু ম্যানমাৰ ভ্ৰমণ কৰিছিল। বিগত দুবছৰত ক'ভিড মহামাৰীৰ বাবে বিভাগটোৱে ইয়াৰ কৰ্মতৎপৰতাত সাংঘাতিকভাৱে ক্ষতিৰ সন্মুখীন হৈছে। যি হওক, এই বিভাগটোৱে "কুমাৰ ভাস্কৰ বৰ্মা" আঁচনি আৰম্ভ কৰি এক্ট ইষ্ট নীতিৰ উৎকৰ্ষ সাধনৰ বাবে ব্যক্তিগত আৰু অনুষ্ঠানগত অৰ্থৰ সহায়েৰে গৱেষণা, আলোচনা চক্ৰ, সাংস্কৃতিক অনুষ্ঠানৰ আদান-প্ৰদান আদি অনুষ্ঠিত কৰিছে। SAMPARK যাত্ৰা ২.০ৰ লগতে BBIN আৰু ASEAN গোটৰ দেশসমূহ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ আটাইকেইখনক সামৰি এক বৃহৎ সাংস্কৃতিক সমাৰেশ অনুষ্ঠিত কৰাৰ গুণাগঁথা চলি আছে।

(২০৭) ইয়াৰ বাবে মই ২.৩৪ কোটি টকা আবণ্টন কৰিছো।

**প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগ**

***মিনিমাম গভৰ্ণমেণ্ট মেক্সিমাম গভৰ্ণেঞ্চ***

(২০৮) অধ্যক্ষ মহোদয়, এক কৰ্মদক্ষ প্ৰশাসন ব্যৱস্থা নিশ্চিত কৰিবলৈ এটা স্বচ্ছ আৰু সঁহাৰিপূৰ্ণ প্ৰশাসন ব্যৱস্থা থকাটো অত্যাৱশ্যকীয় যি সময়ৰ চাহিদা পূৰণ কৰিবলৈ সক্ষম। ইয়াৰ পৰিপ্ৰেক্ষিতত বিভাগটোৱে এলানি পদক্ষেপ আৰম্ভ কৰিছে যাৰ ভিতৰত আটাইতকৈ অন্যতম হ'ল আমাৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই শুভাৰম্ভ কৰা 'সদ্ভাৱনা প্ৰকল্প'। ২০২২ বৰ্ষৰ ১০ মে' তাৰিখৰ ভিতৰত অসম সচিবালয়ত অমীমাংসিত হৈ থকা ফাইলসমূহৰ নিষ্পত্তিকৰণৰ উদ্দেশ্যে ই হ'ল এক অভিযানভিত্তিক প্ৰকল্প। এটা অনলাইন প'ৰ্টেল প্ৰস্তুত কৰা হৈছে যাৰ জৰিয়তে নাগৰিকসকলে তেওঁলোকৰ ওজৰ-আপত্তি দাখিল কৰিব পাৰে।

(২০৯) বিশ্ববেংকৰ পুঁজিপ্ৰাপ্ত 'অসম নাগৰিক কেন্দ্ৰিক সেৱা প্ৰদান প্ৰকল্প'ৰ অধীনত সকলো স্পৰ্শ বিন্দু (touch point)ত সুচল ডিজিটেল অভিজ্ঞতা প্ৰদানেৰে সেৱা প্ৰদান ব্যৱস্থাৰ সামঞ্জস্যকৰণ আৰু উন্নীতকৰণ কৰাত উল্লেখযোগ্য সফলতা লাভ কৰা হৈছে। বৰ্তমান প'ৰ্টেলটোত সাতটা বিভাগৰ লগত জড়িত, ৰাজহুৱা সেৱাৰ অধিকাৰ (আৰ টি পি এছ)ৰ অধীনৰ ৫৫ টা সেৱা অন্তৰ্ভূক্ত কৰা হৈছে আৰু অতি সোনকালে আন ৪০ বিধ সেৱা ইয়াত সংযোজন কৰা হ'ব।

(২১০) তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰাৰ বাবে গুৱাহাটী, মাজুলী, বঙাইগাঁও আৰু শিলচৰত চাৰিটা প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ কাম হাতত লোৱা হৈছে। এই বিভাগৰ আন এক উল্লেখনীয় পদক্ষেপ হ'ল 'মুখ্যমন্ত্ৰীৰ যুৱ বিকাশ আৰু নিয়োগ আঁচনি' যাৰ অধীনত সমাজৰ উপান্ত শ্ৰেণীৰ প্ৰতিভাশালী যুৱক-যুৱতীসকলৰ পেছাদাৰী সামৰ্থৰ বিকাশ সাধন কৰি তেওঁলোকে দেশৰ বিভিন্ন খণ্ডত নিয়োগ লাভ কৰাটো নিশ্চিত কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে।

(২১১) কিছুদিন পূৰ্বে পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগটোক এই বিভাগৰ লগত একত্ৰিত কৰা হৈছে। ৰাজ্য চৰকাৰৰ পেঞ্চনাৰসকলক পেঞ্চনৰ আৱেদন জমা দিয়া আৰু চোৱাৰ সুবিধা দিয়াৰ বাবে ই 'কৃতজ্ঞতা' নামেৰে এক অনলাইন প'ৰ্টেল আৰম্ভ কৰিছে।

(২১২) ইয়াৰ জৰিয়তে মই ৯৫৮৮.১৯ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালো।

**কৃষি বিভাগ**

***কৃষকৰ উপাৰ্জন দুগুণলৈ বৃদ্ধি***

(২১৩) অধ্যক্ষ মহোদয়, অসমীয়া জীৱনৰ প্ৰতিটো খোজ কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষিৰ ওপৰত ভিত্তি কৰিয়েই আমাৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱন পৰিচালিত হয়। সেয়েহে মই ক'বলৈ পাই সুখী হৈছো যে বিগত বছৰ কেইটাত ৰাজ্যখনত কৃষি উৎপাদন আৰু উৎপাদনশীলতা উল্লেখযোগ্যভাৱে বৃদ্ধি হৈছে। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ১১ লাখ কৃষকৰ নাম পঞ্জীয়ন কৰা হৈছে। পি এম কিষাণ আঁচনিৰ অধীনত ১৩ লাখ যোগ্য খেতিয়কৰ মাজত ১১০০ কোটি টকা বিতৰণ কৰা হৈছে। একেদৰে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত চলিত বিত্তীয় বৰ্ষত প্ৰায় ১৯,০০০ নলীনাদ বিতৰণৰ কাম হাতত লোৱা হৈছে।

(২১৪) বিভাগটোৱে উদ্যান শস্য খণ্ডটোও চোৱা-চিতা কৰে আৰু লগতে পুষ্পোদ্যান অভিযান আৰু শাক-পাচলিৰ খেতি (Backyard Kitchen) সম্পৰ্কীয় দুখন নতুন আঁচনিৰো প্ৰস্তাৱ আগবঢ়াইছে। এই নতুন আঁচনি দুখনে বাণিজ্যিক ফুল আৰু শাক-পাচলি উৎপাদন উৎপাদন বৃদ্ধি কৰিব।

(২১৫) মই ইয়াৰ বাবে ১৮২৩.১৩ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো।

## পশুপালন আৰু পশু চিকিৎসা বিভাগ

***পশুধনৰ উন্নয়ন সাধন***

(২১৬) অধ্যক্ষ মহোদয়, এই খণ্ডই গ্ৰাম্য অৰ্থনীতিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। অহা বছৰসমূহত কৃষকসকলৰ উপাৰ্জন দুগুণ কৰাৰ ক্ষেত্ৰতো এই খণ্ডই চালিকাশক্তি হিচাপে কাম কৰিব। কৃষি উৎপাদন কম হোৱাৰ সময়ছোৱাত পশুধনে গ্ৰামাঞ্চলৰ কৃষকসকলক যথেষ্ট সকাহ দি আহিছে। সেয়েহে কৃষকসকলক ঘৰে ঘৰে সেৱা প্ৰদানৰ সুবিধাৰ্থে ভ্ৰাম্যমাণ পশু চিকিৎসা কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে।

(২১৭) গুৱাহাটী, ডিব্ৰুগড় আৰু বোকাখাতত অত্যাধুনিক পশু চিকিৎসালয় স্থাপনৰ ব্যৱস্থা কৰা হৈছে, য'ত ২৪ ঘণ্টাই অত্যাধুনিক প্ৰযুক্তিসমৃদ্ধ সা-সৰঞ্জামেৰে পশু চিকিৎসাৰ ব্যৱস্থা থাকিব। ৰাজ্যখনত গাহৰি মাংসৰ বজাৰ-চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ২ লাখ গাহৰিপালকক বৈজ্ঞানিক পদ্ধতিৰে গাহৰি পালনত সহায় কৰাৰ উদ্দেশ্যে ঋণৰে সৈতে মূলধনী ৰাজসাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। একেদৰে হাঁহ-কুকুৰা পালন খণ্ডত মুখ্যমন্ত্ৰীৰ বিশেষ হস্তক্ষেপ কাৰ্যসূচীৰ (Chief Minister's Special Intervention Programme) অধীনত হাঁহ-কুকুৰা পাম স্থাপনৰ বাবে ২৮১ জন উদ্যোমীক সাহায্য আগবঢ়োৱা হ'ব। দুগ্ধ উৎপাদন খণ্ডতো এই বৰ্ষত বিশেষ সফলতা দেখা গৈছে। ধেমাজিত ৫০০০ লিটাৰ গাখীৰ উৎপাদন ক্ষমতাসম্পন্ন দুগ্ধ সংসাধন কেন্দ্ৰ স্থাপনৰ পৰিকল্পনাও গ্ৰহণ কৰা হৈছে।

(২১৮) ইয়াৰ বাবে এই বৰ্ষত মই ৫৮৯.৪৯ কোটি টকা প্ৰস্তাৱ কৰিছো।

## সীমা সুৰক্ষা আৰু উন্নয়ন বিভাগ

***আমাৰ ভূমি, আমাৰ সীমা আৰু আমাৰ ভৱিষ্যত সুৰক্ষা***

(২১৯) উত্তৰ-পূৰ্বাঞ্চলৰ ৬ ভনী ৰাজ্যৰ সৈতে অসমৰ প্ৰায় ২,৬০০ কিলোমিটাৰ দৈৰ্ঘৰ আভ্যন্তৰীণ সীমা লগ লাগি আছে। এই সীমান্ত

অঞ্চলসমূহে উন্নয়নৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাই আহিছে। অঞ্চলসমূহৰ সামগ্ৰিক বিকাশ আৰু বাসিন্দাসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যে উন্নত পথ যোগাযোগৰ সুবিধা আগবঢ়োৱাত চৰকাৰে উচ্চ অগ্ৰাধিকাৰ দিছে।

(২২০) ওচৰ-চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে থকা সীমা বিবাদৰ চূড়ান্ত নিষ্পত্তিৰ বাবে চৰকাৰে সম্ভৱপৰ সকলো পদক্ষেপ গ্ৰহণ কৰিছে। অৰুণাচল প্ৰদেশ, নগালেণ্ড, মিজোৰাম আৰু মেঘালয়ৰ সৈতে ইতিবাচক দৃষ্টিভংগীৰে বুজাবুজি চলি আছে।

(২২১) অসম-মেঘালয় আৰু অসম-অৰুণাচল সীমান্তত সীমান্ত আৰক্ষী চকী নিৰ্মাণৰ কামো চলি আছে। উপযুক্ত ব্যৱস্থাপনা আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে সীমান্ত আৰক্ষী চকী পৰিচালনা সমিতি গঠনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সদনক জনাবলৈ পাই সুখী হৈছো যে উত্তৰ পূৰ্বাঞ্চল আৰু পশ্চিম বংগৰ ৭ ভনী ৰাজ্যক সামৰি ভাতৃত্ববোধ অধিক টনকিয়াল কৰাৰ উদ্দেশ্যে চলিত বিত্তীয় বছৰত কাজিৰঙা, তেজপুৰ আৰু হাইলাকান্দিত সীমান্ত উৎসৱ অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

(২২২) মই ইয়াৰ বাবে ৫৩.৩৩ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছো।

**সমবায় বিভাগ**

***একতাই আমাৰ শক্তি***

(২২৩) অধ্যক্ষ মহোদয়, অসমৰ সমবায় আন্দোলনে ৰাজ্যখনৰ অৰ্থনীতিত প্ৰচুৰ পৰিমাণে অৰিহণা যোগাইছে। বিভিন্ন শ্ৰেণীৰ সমবায়সমূহক উৎসাহ যোগোৱাৰ বাবে ‘‘বিশিষ্ট সমবায় মান্যতা বঁটা’ নামেৰে এক বঁটা আৰম্ভ কৰা হৈছে। গ্ৰাম্য মজুতকৰণৰ ক্ষমতা বৃদ্ধিৰ লগতে এই ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা লাভ কৰাৰ লক্ষ্যৰে এই বিভাগে আৰ আই ডি এফ কাৰ্যসূচীৰ অধীনত গ্ৰাম্য ভঁড়াল নিৰ্মাণৰ কাম হাতত

লৈছে। এই বিত্তীয় বৰ্ষত গৰুখুঁটিৰ আৰ্হিত কৃষি আৰু সহযোগী কাম-কাজ খণ্ডত সমবায় গঠনৰ বাবেও বিভাগটোৱে পৰিকল্পনা যুগুত কৰি আছে।

(২২৪) মই ইয়াৰ দ্বাৰা ১৯২.৭৬ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালো।

**সাংস্কৃতিক পৰিক্ৰমা বিভাগ**

***ঐতিহ্যৰ সংৰক্ষণ***

(২২৫) অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ ভিন্নৰঙী সংস্কৃতিক ইয়াৰ নিজস্ব নিভাঁজ ৰূপ তথা সাঁচত সংৰক্ষণ কৰাৰ গুৰুত্ব এই চৰকাৰখনে অনুধাৱন কৰে। সেইবাবে, এই বিভাগে দেশৰ বিভিন্ন প্ৰান্তত বহু সংখ্যক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰিছে। বাৰে বাৰে অহা ক'ভিড মহামাৰীৰ ফলস্বৰূপে ভ্ৰাম্যমান থিয়েটাৰ উদ্যোগটো বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। এই উদ্যোগটোলৈ সহায়ৰ হাত আগবঢ়াই ১৭ টা থিয়েটাৰ দলক ১০ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। এই বিভাগটোৱে বিভিন্ন উন্নয়নমূলক কাম-কাজ হাতত লৈছে আৰু এই কাম-কাজবোৰৰ সৰহ সংখ্যকেই সাংস্কৃতিক স্বকীয়তাৰ অন্বেষণ (Quest for Cultural Identity) নামৰ ধ্বজাবাহী আঁচনিখনৰ অধীনস্থ। খুমটাইত এক অত্যাধুনিক প্ৰযুক্তিযুক্ত ষ্টুডিঅ' নিৰ্মাণৰ পৰিকল্পনা হাতত লোৱা হৈছে।

(২২৬) মই ইয়াৰ দ্বাৰা ২০৪.১৪ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালো।

**শিক্ষা (প্ৰাথমিক) বিভাগ**

***আইৰ মাতত সুৰীয়া শৈশৱ***

(২২৭) মাননীয় অধ্যক্ষ মহোদয়, বহনক্ষম উন্নয়নী লক্ষ্যসমূহৰ চতুৰ্থটো লক্ষ্য হ'ল সকলোৱে বাবে সৰ্বাত্মক পক্ষপাতিত্বহীন গুণগত শিক্ষা প্ৰদান আৰু জীৱনজোৰা শিক্ষাৰ সা-সুবিধাক উদ্‌গণি জনোৱা। ইয়াৰ

আলমত শিক্ষা (প্ৰাথমিক) বিভাগে সকলোলৈকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ প্ৰয়াস কৰিছে। এই বৰ্ষত ৰাজ্যখনৰ চৰকাৰী আৰু প্ৰাদেশীকৃত বিদ্যালয়সমূহৰ ৪০ লাখতকৈ অধিক শিক্ষাৰ্থীলৈ বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰা হৈছে। বিদ্যালয়লৈ নোযোৱা শিশুসকলক সংযোগী পাঠ্যক্ৰম (Bridge Course) প্ৰদান আৰু আনুষ্ঠানিক বিদ্যালয়সমূহৰ সৈতে তেওঁলোকক সংহতকৰণৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ দ্বাৰা এনে শিশুসকলক অধ্যয়নৰ মূলসুঁতিলৈ আনিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই বৰ্ষত ৮০,০০০ তকৈ অধিক এনে শিশু চিনাক্ত কৰি এই শিশুসকললৈ সহায় আগবঢ়োৱা হৈছে। এই বিভাগে বিশেষ আৱশ্যকতা থকা শিশুসকলৰ শিক্ষাৰ আৱশ্যকতাসমূহ চোৱাচিতা কৰে। প্ৰায় ৬০,০০০ এনে শিশু চিনাক্ত কৰা হৈছে আৰু সহায় আগবঢ়োৱা হৈছে।

(২২৮) ৰাজ্যখনৰ ১০০০ খন নিৰ্বাচিত বিদ্যালয়ক উৎকৰ্ষ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ বিভাগে 'প্ৰত্যাহ্বান' নামৰ এক কাৰ্যসূচী আৰম্ভ কৰিছে। বুনিয়াদী সাক্ষৰতা আৰু গণিতৰ ওপৰত গুৰুত্ব প্ৰদানেৰে এক অনুকূল বাতাবৰণ সৃষ্টিৰ লক্ষ্যৰে 'নিপুণ অসম মিছন' আৰম্ভ কৰা হৈছিল। 'শিক্ষাক্ষেত্ৰ' আঁচনিৰ অধীনত বিদ্যালয় পৰিচালনা, বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতি আদিৰ ক্ষেত্ৰত সুফল লাভ কৰিবলৈ বিভাগে প্ৰাথমিক বিদ্যালয়সমূহক একত্ৰিত কৰিছে।

(২২৯) এই বৰ্ষত বিভাগে এটা 'Enterprise Resource Planning (ERP) Application' বিকশিত কৰিবলৈ পৰিকল্পনা হাতত লৈছে। ই হ'ব এই বিভাগৰ সকলো তথ্য আৰু যোগাযোগ সম্পৰ্কে জানিবলৈ একক উৎস ব্যৱস্থা।

(২৩০) মই ইয়াৰ দ্বাৰা ৯৫৫৪.৮৭ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালো।

**শিক্ষা (মাধ্যমিক) বিভাগ**

***কুশল কৈশোৰৰ প্ৰয়াস***

(২৩১) অধ্যক্ষ মহোদয়, আধাতে স্কুল এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ হাৰ হ্ৰাস কৰা আৰু মাধ্যমিক স্তৰত মানসম্পন্ন শিক্ষাৰ সম প্ৰৱৰ্তন হ'ল এই বিভাগৰ দ্বৈত উদ্দেশ্য। সেইবাবে আদৰ্শ মহাবিদ্যালয়সমূহ স্থাপন কৰা হৈছিল আৰু আদৰ্শ বিদ্যালয় সংগঠন, অসম গঠন কৰা হৈছে। অসমৰ প্ৰতিটো বিধানসভা সমষ্টিতে একোখনকৈ আদৰ্শ বিদ্যালয় স্থাপনৰো পৰিকল্পনা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ 'বায়'টেক হাৱ প্ৰগ্ৰেম' গাঁথনিৰ লেখীয়াকৈ আমিও বিদ্যা মন্দিৰসমূহত 'ছায়েন্স হাৱ' গঢ়াৰ প্ৰস্তাৱ কৰিছো। তদুপৰি চাহ বাগিচা এলেকাত প্ৰায় ১২০ খন আদৰ্শ বিদ্যালয় নিৰ্মিয়মাণ অৱস্থাত আছে। মহাশয়, শিক্ষা বিভাগৰ অন্যান্য প্ৰয়াসসমূহ ইতিমধ্যে মোৰ ধ্বজাবাহী আঁচনিসমূহৰ অধীনত তালিকাভুক্ত কৰা হৈছে।

(২৩২) ইয়াৰ দ্বাৰা মই ৬৯৩০.০৩ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**শিক্ষা (উচ্চ) বিভাগ**

***উদ্ভাৱনা আৰু সম্ভাৱনাৰ আয়োজন***

(২৩৩) অধ্যক্ষ মহোদয়, মই ইতিমধ্যে প্ৰজ্ঞান ভাৰতীৰ অধীনৰ এক ব্যাপক প্ৰয়াসৰ বিষয়ে বহলভাৱে কৈছো আৰু বিভাগটোৱে সেইবোৰৰ ৰূপায়ণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। পাঁচখন নতুন চৰকাৰী আইন মহাবিদ্যালয় নিৰ্মাণৰ বাবেও কাম চলি আছে। অলপতে নগাঁৱত শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়লৈ মঞ্জুৰি প্ৰদান কৰা হৈছে। ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ অধীনত বিশ্ববিদ্যালয়সমূহলৈ আন্তঃগাঁথনি অনুদান আগবঢ়োৱা হৈছে আৰু বৰ্তমানৰ ডিগ্ৰী মহাবিদ্যালয়সমূহক আদৰ্শ মহাবিদ্যালয়লৈ উন্নীত কৰা হৈছে।

(২৩৪) কাৰিকৰী শিক্ষা হ'ল এই বিভাগটোৰ সৰ্বাধিক অগ্ৰাধিকাৰমূলক বিষয়সমূহৰ ভিতৰত অন্যতম। বঙাইগাঁও, বিহালী আৰু শুৱালকুছিত

তিনিখন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু হাজো, মাজুলী তথা টিংখঙত তিনিখন নতুন প'লিটেকনিকৰ কাম সম্প্ৰতি চলি আছে।

(২৩৫) অধ্যক্ষ মহোদয়, চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়সমূহত শিক্ষক আৰু অন্যান্য কাৰিকৰী কৰ্মচাৰীৰ নিযুক্তি প্ৰক্ৰিয়া সু-শৃংখলভাৱে সম্পন্ন কৰিবলৈ অসম অভিযান্ত্ৰিক সেৱা নিযুক্তি বোৰ্ডক (AESRB) কাৰ্যক্ষম কৰি তোলা হৈছে।

(২৩৬) ইয়াৰ দ্বাৰা মই ৩৪৯৮.০২ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**পৰিৱেশ আৰু বন**

***পঞ্চামৃত লাভৰ দিশত অগ্ৰসৰ***

(২৩৭) অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে ধৰিত্ৰী আই আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ সুৰক্ষাৰ দিশত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। চলিত বিত্তীয় বৰ্ষত আমি বৃহত্তৰ গুৱাহাটীক সেউজীকৰণ কৰাৰ বাবে তিনি বছৰীয়া এক Master Plan যুগুত কৰিছো। গুৱাহাটীৰ পাহাৰ আৰু বনাঞ্চলসমূহক বেদখলকাৰীৰ কৱলৰ পৰা মুক্ত কৰাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হৈছে।

(২৩৮) ৰাজ্যখনত বৃহৎ পৰিমাণৰ বনাঞ্চল এলেকা আছে, য'ত দীৰ্ঘদিন ধৰি মানুহ আৰু বন্যজন্তুৱে সহাৱস্থানেৰে বসবাস কৰি আছে। কিন্তু শেহতীয়াভাৱে কিছুমান অঞ্চলত মানৱ-বন্য জন্তুৰ সংঘাতৰ ঘটনা পৰিলক্ষিত হৈছে আৰু চৰকাৰে এই সংঘাতৰ অৱসান ঘটোৱাৰ বাবে দায়বদ্ধ। ইয়াৰ বাবে বনাঞ্চল ধ্বংস প্ৰতিৰোধী বাহিনীক সক্ৰিয় কৰাৰ লগতে অন্যান্য সহযোগী বিভাগ যেনে— ৰেল, শক্তি আদিৰ দৰে বিভাগবোৰৰ সৈতে সমন্বয় ৰক্ষাৰ এক ব্যৱস্থা গঢ়ি তোলা হৈছে।

(২৩৯) সেয়েহে মই ইয়াৰ বাবে ৯৮০.০৭ কোটি টকাৰ আবণ্টন দিছো।

**আবকাৰী বিভাগ**

(২৪০) অধ্যক্ষ মহোদয়, আবকাৰী আইন আৰু নিয়মাৱলী ব্যৱস্থা অনুসৰি এই বিভাগক ৰাজহ সংগ্ৰহ আৰু আইন বলৱৎ সম্পৰ্কীয় দুটা দায়িত্বভাৰ দিয়া হৈছে। ২০২২ চনৰ জানুৱাৰীলৈকে প্ৰায় ১৮০০ কোটি টকাৰ আবকাৰী ৰাজহ সংগ্ৰহ কৰা হৈছে। বিভাগটোৱে এই পৰ্যন্ত ১৮,০০০ টা অধিক গোচৰ পঞ্জীয়ন কৰাৰ লগতে প্ৰায় ২,৮০০ গৰাকী লোকক গ্ৰেপ্তাৰ কৰিছে আৰু ২ লাখ ৬০ হাজাৰ লিটাৰতকৈ অধিক অবৈধ সুৰা জব্দ কৰিবলৈ সমৰ্থ হৈছে। বহিঃৰাজ্যৰ পৰা যাতে অবৈধ সুৰা সৰবৰাহ কৰিব নোৱাৰে তাৰ বাবে এই বিভাগে অনলাইনযোগে 'ট্ৰ্যানজিট পাছ' ব্যৱস্থাৰ সূচনা কৰিছে। বিভিন্ন উৎপাদিত সামগ্ৰীৰ কৌশলগত নিৰিখ নিৰ্ধাৰণৰ জৰিয়তে বিভাগে ৰাজহ সংগ্ৰহৰ পৰিমাণ ২০০০ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰিছে।

(২৪১) মই ইয়াৰ বাবে ৯০.৫০ কোটি টকাৰ আবণ্টন দিছো।

**বিত্ত বিভাগ**

***কোছ মূল' দণ্ড***

(২৪২) মাননীয় অধ্যক্ষ মহোদয়, বিত্তীয় ব্যৱস্থাপনা হৈছে প্ৰশাসনীয় ব্যৱস্থাৰ ৰাজহাড়স্বৰূপ। সেয়েহে বিশ্ব সাহায্যপ্ৰাপ্ত প্ৰকল্প Assam State Public Finance Institution Reforms (ASPIRe) ৰ অধীনত পদ্ধতিগত উন্নয়নৰ দিশত গুৰুত্ব প্ৰদান কৰি বহুতো সংস্কাৰমূলক পদক্ষেপ হাতত লোৱা হৈছে। নগদ ধনৰ প্ৰবাহ (cash)ৰ অধিক সঠিক পূৰ্বানুমান কৰাৰ জৰিয়তে ৰাজ্যখনে ধাৰণামূলক সঞ্চয় (notional savings) হিচাপে ৩৪২ কোটি টকাৰে উপকৃত হোৱাত সফল হৈছে।

(২৪৩) স্পেচিয়েল ষ্টেণ্ডিং ফাইনেঞ্চ কমিটীৰ জৰিয়তে প্ৰশাসনীয় অনুমোদন আৰু বিত্তীয় মঞ্জুৰি প্ৰদান প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰি তুলিবলৈ এক নতুন বিত্তীয় গাঁথনিৰ জাননী জাৰি কৰা হৈছে।

(২৪৪) অসম ৰাজহুৱা ক্ৰয় আইন, ২০১৭ আৰু অসম ৰাজহুৱা ক্ৰয় বিধি, ২০২০ এই দুখন আইন ছেপ্টেম্বৰ, ২০২১ ৰ পৰা কাৰ্যকৰী হৈছে। GeM ত উপলব্ধ সকলো সামগ্ৰী আৰু সেৱা ক্ৰয় কৰাৰ বাবে এই চৰকাৰে GeM প'ৰ্টেলৰ জৰিয়তে কৰা ক্ৰয় বাধ্যতামূলক কৰিছে।

(২৪৫) অলপতে লিংগ বাজেট, শিশু বাজেট, দিব্যাংগ বাজেট আৰু আউটকাম বাজেটৰ ৰূপত বিভিন্ন বাজেট সম্বন্ধীয় সংস্কাৰমূলক কাম আৰম্ভ কৰা হৈছে। পৰৱৰ্তী বৰ্ষত আমি গৱেষণা আৰু উন্নয়ন বাজেট প্ৰৱৰ্তনৰ পৰিকল্পনা লৈছো।

(২৪৬) তদুপৰি, ৰাজ্যখনৰ সকলো প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ আঁচনিৰ বাবে এই বিভাগটো হৈছে এটা ন'ডেল বিভাগ। এই বিভাগে অৰুণোদয়, অসম চাহ উদ্যোগ বিশেষ উদ্‌গনিমূলক আঁচনি, ২০২০ (ATISIS), অসম মাইক্ৰ' ফাইনেন্স উদ্‌গনি আৰু সকাহ আঁচনি, ২০২১ (AMFIRS), আপোন ঘৰ, বিদ্যালক্ষ্মী আৰু অভিনন্দন আঁচনি ৰূপায়ণ কৰিছে।

**মীন বিভাগ**

***নীল বিপ্লৱৰ দিশত অগ্ৰসৰ***

(২৪৭) অধ্যক্ষ মহোদয়, পৰিপুষ্টিজনিত সুৰক্ষাৰ ক্ষেত্ৰত মাছে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, কিয়নো ই ৰাজ্যখনৰ প্ৰধান খাদ্যসম্ভাৰৰ এক অপৰিহাৰ্য অংগ। তদুপৰি এই খণ্ডটোৱে ৰাজ্যৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

(২৪৮) প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ অধীনত ৰাজ্যখনত নতুন মীনপালনৰ পদ্ধতি (Aquaculture Technique) প্ৰৱৰ্তন কৰা হৈছে আৰু এই পদ্ধতিয়ে মাছ উৎপাদনৰ ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ পেলাইছে। মই ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে এই বিভাগে ২০২১ বৰ্ষত মীন, পশুপালন আৰু দুগ্ধ উন্নয়ন মন্ত্ৰালয়ৰ পৰা ৩ টা

ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্যখনৰ মীনপালকসকলৰ অবিৰত প্ৰচেষ্টাৰ ফলস্বৰূপে এইটো সম্ভৱ হৈছে। মাননীয় মুখ্যমন্ত্ৰীৰ অভিলাষী পদক্ষেপ 'মৎস্য জাগৰণ ঃ ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ'ৰ অধীনত পৰিত্যক্ত জলাশয়সমূহ মৎস্যপালনৰ বাবে পুনৰুদ্ধাৰ কৰিবলৈ ৰাইজৰ অংশগ্ৰহণেৰে এক ব্যাপক 'জলচ্ছেদ ব্যৱস্থাপনা পদক্ষেপ (Watershed Management Approach)' হাতত লোৱা হৈছে। মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা (CMSGUY) ৰ অধীনত ৰাজ্যখনৰ প্ৰতিখন ৰাজহ গাঁৱত কমেও এক হেক্টৰ ভূমিত এটা সমূহীয়া পুখুৰী নিৰ্মাণৰ প্ৰচেষ্টা চলি আছে। মৎস্য উৎপাদন আৰু মীন আন্তঃগাঁথনি বৃদ্ধিৰ বাবে দৰং জিলাৰ গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্প হৈছে এক উল্লেখযোগ্য পদক্ষেপ।

(২৪৯) এই বিভাগটোৱে প্ৰযুক্তিগত দিশতো অগ্ৰগতি লাভ কৰিছে। এইক্ষেত্ৰত উল্লেখনীয় পদক্ষেপসমূহ হ'ল মীন সম্পদৰ জিঅ' টেগিং, জিঅ' মেপিং তথা মেনেজমেণ্ট ইনফ'ৰমেশ্যন ছিষ্টেমৰ উন্নয়ন সাধন আৰু থলুৱা মাছৰ বিজ্ঞানসন্মত সংৰক্ষণৰ বাবে এটা জিন বেংক স্থাপন। বিভাগে গুৱাহাটীত এটা অত্যাধুনিক একুৱাৰিয়াম গৃহ স্থাপনৰ পৰিকল্পনা কৰিছে।

(২৫০) ইয়াৰ বাবে মই ১৪৩.৯৬ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

**খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ**

***বিপন্নসকলৰ বাবে অন্ন***

(২৫১) অধ্যক্ষ মহোদয়, বায়'মেট্ৰিক প্ৰমাণীকৰণ আৰু পৰিয়াল পৰিচয় পত্ৰৰ বিপৰীতে আধাৰ সংলগ্ন কৰাৰ বাবে সুলভ মূল্যৰ দোকানসমূহত e-POS যতন স্থাপন কৰা হৈছে। সমবায় সমিতিসমূহক বিত্তীয়ভাৱে সবল কৰি তোলাৰ বাবে সমবায় সবলীকৰণ যোজনা নামৰ এখন নতুন আঁচনি আৰম্ভ কৰা হৈছে। য'ত খাদ্য শস্যৰ যোগান শৃংখল

ব্যৱস্থাপনাৰ ক্ষেত্ৰত তেওঁলোকে আগবঢ়োৱা সেৱাৰ বাবে সমবায় সমিতিসমূহলৈ অনুদান আগবঢ়োৱা হ'ব। সংগঠিত আৰু অধিক স্বচ্ছ ধান ক্ৰয় নিশ্চিত কৰাৰ বাবে এই বিভাগটোৱে বিকশাই তুলিছে এটা অনলাইন ধান ক্ৰয় ব্যৱস্থা (OPPS), যিয়ে ক্ৰেতা অভিকৰণসমূহৰ প্ৰয়াসক সহজসাধ্য কৰি তুলিব।

(২৫২) সেয়েহে মই এই বিভাগটোৰ বাবে ১০২৮.৩০ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো।

**সাধাৰণ প্ৰশাসন বিভাগ**

***সম্ভাৱনাৰ সৈতে প্ৰশাসন***

(২৫৩) অধ্যক্ষ মহোদয়, এই বিভাগে জিলা আৰু মহকুমা প্ৰশাসনৰ কাম-কাজৰ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে, যিটো ক্ষেত্ৰ পৰ্যায়ত চৰকাৰী সেৱাৰ ধৰণী স্বৰূপ বিবেচিত হৈছে। বিভাগটোৱে কামৰূপ মহানগৰ, ধেমাজি, গোলাঘাট, বঙাইগাঁও, বিশ্বনাথ, নলবাৰী, কাছাৰ, বাক্সা, কাৰ্বি আংলং, চৰাইদেউ আৰু বজালী জিলাত সংহত উপায়ুক্ত কাৰ্যালয় নিৰ্মাণৰ পৰিকল্পনা হাতত লৈছে। এই সংহত উপায়ুক্তৰ কাৰ্যালয়ত জিলা পৰ্যায়ৰ কেইবাটাও প্ৰধান বিভাগ কেন্দ্ৰীভূত কৰাৰ লগতে একেটা ভৱনতেই জিলাৰ সকলোবোৰ চৰকাৰী সেৱাৰ বাবে এটা One Stop Shop (OSS) নিশ্চিত কৰা হ'ব।

(২৫৪) আমাৰ সোণালী অতীতৰ যুগনায়কক উজলাই তোলাৰ উদ্দেশ্যে চৰকাৰে দিছপুৰৰ জনতা ভৱন চৌহদত কুমাৰ ভাস্কৰ বৰ্মন, চাওলুং ছ্যু-কা-ফা আৰু মহাৰাজ নৰনাৰায়ণৰ প্ৰতিমূৰ্তি স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। লগতে জনতা ভৱনত এটা অতিৰিক্ত ৬ মহলীয়া কাৰ্যালয় ভৱন নিৰ্মাণ কৰাৰো সিদ্ধান্ত লোৱা হৈছে। ৰাজ্যিক সচিবালয়ত উন্নত পৰিৱেশ নিশ্চিত কৰাৰ বাবে 'স্বচ্ছতা' প্ৰকল্প চলাই থকা হৈছে। তথ্য আৰু সেৱা প্ৰদানৰ উদ্দেশ্যে বিভাগটোৱে মানৱ সম্পদ পৰিচালনাৰ কাৰণে 'মানৱ সম্পদ' আৰু সকলো চৰকাৰী ৱেবছাইট

মানসম্পন্ন কৰাৰ বাবে 'ই-প্ৰস্তুতি' আদি আন বহুতো তথ্য-প্ৰযুক্তিজনিত পদক্ষেপ লৈছে।

(২৫৫) মই ইয়াৰ বাবে ১১৫৩.৭৫ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ দিছো।

**হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগ**

***ভৱিষ্যতৰ বয়ন***

(২৫৬) অধ্যক্ষ মহোদয়, অসম হস্ততাঁত শিপিনীসকলে তাঁত বস্ত্ৰৰ আৰ্হি আৰু ধৰণৰ পুৰণি পৰম্পৰা জীয়াই ৰাখিছে আৰু অধিক লক্ষ্যণীয়ভাৱে তেনে শিপিনীসকলৰ সৰহভাগেই মহিলা। এই শিপিনীসকল ক'ভিড-১৯ মহামাৰীৰ সময়ত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে আৰু তেওঁলোকে বই উলিওৱা গামোচা, আৰনাই, মেখেলা আৰু দুমেৰসমূহ বিক্ৰী নোহোৱাকৈ পৰি থকাটো অস্বাভাৱিক নহয়। উক্ত সমস্যালৈ মন কৰি এই বিভাগে ৮০ কোটি টকাৰ প্ৰাৰম্ভিক পুঁজিৰে 'স্ব-নিৰ্ভৰ নাৰী' নামেৰে এখন আঁচনি প্ৰৱৰ্তন কৰিছে।

(২৫৭) সেয়ে মই এই বিভাগক ৪২২.৪৬ কোটি টকা দিয়াৰ প্ৰস্তাৱ ৰাখিছো।

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ**

***স্বাস্থ্যৰ পৰা সমৃদ্ধিলৈ***

(২৫৮) অধ্যক্ষ মহোদয়, কোভিড-১৯ মহামাৰীৰ সময়ছোৱাত এই বিভাগৰ অৱদানৰ কথা ভাষাৰে ব্যাখ্যা কৰিব নোৱাৰি। এই বিভাগে 'অসম কৰ্কট কেয়াৰ ফাউণ্ডেচন' স্থাপনৰ বাবে টাটা ন্যাসৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। গুৱাহাটীৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত পূব-ভাৰতত প্ৰথমটো Tomotherapy মেচিন কাৰ্যক্ষম কৰি তোলা হৈছে। অসম চৰকাৰে ৰাজ্যখনত কৰ্কট চিকিৎসালয় নিৰ্মাণৰ বাবে ১০৫০ কোটি টকা আগবঢ়াইছে। গুৱাহাটী আই আই টিত অত্যাধুনিক মাল্টিস্পেচিয়েলিটী চিকিৎসা প্ৰতিষ্ঠান স্থাপনৰ বাবে অসম চৰকাৰে ভাৰত চৰকাৰৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। এই

ব্যৱস্থাই Biomechanics, Bioengineering আৰু Robotic Surgery ক্ষেত্ৰৰ গৱেষণা আৰু বিকাশত যথেষ্ট সহায় কৰিব। নৱজাতক আৰু শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ উদ্দেশ্যে গুৱাহাটীত এখন উৎসৰ্গিত শিশু চিকিৎসালয় স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। সকলোবোৰ জিলা চিকিৎসালয়ক টেলি আই চি ইউ আৰু ই-হস্পিতাল গোটসহ টেলি মেডিচিন কেন্দ্ৰলৈ উন্নীত কৰাৰ বাবেও পদক্ষেপ লোৱা হৈছে। চিকিৎসা মহাবিদ্যালয় আৰু বুনিয়াদী স্বাস্থ্য কেন্দ্ৰসমূহৰ নিৰ্মীয়মাণ কাম-কাজৰ বিষয়ে মোৰ ভাষণৰ পূৰ্বৰ অংশত ইতিমধ্যে উল্লেখ কৰা হৈছে।

(২৫৯) মই এই বিভাগৰ বাবে ৭১৫৪.৫৭ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

**পাৰ্বত্য অঞ্চল বিভাগ**

***ঈশ্বৰৰ দান***

(২৬০) অধ্যক্ষ মহোদয়, পাৰ্বত্য অঞ্চল বিভাগে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু উত্তৰ কাছাৰ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যসমূহ পৰিচালনা কৰে আৰু আমাৰ চৰকাৰখনে বৃদ্ধি আৰু উন্নয়নৰ লগতে শান্তি আৰু সম্প্ৰীতি বজাই ৰাখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। ডিমা হাচাওত অনুষ্ঠিত হোৱা কেবিনেট সভাত ১১০ কোটি টকাৰে বৃহত্তৰ হাফলং পানী যোগান আঁচনিৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এক বিশেষ পেকেজৰ বৃহৎ ঘোষণা কৰে। তেতিয়াৰ মাননীয় বিত্তমন্ত্ৰীয়ে প্ৰতিটো স্বায়ত্তশাসিত পৰিষদ সমষ্টিত ১০ কোটি টকাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে আৰু এতিয়ালৈকে ১৭৩ কোটি টকা মোকলাই দিয়া হৈছে য'ত অতিৰিক্ত ৪৫ কোটি টকাৰ প্ৰক্ৰিয়া চলি আছে।

(২৬১) নতুন দিল্লীৰ দ্বাৰকাত এটা ডিমাচা ভৱনৰো প্ৰস্তাৱ কৰা হৈছে আৰু ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ নীতিগত অনুমোদন লাভ কৰা হৈছে। এই বিভাগৰ অধীনত ডিফুত এটা আন্তঃৰাজ্যিক বাছ আস্থান নিৰ্মাণো এক উল্লেখযোগ্য প্ৰকল্প।

(২৬২) সেইবাবে মই এই বিভাগটোৰ বাবে ২৮৪৫.০৪ কোটি টকা আবণ্টন দিছো।

**গৃহ আৰু ৰাজনৈতিক বিভাগ**

***এখন শান্তিপূৰ্ণ সমাজৰ বাবে অহোপুৰুষাৰ্থ***

(২৬৩) অধ্যক্ষ মহোদয়, আমাৰ মাননীয় প্ৰধানমন্ত্ৰীয়ে এক 'স্মাৰ্ট', (SMART) আৰক্ষীৰ পোষকতা কৰিছে। ইয়াত SMART শব্দটোৰ, প্ৰতিটো বৰ্ণই এনে অৰ্থ কৰিছে— S মানে কঠোৰ (Strict), স্পৰ্শকাতৰ (Sensitive), M মানে আধুনিক (Modern), ভ্ৰাম্যমাণ (Mobile), A মানে সতৰ্ক (Alert), দায়বদ্ধ (Accountable), R মানে নিৰ্ভৰযোগ্য (Reliable), সঁহাৰিপূৰ্ণ (Responsive) আৰু T মানে প্ৰশিক্ষিত (Trained) তথা প্ৰযুক্তিৰে সজ্জিত (Tech Savvy)। ইয়াৰ সৈতে সংগতি ৰাখি আমাৰ চৰকাৰখনে অসম আৰক্ষীক দেশৰ ভিতৰতে এক সৰ্বশ্ৰেষ্ঠ আৰক্ষী বাহিনী হিচাপে গঢ়ি তুলিবলৈ অহোপুৰুষাৰ্থ কৰিছে।

(২৬৪) মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এনেকুৱা প্ৰথম পদক্ষেপ হিচাপে আৰক্ষী অধীক্ষক আৰু ভাৰপ্ৰাপ্ত বিষয়াসকলৰ সৈতে আলোচনাচক্ৰ অনুষ্ঠিত কৰা আৰম্ভ কৰিছে, য'ত অসমৰ আৰক্ষী সম্পৰ্কীয় বিভিন্ন বিষয় আলোচনা কৰি সমস্যাসমূহ সমাধান কৰা হৈছে। বিশেষকৈ যোৱা এটা বছৰ আমাৰ আৰক্ষী বাহিনীৰ বাবে অত্যন্ত ঘটনাবহুল আছিল আৰু সমগ্ৰ ৰাজ্যখনতে ক'ভিড-১৯ অতিমাৰীৰ দ্বিতীয় তথা তৃতীয় ঢৌৰ সময়ছোৱাত আগবঢ়োৱা অৰিহণা আৰু ড্ৰাগছৰ ভয় লগা পৰিস্থিতিৰ পৰা সকাহ দিয়াৰ ক্ষেত্ৰত লোৱা ভূমিকাৰ বাবে মই অসম আৰক্ষীক আন্তৰিকতাৰে অভিনন্দন জনাইছো।

(২৬৫) অধ্যক্ষ মহোদয়, যোৱা এটা বছৰত ৰাজ্যখনৰ বিদ্ৰোহাত্মক কাৰ্যকলাপ কম-বেছি পৰিমাণে নিয়ন্ত্ৰণাধীন হৈ আছে। অসম আৰক্ষীয়েও

নাগৰিকৰ ওজৰ-আপত্তি আৰু অভিযোগসমূহ নিষ্পত্তি কৰাত শেহতীয়া প্ৰযুক্তিৰ ব্যৱহাৰ কৰিছে। হেকাৰসকলে জনসাধাৰণৰ সঞ্চিত ধন প্ৰৱঞ্চনাৰে উলিয়াই নিয়া প্ৰতিৰোধ কৰাত জনসাধাৰণলৈ সহায়ৰ হাত আগবঢ়োৱাত হেল্পলাইন নাম্বাৰ ১৯৩০ ৰে Citizen Financial Cyber Fraud Reporting Management System (CFCFRMS) হ'ল এক উল্লেখনীয় পদক্ষেপ। প্ৰযুক্তিগত দিশত দক্ষতা গঢ়াৰ বাবে Cyber Crime First Responder Kits ৰ লগতে Cyber Forensic Lab Cum Training Centre হ'ল এক উল্লেখযোগ্য প্ৰয়াস।

(২৬৬) ৰাজ্যখনত মহিলাৰ সুৰক্ষা বৃদ্ধি কৰাৰ উদ্দেশ্যে মৰিগাঁও, নগাঁও, ওদালগুৰি আৰু বিশ্বনাথত চাৰিটা মানৱ সৰবৰাহ প্ৰতিৰোধী গোট নতুনকৈ স্থাপন কৰা হৈছে আৰু অসমৰ প্ৰতিখন জিলাতে একোটাকৈ তেনে গোট স্থাপন কৰাৰ পৰিকল্পনা কৰা হৈছে। এই চৰকাৰখনে e-FT নামৰ এটা প্ৰকল্পৰ জৰিয়তে বিদেশী ন্যায়াধিকৰণৰ সমগ্ৰ ব্যৱস্থাটোক স্বয়ংক্ৰিয় কৰি তুলিবলৈ এক ই-প্ৰশাসন পদক্ষেপৰ পৰিকল্পনাও কৰিছে। মৈত্ৰী প্ৰকল্পৰ অধীনত জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত আৰক্ষী বিষয়াসকলক অধিক সঁহাৰিপূৰ্ণ কৰি তোলাৰ উদ্দেশ্যে বিভিন্ন পদবীৰ আৰক্ষী বিষয়াসকলক ছফ্‌ট স্কিল (soft skill)ৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

(২৬৭) এই বিত্তীয় বৰ্ষত ৰাজ্যখনৰ কাৰাগাৰসমূহৰ অৱস্থা উন্নীত কৰাত চৰকাৰখনে অগ্ৰাধিকাৰ প্ৰদান কৰিছে। কাৰাগাৰৰ সংস্কাৰ আৰু কয়দীসকলৰ পুনৰসংস্থাপনৰ বাবে অসমৰ কাৰাগাৰসমূহত বহুনক্ষম পুনৰসংস্থাপনৰ প্ৰস্তাৱ কৰা হৈছে। প্ৰত্যেকতে ১০০ জনকৈ কাৰাবন্দী থকাৰ সুবিধাৰে কটকটীয়া নিৰাপত্তাযুক্ত কাৰাগাৰ স্থাপনৰো পৰিকল্পনা আছে আৰু অসমৰ ১২ খন কাৰাগাৰক স্থানান্তৰিত কৰাৰ এটা প্ৰস্তাৱো বিবেচনা কৰি থকা হৈছে। 'আজাদী কা অমৃত মহোৎসৱ'

উপলক্ষে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে ঘোষণা কৰিছে যে যোৰহাটৰ কেন্দ্ৰীয় কাৰাগাৰৰ ভূমিৰ ১০০ বিঘাক এক ঐতিহ্য ক্ষেত্ৰ হিচাপে সংৰক্ষিত কৰা হ'ব। দক্ষতা গঢ়াৰ বাবে এখন Assam Prison Academy ৰো প্ৰস্তাৱ কৰা হৈছে।

(২৬৮) এই বৰ্ষত আৰক্ষীৰ বাবে বিভিন্ন আন্তঃগাঁথনি প্ৰকল্প যেনে— জিলা আৰক্ষী বিষয়াৰ চৰকাৰী আৱাস, আৰক্ষী চকী আৰু বেৰেক নিৰ্মাণৰ কাম জিলা আৰক্ষীৰ কল্যাণ সমিতিৰ জৰিয়তে সকলো জিলাতে হাতত লোৱা হ'ব। ইয়াৰ অধীনত ৪০ কোটি টকা প্ৰদান কৰা হ'ব। পৰৱৰ্তী বিত্তীয় বৰ্ষৰ বাজেটত আৰক্ষী প্ৰশিক্ষণ একাডেমীৰ বাবে ৫০ কোটি টকাৰ ব্যৱস্থাপনা ৰখা হ'ব।

(২৬৯) মই ইয়াৰ দ্বাৰা ৮০৩৫.০৬ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ**

***বহনক্ষম নগৰ নিৰ্মাণৰ দিশত***

(২৭০) মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নগৰীয় স্থানসমূহক অধিক বাসোপযোগী আৰু সৰ্বাত্মক ৰূপত গঢ়ি তোলাৰ উদ্দেশ্যে PM Street Vedor's Atma-Nirbhar Nidhi (PM SVANidhi) ৰ অধীনত পদপথৰ দোকানীসকললৈ ১০,০০০ টকাৰ বন্ধকীবিহীন কাৰ্যকৰী মূলধনী ঋণ আগবঢ়োৱা হৈছে। এই আঁচনিৰ অধীনত এতিয়ালৈকে লক্ষ্য নিৰ্ধাৰিত ৫২,০০০ পদপথৰ ব্যৱসায়ীৰ ভিতৰত ৫০,৭২১ গৰাকী এনে ব্যৱসায়ীলৈ ধন প্ৰদান কৰা হৈছে।

(২৭১) ইয়াৰ বাবে মই ৩৬৬৬.৬৭ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

**অসম চুক্তি ৰূপায়ণ বিভাগ**

***শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি***

(২৭২) অধ্যক্ষ মহোদয়, বৃহত্তৰ অসমীয়া সমাজ গঠনৰ ক্ষেত্ৰত অসম আন্দোলনৰ শ্বহীদসকলৰ অৱদান অপৰিসীম। তেওঁলোকৰ স্মৃতি

অসমীয়া ৰাইজৰ অন্তৰত এতিয়াও সজীৱ হৈ আছে। আমাৰ চৰকাৰে অসম চুক্তিৰ ৰূপায়ণত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে।

(২৭৩) গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত শ্বহীদ স্মাৰক আৰু উদ্যান নিৰ্মাণৰ কাম চলি আছে। এই বিত্তীয় বৰ্ষত ইয়াৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ হ'ব।

(২৭৪) ভাৰত-বাংলাদেশ সীমান্তত কাইটীয়া তাঁৰ বেৰৰ নিৰ্মাণৰ কাম ৯৮ শতাংশতকৈ অধিক সম্পূৰ্ণ হৈছে। অসম আন্দোলনৰ নিৰ্যাতিত ব্যক্তি আৰু তেওঁলোকৰ পৰিয়ালৰ ফলপ্ৰসূ পুনৰসংস্থাপনৰ বাবে এই বিভাগে অসম আন্দোলনৰ নিৰ্যাতিত পৰিয়ালৰ কল্যাণ ন্যাস স্থাপন কৰিছে আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে শ্বহীদ দিৱসৰ দিনা আনুষ্ঠানিকভাৱে এই ন্যাস উদ্বোধন কৰিছিল।

(২৭৫) এই বছৰৰ বাজেটত মই ১২.৪৮ কোটি টকা আবণ্টন দিছো।

**খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথা সংস্কৃতি বিভাগ**

***ৰীতি-নীতি আৰু পৰম্পৰাৰ সংৰক্ষণ***

(২৭৬) অধ্যক্ষ মহোদয়, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাসৰ সংৰক্ষণৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰাটো যে প্ৰয়োজন তাৰ প্ৰতি এই চৰকাৰখন সজাগ আৰু সেইবাবে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত যোৱা বছৰ এই নতুন বিভাগটো গঠনৰ প্ৰশংসনীয় পদক্ষেপ লোৱা হয়। ২০২১ বৰ্ষৰ অক্টোবৰত অসমৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথা সংস্কৃতিৰ এক নতুন সঞ্চালকালয়ৰ জাননী জাৰি কৰা হৈছে। এই সঞ্চালকালয়ৰ অধীনত চলিত বিত্তীয় বৰ্ষত খিলঞ্জীয়া আৰু জনজাতীয় সংস্কৃতি উৎসৱ আৰু ক্ৰীড়াৰ প্ৰস্তাৱ কৰা হৈছে। এই বিভাগটোৰ অধীনত আলাবৈ আৰু যোৰহাটৰ হোলোঙাপাৰত থকা লাচিত বৰফুকন মৈদামত যুদ্ধ স্মাৰক, শিৱসাগৰ জিলাত এটা আইকনিক চাইট মিউজিয়াম (iconic site museum) নিৰ্মাণৰো প্ৰস্তাৱ কৰা হৈছে।

(২৭৭) মই ৯৬.৬৫ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিবলৈ বিচাৰিছো।

**উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ**

***বিনিয়োগৰ বাবে এক পৰিৱেশতন্ত্ৰ সৃষ্টি***

(২৭৮) বিভাগটোৱে অসম ইথানল উৎপাদন বৃদ্ধি নীতি, ২০২১ৰ জাননী জাৰি কৰিছে। MSMEসমূহৰ স্থাপন আৰু কাৰ্যকাৰীকৰণ সহজসাধ্য কৰিবলৈ অসম MSME (স্থাপন আৰু কাৰ্যকৰীকৰণৰ সা-সুবিধা প্ৰদান) আইন, ২০২০ বলৱৎ কৰা হৈছে। ইয়াৰ অধীনত কোনো ধৰণৰ আপত্তিহীনতাৰ প্ৰমাণ পত্ৰ / অনুমতি / ক্লিয়াৰেন্স (অগ্নি তথা বিদ্যুতক বাদ দি) আহৰণ নকৰাকৈয়ে MSME সমূহ স্থাপন আৰু তিনি বছৰৰ বাবে কাৰ্যক্ষম কৰিব পৰা যাব। বৈদ্যুতিক বাহন নীতি, ২০২১ ৰ প্ৰৱৰ্তন হ'ল প্ৰস্তুতকৰণত উদ্‌গনি যোগাই আৰু আন্তঃগাঁথনি উন্নয়নৰ প্ৰতি সমৰ্থন আগবঢ়াই যোগান সহজ কৰাৰ লগতে উভয় চাহিদাকে আগবঢ়াই নিয়াৰ প্ৰতি এক প্ৰয়াস।

(২৭৯) ৰাজ্যখনত নতুন ঔদ্যোগিক পাৰ্ক স্থাপন আৰু MSMEসমূহৰ উন্নয়নো এই বিভাগটোৰ গুৰুত্বপূৰ্ণ অগ্ৰাধিকাৰ আৰু এইক্ষেত্ৰত অনেক পদক্ষেপ লোৱা হৈছে।

(২৮০) সেইবাবে মই এই বিভাগটোৰ বাবে ৭৮৯.৪৪ কোটি টকা আবণ্টন দিছো।

**তথ্য-প্ৰযুক্তি বিভাগ**

***ডিজিটেল প্ৰযুক্তিৰ উন্নীতকৰণ***

(২৮১) অধ্যক্ষ মহোদয়, চৰকাৰী কাৰ্যব্যৱস্থাত তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ ক্ষিপ্ৰগতিত বৃদ্ধি পাইছে। এই পশ্চাদভূমিত, বিভাগটোৰ মূল লক্ষ্য হৈছে ৰাজহুৱা সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিগত ব্যৱহাৰক উন্নীত কৰাত সহযোগ প্ৰদান কৰা। এই ক্ষেত্ৰত এক প্ৰশংসনীয় পদক্ষেপ হ'ল ছুইফট্ (Startup World for Innovation in Future Technologies - SWIFT) কেন্দ্ৰ। ৰাজ্যখনৰ প্ৰতিটো বিধানসভা

সমষ্টিত এনেকুৱা কেন্দ্ৰ স্থাপনৰ যোগেদি এই পদক্ষেপৰ লক্ষ্য হ'ল ডিজিটেল স্বাক্ষৰতা বৃদ্ধি কৰা। নিয়োগৰ সুযোগ বৃদ্ধি কৰাৰ উদ্দেশ্যে 'তথ্য প্ৰযুক্তিৰ ওপৰত দক্ষতা বিকাশ আৰু প্ৰশিক্ষণ' আঁচনিখনৰ লক্ষ্য হ'ল যুৱক-যুৱতীসকলক তথ্য প্ৰযুক্তিৰ জ্ঞান প্ৰদান কৰা। এক অত্যাধুনিক 'ৰাজ্যিক তথ্য কেন্দ্ৰ' (SDC) নিৰ্মাণত এই বিভাগ সফল হৈছে। চৰকাৰী তথ্যৰ পৰিমাণ আৰু অনলাইন প'ৰ্টেলৰ সংখ্যা দ্ৰুতভাৱে বৃদ্ধিৰ ফলত এক সুৰক্ষিত মজুতকৰণ ক্ষমতা (storage capacity)ৰ যথেষ্ঠ আৱশ্যক হৈছে আৰু এই তথ্য কেন্দ্ৰই এনেকুৱা প্ৰয়োজনীয়তাৰ অভাৱ পূৰণ কৰিব। তদুপৰি, আন্তঃৰাষ্ট্ৰীয় ইণ্টাৰনেট গেটৱে (IIG) ৰ কাম চলি আছে আৰু এই ব্যৱস্থাই ৰাজ্যখনক এক উচ্চ গতিৰ সংযোগ ব্যৱস্থা প্ৰদান কৰিব।

(২৮২) ইয়াৰ বাবে মই ১০০.৩০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিলো।

**তথ্য আৰু জনসংযোগ বিভাগ**

*যোগাযোগেই মূল চাবি-কাঠী*

(২৮৩) অধ্যক্ষ মহোদয়, চৰকাৰী কাৰ্যসূচী আৰু পদক্ষেপসমূহে জনসাধাৰণক ঢুকি পোৱাটো নিশ্চিত কৰিবলৈ এই বিভাগে মুখ্য ভূমিকা গ্ৰহণ কৰি আছে। সাংবাদিকসকলৰ উৎকৰ্ষ সাধনৰ প্ৰচেষ্টাক অনুপ্ৰাণিত কৰিবলৈ 'সাংবাদিকসকললৈ এককালীন অনুদান' আঁচনিৰ অধীনত প্ৰতিবছৰে ২০ গৰাকী সাংবাদিকক ৫০,০০০ টকাকৈ পুৰস্কৃত কৰা হয়। চিকিৎসা সেৱাৰ বাবে সাংবাদিকসকলক বিত্তীয় সাহায্য প্ৰদান কৰিবলৈ এই বিভাগে 'সাংবাদিক চিকিৎসা কল্যাণ' আঁচনিখনো ৰূপায়ণ কৰি আছে। সাংবাদিকসকলৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ আন সদস্যসকলকো এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। 'সাংবাদিকসকলৰ বাবে অসম পেঞ্চন আঁচনি'ৰ অধীনত ৰাজ্যখনৰ ১০০ গৰাকী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকলৈ পেঞ্চন প্ৰদান কৰা হৈছে।

(২৮৪) অলপতে এই বিভাগৰ অধীনত ছপা আৰু লেখন সামগ্ৰী সঞ্চালকালয়ক সামৰি লোৱা হৈছে। 'অসম ৰাজপত্ৰ' প্ৰকাশৰ নিচিনাকৈ এই বিভাগে পোন প্ৰথমবাৰৰ বাবে ই-ৰাজপত্ৰ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছে। অসম চৰকাৰী ছপাশালৰ এটা নতুন শাখা নিৰ্মাণৰ কাম লখিমপুৰত আৰম্ভ কৰা হৈছে।

(২৮৫) ইয়াৰ বাবে মই ১৫১.৪৩ কোটি টকা আবণ্টন কৰিছো।

**জলসিঞ্চন বিভাগ**

***প্ৰতিখন পথাৰলৈ পানী***

(২৮৬) অধ্যক্ষ মহোদয়, পথাৰত পানীৰ উপলব্ধতাই কৃষিৰ উৎপাদনশীলতা নিৰ্ণয় কৰে আৰু ইয়াৰ বাবে এই বিভাগটোৰে মূল চাবিকাঠি। পবিত্ৰ সদনক এয়া জনোৱাটো অতিশয় আৱশ্যকীয় যে এই বিভাগটোত গুৰুত্বপূৰ্ণ পুনৰ গঠনৰ কাম চলি আছে যাৰ জৰিয়তে প্ৰতিটো বিধানসভা সমষ্টিত একোটাকৈ মহকুমাধিপতিৰ কাৰ্যালয়ৰ ব্যৱস্থা কৰা হ'ব। অধিক প্ৰশাসনীয় সুচলতা আৰু সমন্বয় নিশ্চিত কৰিবলৈ ২-৩ টা মহকুমাক সামৰি এটাকৈ বিভাগীয় কাৰ্যালয়ো থাকিব।

(২৮৭) প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ অধীনত ৰাজ্যখনত ৫,০০০ টা নলীনাদ বিতৰণ কৰা হৈছে। ২০৩০ বৰ্ষৰ ভিতৰত ২৭ লাখ হেক্টৰ ভূমিত জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্টি কৰাৰ চূড়ান্ত লক্ষ্যৰে বিভাগটোৰে এতিয়ালৈকে ১০.৪১ লাখ হেক্টৰ ভূমিত জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্টি কৰিছে। বিভাগটোৰ যিকোনো ধৰণৰ আন্তঃগাঁথনি উন্নয়নমূলক কাৰ্য্যকলাপৰ এক বিস্তাৰিত 'ডাটাবেছ' তৈয়াৰ কৰাৰ বাবে সমগ্ৰ ৰাজ্যখনৰ বাবে এক LiDAR (Light Detection and Imaging) জৰীপ আৰম্ভ কৰাটো বিভাগটোৰ আন এক উল্লেখযোগ্য পদক্ষেপ।

(২৮৮) ইয়াৰ বাবে মই ৯৪৫.২৪ কোটি টকা আবণ্টন কৰিছো।

**ন্যায়িক বিভাগ**

(২৮৯) অধ্যক্ষ মহোদয়, শিশুৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অপৰাধমূলক ঘটনা নিৰ্মূল কৰাৰ বাবে মোৰ চৰকাৰ দায়বদ্ধ। মোৰ চৰকাৰে ইতিমধ্যে ১০ খন নতুন POSCO আদালত স্থাপন কৰাৰ বাবে অনুমোদন জনাইছে আৰু ইয়াৰে ৯ খন আদালত ইতিমধ্যে কাৰ্যক্ষম হৈছে।

(২৯০) সাক্ষীসকলক পৰ্যাপ্ত সুৰক্ষা প্ৰদান কৰাৰ লক্ষ্যৰে ৰাজ্যৰ প্ৰতিখন জিলাতে 'ভাল্‌নেৰাবল উইট্‌নেছ ডিপ'জিশ্বন চেণ্টাৰ' স্থাপন কৰা হ'ব।

(২৯১) ইয়াৰ বাবে মই ৭০৯.৩২ কোটি টকা আবণ্টন কৰিছো।

**শ্ৰম আৰু কল্যাণ বিভাগ**

***শিশু শ্ৰমিক নিয়োগ শূন্য কৰাৰ দিশত***

(২৯২) মাননীয় অধ্যক্ষ মহোদয়, এই কথাটোত অলপো সন্দেহৰ অৱকাশ নাই যে ক'ভিড-১৯ মহামাৰীৰ ফলত আটাইতকৈ ক্ষতিগ্ৰস্ত হোৱা শ্ৰেণীটোৱেই হ'ল প্ৰব্ৰজিত শ্ৰমিকসকল। এই শ্ৰেণীটোৱে সন্মুখীন হোৱা দুখ-দুৰ্দশাৰ কথা বিবেচনা কৰি শ্ৰম আৰু কল্যাণ বিভাগে অসম প্ৰব্ৰজিত শ্ৰমিক খাদ্য সুৰক্ষা আঁচনি (Axom Migrant Labour Food Security Scheme) খন অধিসূচিত কৰিছে। এই আঁচনিৰ উদ্দেশ্য হ'ল লকডাউনৰ সময়ত ৰাজ্যখনত থকা প্ৰব্ৰজিত শ্ৰমিকসকললৈ খাদ্য সামগ্ৰী যোগান ধৰা।

(২৯৩) অধিক উন্নত সেৱা প্ৰদান সুনিশ্চিত কৰাৰ অৰ্থে বিভাগটোৱে ই-শ্ৰম প'ৰ্টেলৰ লেখীয়া এলানি তথ্য-প্ৰযুক্তি সম্বন্ধীয় পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে বিভিন্ন আঁচনিৰ অধীনত লাভালাভ প্ৰদান কৰাৰ অৰ্থে অসংগঠিত শ্ৰমিকসকলৰ পঞ্জীয়ন কৰোৱা হয়। এই শ্ৰমিকসকলৰ সুবিধাৰ অৰ্থে আধাৰ কেন্দ্ৰও স্থাপন কৰা হৈছে। প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ আঁচনিসমূহৰ সম্পূৰ্ণৰূপে ডিজিটাইজেচনৰ লগতে

নিৰ্মাণ শ্ৰমিকসকলৰ অনলাইন পঞ্জীয়নৰ কাম চলি আছে।

(২৯৪) ভাৰত চৰকাৰে প্ৰদান কৰা অগ্ৰাধিকাৰৰ আলমত শ্ৰম বিভাগে সামাজিক সুৰক্ষা কোড, মজুৰি কোড আৰু ঔদ্যোগিক সম্পৰ্ক কোডৰ অধীনত খচৰা বিধিৰ জাননী জাৰি কৰিছে। ইয়াৰ অধীনত কাম সম্পাদনৰ বোজা হ্ৰাস আৰু প্ৰক্ৰিয়াসমূহ সৰলীকৰণ কৰিবলৈ বিচৰা হৈছে।

(২৯৫) সেয়েহে মই এই বিভাগটোৰ বাবে ১১৬.০৬ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**বিধায়িনী বিভাগ**

***আইনৰ শাসন***

(২৯৬) মহাশয়, সময়ৰ প্ৰয়োজনীয়তা অনুসৰি চলিত বিত্তীয় বৰ্ষত বিধায়িনী বিভাগে ১১ খন নতুন আইন প্ৰণয়ন কৰিছে আৰু ২৯ টা সংশোধনী আনিছে।

(২৯৭) দৰিদ্ৰ লোকসকললৈ বিনামূলীয়া আইনী সাহায্য আগবঢ়োৱাটো হৈছে এই বিভাগৰ এক অন্যতম উচ্চ অগ্ৰাধিকাৰৰ বিষয়। সেই অনুসৰি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ অধীনত প্ৰায় ৫,০০০ টা সজাগতা শিবিৰৰ আয়োজন কৰা হৈছে। ইয়াত প্ৰায় ৫৭ লাখ লোকে অংশগ্ৰহণ কৰিছিল আৰু উপকৃত হৈছিল।

(২৯৮) আদালতৰ ওপৰত পৰা বোজা হ্ৰাস কৰিবলৈ আৰু ক্ষিপ্ৰ তথা অধিক দক্ষ ন্যায় প্ৰশাসন ব্যৱস্থা সুনিশ্চিত কৰিবলৈ পাঁচটা বিকল্প বিবাদ নিষ্পত্তিকৰণ কেন্দ্ৰ নিৰ্মাণ কৰা হৈছে আৰু আগন্তুক বৰ্ষত আৰু সাতটা এনে কেন্দ্ৰ নিৰ্মাণ কৰিবলৈ লোৱা হৈছে।

(২৯৯) অধ্যক্ষ মহোদয়, মই এই বিভাগৰ বাবে ১৯.১৯ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

**খনি আৰু খনিজ সম্পদ বিভাগ**

***উন্নয়নৰ স্তম্ভ***

(৩০০) অধ্যক্ষ মহোদয়, খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা, চূণশিল ইত্যাদি উৎপাদনৰ পৰা সংগৃহীত ৰয়েল্টীৰ ৰূপত ৰাজ্যখনৰ বাবে বৃদ্ধি আৰু ৰাজহ সৃষ্টিৰ এটা ইঞ্জিন হৈ পৰিছে খনি আৰু খনিজ সম্পদ বিভাগ। ২০২১-২২ বৰ্ষৰ মুঠ ৰয়েল্টীৰ সংগ্ৰহ হ'ল ২,২৮১ কোটি টকা। খনি আৰু খনিজ সম্পদ (উন্নয়ন তথা নিয়ন্ত্ৰণ) আইন, ২০১৫ অনুসৰি সকলো জিলাতে জিলা খনিজ সম্পদ পীঠ (DMF) ন্যাস গঠন কৰা হৈছে আৰু ২০২১ বৰ্ষৰ ডিচেম্বৰ পৰ্যন্ত মুঠ বৃদ্ধি হ'ল ১১০.৩৫ কোটি টকা। ৰাইজৰ বাবে বিভিন্ন শিল আৰু খনিজ সম্পদৰ নমুনা প্ৰদৰ্শন কৰিবলৈ এটা যাদুঘৰ আৰু দূৰসংযোগী বীক্ষণাগাৰৰ কামো চলি আছে।

(৩০১) ইয়াৰ বাবে ২৫.৫২ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো।

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ**

***গ্ৰাম স্বৰাজৰ সবলীকৰণ***

(৩০২) অধ্যক্ষ মহোদয়, গছপুলি ৰোপণৰ কাৰ্যকলাপ, নতুন মীন পাম সৃষ্টি আৰু কম উৎপাদন হোৱা সময়ছোৱাত চাহ বাগিচাৰ বনুৱাসকলৰ নিশ্চিত আয়ৰ জৰিয়তে গ্ৰামাঞ্চলত বিভাগটোৰ ধ্বজাবাহী কাৰ্যসূচী এম জি এনৰেগাই (MGNREGA) প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনাৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিছে।

(৩০৩) প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত নিৰ্ধাৰিত জিলাসমূহত তালিকাভুক্ত গৃহৰ এক নতুন উদ্ভাৱনামূলক ধাৰণা গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ অধীনত অতিৰিক্ত সাত লাখ দুখীয়া গ্ৰাম্য হিতাধিকাৰীয়ে গৃহ লাভ কৰিব। ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচীৰ লগতে 'শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন' আঁচনিৰ অধীনত অন্তিমজন লোকলৈকে ৰাজ্য চৰকাৰেও বিত্তীয় সাহায্য আগবঢ়াই আছে। 'বিস্তাৰিত কনকলতা মহিলা সবলীকৰণ যোজনা'ৰ অধীনত প্ৰায়

৯০,০০০ আত্মসহায়ক গোটলৈ মুঠ ৪০০ কোটি টকাৰ বেংক ঋণৰ ওপৰত মূলধনী ৰাজসাহায্য আগবঢ়োৱা হৈছে। গ্ৰামাঞ্চলত অহা-যোৱাৰ সুবিধা প্ৰদানৰ লক্ষ্যৰে ৪০০০ তকৈ অধিক জীৱিকা সখীক স্কুটী প্ৰদান কৰা হৈছে।

(৩০৪) ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC)ৰ স্বেচ্ছাসেৱকসকলক বিভাগৰ আঁচনিসমূহ চোৱা-চিতা কৰাৰ বাবে জড়িত কৰা হ'ব।

(৩০৫) ইয়াৰ বাবে মই ৭৯৭১.০২ কোটি টকাৰ আবণ্টন দিছো।

**কৰ্মচাৰী বিভাগ**

***মানৱ সম্পদক উপযোগী কৰি তোলা***

(৩০৬) অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ ১ লাখ নিযুক্তিৰ লক্ষ্য বাস্তৱায়িত কৰাৰ উদ্দেশ্যে এই বিভাগে খালী হৈ থকা পদসমূহ পূৰণ কৰাৰ বাবে দুখন নিযুক্তি আয়োগৰ সৈতে সক্ৰিয়ভাৱে কাম কৰি আছে।

(৩০৭) প্ৰাক্তন সৈনিকসকলে ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা সেৱাৰ স্বীকৃতিস্বৰূপে অসম প্ৰাক্তন সৈনিক (ৰাজ্যিক সেৱা আৰু তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিত পদ সংৰক্ষণ) বিধি, ২০২১ত অনুমোদন জনোৱা হৈছে। ইয়াৰ অধীনত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত প্ৰাক্তন সৈনিকসকলৰ বাবে দুই শতাংশ সংৰক্ষণৰ ব্যৱস্থা আছে। উল্লেখযোগ্য যে এই দুই শতাংশ সংৰক্ষণৰ ভিতৰত চাৰি ভাগৰ এক অংশ চাকৰি কৰি থকা অৱস্থাত ঘুণীয়া হোৱা দিব্যাংগ প্ৰাক্তন সৈনিকসকলৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

(৩০৮) এই বিভাগে অনুকম্পামূলক নিয়োগ আঁচনিৰ অধীনত নিয়োগ প্ৰদান কৰিবলৈ বাকী থকা যোগ্য লোকসকলৰ নিযুক্তি ক্ষিপ্ৰ কৰি তুলিবলৈ পদক্ষেপ হাতত লৈছে।

(৩০৯) অধ্যক্ষ মহোদয়, মই ইয়াৰ বাবে ৪৬.২১ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

**শক্তি বিভাগ**

***বিদ্যুৎ উপলব্ধকৰণ***

(৩১০) অধ্যক্ষ মহোদয়, এতিয়ালৈকে অসমেই হৈছে একমাত্ৰ ৰাজ্য, যিয়ে পুনৰুজ্জীৱিত বিতৰণ খণ্ড আঁচনিৰ অধীনত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ভিতৰত সামগ্ৰিক প্ৰযুক্তি আৰু বাণিজ্যিক সংক্ৰান্তীয় লোকচান ১৫ শতাংশলৈ হ্ৰাস কৰাৰ উদ্দেশ্যে বৰ্তমানৰ আন্তঃগাঁথনি পুনৰুজ্জীৱিত কৰিবলৈ কেন্দ্ৰীয় শক্তি মন্ত্ৰালয়ৰ পৰা অনুমোদন লাভ কৰিছে। অসমৰ বাবে এই প্ৰকল্পত ৮,৭২৭ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে।

(৩১১) নিৰ্ভৰযোগ্য শক্তি আৰু ভল্টেজৰ উন্নয়ন সাধনৰ উদ্দেশ্যে অসম চৰকাৰে বহিঃপুঁজিৰ বাবে ভাৰত চৰকাৰে অৰ্থনৈতিক পৰিক্ৰমা বিভাগলৈ প্ৰেৰণৰ বাবে প্ৰকল্পত অনুমোদন জনাইছে। এই প্ৰকল্পৰ বাবে ৩,২৮৪ কোটি টকা ধাৰ্য কৰা হৈছে। এই প্ৰকল্পই 'অসম শক্তি বিতৰণ কোম্পানী পৰিসীমিত (APDCL)ক ২০০ টা নতুন উপ-কেন্দ্ৰ আৰু অন্যান্য আন্তঃগাঁথনি নিৰ্মাণত সহায় কৰিব।

(৩১২) দীনদয়াল গ্ৰামজ্যোতি যোজনা নতুনকৈ (অতিৰিক্ত)ৰ অধীনত ফেব্ৰুৱাৰী মাহলৈকে ৩.৬১ লাখতকৈ অধিক পৰিয়ালৰ বাসগৃহত বৈদ্যুতিকীকৰণ কৰা হৈছে। এই প্ৰকল্প ৰূপায়ণৰ বাবে ১২০০ কোটি টকাতকৈ অধিক ধন ব্যয় কৰা হৈছে। দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনা আৰু সৌভাগ্য আঁচনিৰ অধীনত প্ৰায় ২৬,০০০ ৰাজহ গাঁৱত ইতিমধ্যে বৈদ্যুতিকীকৰণ কৰা হৈছে।

(৩১৩) গ্ৰামাঞ্চলৰ উপভোক্তাৰ সহায় হোৱাকৈ APDCL-এ EasyPay নামৰ ডিজিটেল ৱালেট ব্যৱস্থা প্ৰৱৰ্তন কৰিছে, যিয়ে গ্ৰাম্যাঞ্চলত বিদ্যুৎ মাচুল সংগ্ৰহৰ ক্ষেত্ৰত উল্লেখনীয় সফলতা লাভ কৰাৰ লগতে কৰ্মসংস্থাপন সৃষ্টি কৰিবলৈ সক্ষম হৈছে। APDCL-এ ২০২১ চনৰ জুন মাহৰ পৰা ২০২২ চনৰ ফেব্ৰুৱাৰীলৈকে ৪,৭২০ কোটি টকাৰ

মাচুল সংগ্ৰহৰ লক্ষ্যৰ বিপৰীতে ৪,৯৬৪ কোটি টকাৰ মাচুল সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। যিটো মাচুল সংগ্ৰহৰ দিশত ১০৫ শতাংশ বুলি বিবেচিত হৈছে।

(৩১৪) এ জি ই চি এলে ভাৰত চৰকাৰৰ পি এছ ডি এফৰ অধীনত ৪৮ টা গ্ৰীড উপ-কেন্দ্ৰৰ মেৰামতি তথা উন্নীতকৰণৰ কাম কৰি আছে। লগতে ই দুটা ২২০ কে ভি লাইন ৰে সহ ২২০ কে ভি ডি চি লাইন নিৰ্মাণৰ কামো কৰি আছে।

(৩১৫) গ্ৰাহকৰ বিল আদায়ৰ ক্ষমতা আৰু বিত্তীয় ক্ষমতাৰ প্ৰতি লক্ষ্য ৰাখি APDCL-এ ১৫০০ কোটি টকাৰ বকেয়া মাচুল নিষ্পত্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

(৩১৬) অধ্যক্ষ মহোদয়, এই বৰ্ষৰ বাজেটত মই ১৯৪৫.৯৯ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

**জনস্বাস্থ্য কাৰিকৰী বিভাগ**

***ঘৰে ঘৰে পানী***

(৩১৭) অধ্যক্ষ মহোদয়, বিশুদ্ধ খোৱাপানী আৰু অনাময় ব্যৱস্থাৰ নিশ্চিতি হ'ল এখন স্বাস্থ্যবান সমাজৰ বাবে প্ৰাথমিক প্ৰয়োজনীয়তা। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ মাননীয় প্ৰধানমন্ত্ৰীয়ে ২০২৪ চনৰ ভিতৰত সকলো পৰিয়াললৈ নলযোগে খোৱাপানী যোগান ধৰাৰ বাবে অভিলাষী জলজীৱন অভিযান আৰম্ভ কৰিছে। ইয়াৰ অধীনত এই পৰ্যন্ত মুঠ ২০ লাখ পৰিয়ালক কাৰ্যক্ষম ঘৰুৱা নল সংযোগ (FHTC) প্ৰদান কৰা হৈছে আৰু ২৫০০ গাঁৱৰ সকলো পৰিয়ালক খোৱাপানীৰ নল সংযোগ দিয়া হৈছে। স্বচ্ছ ভাৰত মিছন (গ্ৰামীন) সম্প্ৰতি দ্বিতীয় স্তৰত আছে, যাৰ লক্ষ্য হ'ল গোটা-জুলীয়া আৱৰ্জনা ব্যৱস্থাপনাৰ জৰিয়তে বহনক্ষম আৰু চকুত লগা পৰিচ্ছন্নতাৰ দ্বৈত উদ্দেশ্যৰে ODF Plusত উপনীত হোৱা।

(৩১৮) সেইবাবে মই ১৩৯৫.২৭ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ দিবলৈ বিচাৰিছো।

**লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগ**

***এখন শক্তিশালী অসমৰ বাবে আন্তঃগাঁথনি নিৰ্মাণ***

(৩১৯) অধ্যক্ষ মহোদয়, সামগ্ৰিক অৰ্থনৈতিক বিকাশৰ ওপৰত ব্যৱহাৰিক আন্তঃগাঁথনিৰ যে বহুমুখী প্ৰভাৱ আছে, সেই সম্পৰ্কত চৰকাৰ স্পষ্ট। অৰ্থনীতিৰ সকলো খণ্ডৰে এটা শক্তিশালী আন্তঃগাঁথনিৰ প্ৰয়োজন আৰু এই বিভাগে ৰাজ্যখনত আন্তঃগাঁথনি সৃষ্টিৰ চালিকা শক্তি হিচাপে কাম কৰে।

(৩২০) ভেলোৰলৈ চিকিৎসাৰ বাবে যোৱা অসমৰ লোকসকলৰ সহায়ক হোৱাকৈ ভেলোৰত এটা নতুন অসম ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পথত।

(৩২১) জ্ঞান অৰ্থনীতি সৃষ্টিৰ বাবে শিক্ষানুষ্ঠানসমূহ আধুনিক সা-সুবিধাৰে সু-সজ্জিত কৰি অনুকূল শৈক্ষিক পৰিৱেশ সৃষ্টি কৰাটো হৈছে প্ৰাথমিক প্ৰয়োজন। ভৱিষ্যৎ প্ৰজন্মক উন্নয়নৰ ধ্বজাবাহী কৰি তোলাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহত অনুকূল শৈক্ষিক পৰিৱেশৰ প্ৰয়োজন। ৰাজ্যখনত নতুন বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হৈছে। গোলাঘাট আৰু ধেমাজিত দুখন অভিযান্ত্ৰিক মহাবিদ্যালয় কাৰ্যক্ষম কৰি তোলা হৈছে। আনহাতে, শুৱালকুছি, বিহালী, বঙাইগাঁও, চামগুৰি, নলবাৰী আৰু ওদালগুৰিত নতুন ৬ খন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। একেদৰে ১০ খন নতুন আইন মহাবিদ্যালয়ৰ লগতে মাজুলী আৰু টিংখঙত পলিটেকনিক স্থাপনৰ কাম আৰম্ভ কৰা হৈছে। ৰাজ্যখনত বিশ্বমানৰ ক্ৰীড়া আন্তঃগাঁথনি গঢ়ি তোলাৰ উদ্দেশ্যে ১০ খন জিলা ষ্টেডিয়াম আৰু ৪০ খন মিনি ষ্টেডিয়াম স্থাপনৰ বাবেও অভিলাষী পদক্ষেপ গ্ৰহণ কৰা হৈছে। আমিনগাঁৱৰ ইণ্ডোৰ ষ্টেডিয়ামখনক অত্যাধুনিক সা-সুবিধাৰে সু-সজ্জিত কৰি ৰাষ্ট্ৰীয়

বেডমিণ্টন একাডেমীলৈ উন্নীতকৰণৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(৩২২) অধ্যক্ষ মহোদয়, অন্ত্যোদয়া আঁচনিৰ সফল ৰূপায়ণৰ বাবে সু-যোগাযোগ ব্যৱস্থা যে একক নিৰ্ণায়ক কাৰক, সেই সম্পৰ্কত আমাৰ চৰকাৰ সচেতন। মাজুলী আৰু যোৰহাট সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে। তদুপৰি তেজপুৰৰ মিছন চাৰিআলিত চাৰিলেনযুক্ত উৰণ সেঁতু, মঙলদৈ বাইপাছ আদিৰ দৰে বৃহৎ আন্তঃগাঁথনি প্ৰকল্পৰ কাম হাতত লোৱা হৈছে। আনহাতে, কৌপাটিত দৰং আৰু মৰিগাঁও সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ সম্ভাৱনীয়তা সন্দৰ্ভত অধ্যয়ন চলাই থকা হৈছে।

(৩২৩) মই নিশ্চিত যে, এই আন্তঃগাঁথনি প্ৰকল্পসমূহৰ ৰূপায়ণে আমাৰ ৰাজ্যখনক এক নতুন ৰূপ দিব আৰু দেশৰ ভিতৰত অসমক ৫ খন শীৰ্ষ ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্তি কৰাৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দেখা সপোন বাস্তৱায়িত হ'ব।

(৩২৪) মই বিভাগৰ বাবে ২৯১৩.৪৪ কোটি টকা ধাৰ্য কৰিছো।

**লোক নিৰ্মাণ (পথ) বিভাগ**

***পথ নিৰ্মাণৰ জৰিয়তে আমি ৰাজ্য নিৰ্মাণ কৰো***

(৩২৫) অধ্যক্ষ মহোদয়, মানুহ আৰু সা-সামগ্ৰী পৰিবহণৰ ক্ষেত্ৰত অসমৰ স্থল সংযোগ ব্যৱস্থা অতি গুৰুত্বপূৰ্ণ বিষয়। অৰ্থনীতিৰ ক্ষেত্ৰত ইয়াৰ বহুতৰপীয়া প্ৰভাৱ আছে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে উৎকৃষ্ট পৰিবহণৰ বাবে অত্যাধুনিক দ্ৰুতগতিৰ পথ (Corridor) নিৰ্মাণৰ উদ্দেশ্যে 'অসম মালা' নামৰ অভিলাষী কাৰ্যসূচী আৰম্ভ কৰিছে। ব্ৰহ্মাপুত্ৰৰ ওপৰত গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী দলং নিৰ্মাণ প্ৰকল্পৰ কাম ২০২৩ চনৰ আগষ্ট মাহত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে। অন্যান্য গুৰুত্বপূৰ্ণ প্ৰকল্প, যেনে— ব্ৰহ্মপুত্ৰৰ ওপৰত NDB সাহায্যপ্ৰাপ্ত পলাশবাৰী আৰু সৰ্থেবাৰী সংযোগী অসম সেঁতু প্ৰকল্প-২ আৰু বিশ্ব বেংক সহায্যপ্ৰাপ্ত অসম ৰাজ্যিক সেঁতু আন্তঃগাঁথনি প্ৰকল্পই অতিশীঘ্ৰেই অনুমোদন লাভ কৰাৰ সম্ভাৱনা আছে।

(৩২৬) এছ অ' পি ডিৰ অধীনত ২৬১ কিঃমিঃ দৈৰ্ঘৰ ১৪ টা পথৰ কাম হাতত লোৱা হৈছে। ইয়াৰে ২৮.৯ কিঃমিঃ এটা পেকেজৰ কাম সম্পূৰ্ণ হৈছে আৰু ১১.৪ কিঃমিঃ দৈৰ্ঘৰ শিঙিমাৰী-শুৱালকুছি পথক চাৰি লেনযুক্ত কৰাৰ আন এটা পেকেজৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। আছাম ছেকেণ্ডাৰী ৰোড নেটৱৰ্ক ইমপ্ৰুভমেন্ট প্ৰজেক্ট (এ এছ আৰ আই পি)ৰ অধীনত প্ৰায় ২৫০ কিঃমিঃ দৈৰ্ঘৰ ৬টা পথ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। লখিমপুৰৰ পৰা মাজুলীলৈ সংযোগ স্থাপনৰ বাবে ধুনাগুৰিত সোৱণশিৰিৰ লগতে লুইতৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া দুখন প্ৰধান দলং নিৰ্মাণৰ কাম এই প্ৰকল্পত অন্তৰ্ভুক্ত কৰা হৈছে। আছাম ৰোড নেটৱৰ্ক ইমপ্ৰুভমেন্ট প্ৰজেক্ট (এ আৰ এন আই পি)ৰ অধীনত ৩১২ কিঃমিঃ দৈৰ্ঘৰ আন ৬টা পথৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। ডিমা হাচাও, কাৰ্বি আংলং আৰু বি টি আৰৰ প্ৰত্যেকতে এটাকৈ সংযোগী পথ নিৰ্মাণৰ কামো ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। এন আই ডি এৰ অধীনত ঘূণাসুঁতিত সোৱণশিৰিৰ ওপৰত এখন দলঙৰ লগতে ২খন প্ৰধান দলঙক সামৰি ২৩৭ কিঃমিঃ দৈৰ্ঘ্যৰ ৭টা পথ আৰু লখিমপুৰ চহৰ আৰু বেবেজীয়াক সংযোগ কৰাৰ বাবে দুখন ক্ষুদ্ৰ দলং সামৰি পথ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

(৩২৭) মই এই বিভাগৰ বাবে ৮৫৭৬.২৫ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো।

**ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ**

***'বসুন্ধৰা'ৰ জৰিয়তে অধিকাৰ সুৰক্ষা***

(৩২৮) অধ্যক্ষ মহোদয়, এইখন চৰকাৰে ২০১৯-২০ বৰ্ষত 'অৰুন্ধতী স্বৰ্ণ' আঁচনি আৰম্ভ কৰিছিল। নতুনকৈ বিবাহিত কন্যা সন্তানসকলক আৰ্থিক নিৰাপত্তা দিয়াৰ উদ্দেশ্যে এই আঁচনিখনৰ পৰিকল্পনা কৰা হৈছিল। ইয়াৰ অধীনত প্ৰায় ৭০০০ গৰাকী হিতাধিকাৰীলৈ ৪০,০০০ টকাকৈ বিত্তীয় সাহায্য প্ৰদান কৰা হৈছে।

(৩২৯) সত্ৰসমূহৰ ভূমি অবৈধ দখলৰ পৰা মুক্ত কৰাৰ বাবে এইখন চৰকাৰ

দায়বদ্ধ। এই সংক্ৰান্তত ‘কমিছন ফৰ ৰিভিউ এণ্ড এছেছমেন্ট অব্ প্ৰব্লেমছ অৰ সত্ৰ লেণ্ড ইন আসাম’ নামেৰে তিনিজন সদস্যৰে গঠিত এখন আয়োগ গঠন কৰা হৈছে।

(৩৩০) ভূমি শ্ৰেণীকৰণক অধিক পদ্ধতিগত কৰাৰ উদ্দেশ্যেৰে, এই বিভাগৰ অধীনত এক ‘ৰেভেনিউ এনহেন্সমেন্ট এক্চন প্লেন’ (REAP)ৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। ই ভূমি ৰাজহৰ নিৰিখৰ ক্ষেত্ৰত এক সমৰূপ অনাৰ লগতে ক্ষেত্ৰীয় মূল্যাংকন আৰু ইয়াৰ লগত জড়িত অন্যান্য নিৰিখৰ বাবে এক বিজ্ঞানসন্মত পৰিকাঠামো নিশ্চিত কৰিব।

(৩৩১) অধ্যক্ষ মহোদয়, সেইবাবে মই ২৬৪৬ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ আগবঢ়ালো।

## বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ

### *বৈজ্ঞানিক মানসিকতা গঠন*

(৩৩২) অধ্যক্ষ মহোদয়, এক জলবায়ু পৰিৱৰ্তন সহনশীল সমাজ গঠনৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিভাগটোৰ নাম “বিজ্ঞান আৰু প্ৰযুক্তি”ৰ পৰা “বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন” হিচাপে নতুনকৈ নামকৰণ কৰাৰ কথা ঘোষণা কৰিছে। শাসন আৰু উন্নয়নৰ বাবে স্থানীয় পৰিস্থিতি নিৰ্ভৰ প্ৰযুক্তিৰ ব্যৱহাৰত গতি প্ৰদান কৰিবলৈ অসম ৰাজ্যিক মহাকাশ প্ৰযুক্তি কেন্দ্ৰ স্থাপন কৰা হৈছে। ৰাজ্যখনত মহাকাশ সম্পৰ্কীয় কাৰ্যকলাপক আগবঢ়াই নিবলৈ উত্তৰ-পূব মহাকাশ প্ৰযুক্তি কেন্দ্ৰৰ (NESAC) সৈতে বুজাবুজিৰ চুক্তিতো স্বাক্ষৰ কৰা হৈছে। ১১ টা জিলা বিজ্ঞান কেন্দ্ৰ আৰু ৬ টা বিজ্ঞান কেন্দ্ৰ তথা তাৰকাগৃহ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। উত্তৰ-পূব ভাৰতৰ প্ৰথমটো জৈৱ প্ৰযুক্তি পাৰ্ক হিচাপে গুৱাহাটী জৈৱ প্ৰযুক্তি পাৰ্কৰ এক ব্যৱসায়িক প্ৰতিষ্ঠান মণ্ডল থাকিব, যিয়ে প্ৰস্তুতকৰণ আৰু গৱেষণাৰ সা-সুবিধা স্থাপনত বৃহৎ জৈৱ প্ৰযুক্তিত নিযুক্ত লোকসকলক সা-সুবিধা আগবঢ়াব। উদ্যমীসকলক তেওঁলোকৰ ধাৰণাক বাণিজ্যিকীকৰণযোগ্য পণ্যলৈ ৰূপান্তৰিত কৰাত প্ৰযুক্তি ইনকিউবেচন কেন্দ্ৰই সহায় কৰাটোও আজিৰ এক বাস্তৱতা। আই

আই টি, গুৱাহাটীৰ সহযোগিতাত ভাৰ্চুৱেল বাস্তৱতাৰ এক সম্প্ৰসাৰণ হিচাপে এটা শৈক্ষিক মেটা-ভাৰ্ছৰো (meta-verse) পৰিকল্পনা কৰি থকা হৈছে আৰু এই আঁচনিয়ে বিজ্ঞান, শিক্ষা, গৱেষণা আৰু পৰ্যটনৰ ক্ষেত্ৰত পোনপটীয়াকৈ সুবিধা আগবঢ়াব।

(৩৩৩) সেইবাবে মই ৫৬.৫৭ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ আগবঢ়ালো।

**দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ**

***জনগাঁথনিগত লভ্যাংশ আহৰণ***

(৩৩৪) অধ্যক্ষ মহোদয়, এইটো কোৱা হয় যে দক্ষতাই হৈছে বৰ্তমান সময়ৰ মূল্যৱান সম্পদ আৰু সুন্দৰ অসমৰ বাবে আমাৰ যুৱ সমাজ দক্ষতাপূৰ্ণ হোৱাটো জৰুৰী। সেয়েহে, মানসম্পন্ন প্ৰযুক্তি, বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণ ব্যৱস্থাৰ বিকাশ সাধন কৰাৰ উদ্দেশ্যে আমাৰ চৰকাৰে প্ৰায় ১০০০ কোটি টকা ব্যয় সাপেক্ষে মঙলদৈত অসম দক্ষতা বিশ্ববিদ্যালয় স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনত দক্ষতা বৃদ্ধিৰ প্ৰসাৰ সাধনৰ বাবে ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্ব ব্যৱস্থাৰ জৰিয়তে বহুকেইটা বহুমুখী দক্ষতা উন্নয়ন কেন্দ্ৰ কাৰ্যক্ষম কৰি তোলা হৈছে। বিগত শৈক্ষিক বৰ্ষত বিশ্বনাথ চাৰিআলি, ৰঙিয়া, পাঠশালা, দুধনৈ আৰু চতিয়াত ৫ খন আই টি আইৰ লগতে দিব্যাংগসকলৰ বাবে এখন বিশেষ আই টি আই কাৰ্যক্ষম কৰি তোলা হৈছে। ৰাজ্যখনৰ বিভিন্ন নিয়োগ বিনিময় কেন্দ্ৰত আধাৰ আৰু আধাৰবিহীন উভয় ব্যৱস্থাৰে চাকৰি প্ৰত্যাশীসকলৰ আবেদন দাখিলৰ সুবিধা হোৱাকৈ এটা অনলাইন পঞ্জীয়ন প'ৰ্টেল আৰম্ভ কৰা হৈছে।

(৩৩৫) মই এই বিভাগৰ বাবে ২৩৭.৯১ কোটি টকাৰ আবণ্টন দিছো।

**সমাজ কল্যাণ বিভাগ**

***অন্ত্যোদয়ালৈ প্ৰত্যক্ষ লাভ হস্তান্তৰ***

(৩৩৬) অধ্যক্ষ মহোদয়, অংগনবাড়ী কেন্দ্ৰসমূহে গৰ্ভৱতী মহিলা আৰু

কেচুৱাক স্তনপান কৰোৱা মাতৃৰ পুষ্টি আৰু স্বাস্থ্যৰ যতন লোৱাত এক মূল ভূমিকা গ্ৰহণ কৰি আছে।

(৩৩৭) মহিলাৰ সৰ্বাংগীন উন্নয়নৰ লক্ষ্যৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰি থকা হৈছে। কিশোৰীসকলৰ বাবে লোৱা আঁচনিৰ অধীনত প্ৰায় ৭০,০০০ গৰাকী কিশোৰী উপকৃত হৈছে। 'প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা'ৰ অধীনত প্ৰায় ৭ লাখ গৰাকী মহিলাক সামৰি লোৱা হৈছে। এয়াও উল্লেখনীয় যে মহিলাসকলৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ উদ্দেশ্যে এক মহিলা হেল্পলাইন ১৮১ কাৰ্যক্ষম কৰি তোলা হৈছে।

(৩৩৮) দীনদয়াল দিব্যাংগ পেঞ্চন আঁচনিৰ অধীনত নিৰ্দিষ্ট কৰা শাৰীৰিক অক্ষমতাৰ ৪০ শতাংশ বা তাতকৈ অধিক বিশেষভাৱে সক্ষম দিব্যাংগসকলক প্ৰতিমাহে ১০০০ টকাকৈ সাহায্য আগবঢ়োৱা হয়। এতিয়ালৈকে প্ৰায় এক লাখ গৰাকী দিব্যাংগ উপকৃত হৈছে। এই বিত্তীয় বৰ্ষত এইখন আঁচনি চলাই নিয়াৰ বাবে আমি প্ৰস্তাৱ আগবঢ়ালো।

(৩৩৯) অধ্যক্ষ মহোদয়, সেইবাবে মই ২০৩৯.৪৪ কোটি টকা বাজেটত ধাৰ্য কৰাৰ প্ৰস্তাৱ আগবঢ়ালো।

**ভূমি সংৰক্ষণ বিভাগ**

***মাইক্ৰ'বায়টা সংৰক্ষণ***

(৩৪০) অধ্যক্ষ মহোদয়, ভূমিৰ উৰ্বৰা শক্তিৰ হ্ৰাসে মানৱ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায় আৰু জীৱন ধৰণৰ লগতে মানৱ জাতিৰ বিকাশৰ বাবে মাইক্ৰবায়টাৰ সৈতে ভূমিৰ সংৰক্ষণ অতিশয় প্ৰয়োজনীয়। ভূমি, জল আৰু ইয়াৰ উদ্ভিদৰাজিৰ সংৰক্ষণৰ ক্ষেত্ৰত ভূমি সংৰক্ষণ বিভাগে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

(৩৪১) প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা (পি এম কে এছ ৱাই)ৰ অধীনত এই বিভাগে ২৮০টা ৱাটাৰশ্বেড প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিছে। বিভাগটোৱে ২৫০০ হেক্টৰ ভূমি উদ্যান শস্য আৰু বনানীকৰণৰ আওঁতালৈ আনিছে।

(৩৪২) হঠাৎ অহা বান সঘনাই হৈ থকাৰ ফলত বিশেষকৈ নগৰীয় অঞ্চলসমূহত যথেষ্ট পৰিমাণে ক্ষতিসাধন হোৱা পৰিলক্ষিত হয়। এই দুৰ্যোগ প্ৰতিৰোধ কৰিবলৈ গুৱাহাটীৰ কাহিলিপাৰা পাহাৰৰ চাব-ৱাটাৰ শ্বেডত 'মিটিগেশ্বন অব্ ফ্লেছ ফ্লাড থ্ৰু ইক'লজিকেল মেনেজমেন্ট প্ৰেক্টিছেছ' নামৰ এখন নতুন আঁচনি গ্ৰহণ কৰা হৈছে।

(৩৪৩) অধ্যক্ষ মহোদয়, সেইবাবে মই ১৩১.০৫ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ আগবঢ়ালো।

**ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ**

***শ্ৰেষ্ঠতৰ ভৱিষ্যতৰ বাবে সুস্থ-সবল অসম***

(৩৪৪) অধ্যক্ষ মহোদয়, উঠি অহা প্ৰজন্মক শক্তিশালী, স্বাস্থ্যবান আৰু নিয়মানুৱৰ্ত্তী কৰি গঢ়ি তোলাৰ উদ্দেশ্যে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই বিশেষ বৰ্ষত এই বিভাগৰ বিশেষ কৃতিত্ব হ'ল, অসমে দেশৰ বাবে অলিম্পিক পদক জয় কৰি ভাৰতক গৌৰৱান্বিত কৰা। উঠি অহা প্ৰজন্মক উৎসাহিত কৰাৰ বাবে আমি লাভলীনা বৰগোঁহাইক ধন্যবাদ জনাইছো।

(৩৪৫) উঠি অহা প্ৰজন্মক বাবে ক্ৰীড়াৰ ক্ষেত্ৰত উৎসাহ যোগাবলৈ গাঁও পঞ্চায়ত, ব্লক আৰু জিলা পৰ্যায়ত 'গ্ৰাছৰুট অলিম্পিক' অভিযানৰ পৰিকল্পনা কৰা হৈছে। লাভলীনা বৰগোঁহাইলৈ অৰ্জুন বঁটা প্ৰদান কৰাৰ দিনা অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে গোলাঘাটৰ সৰুপথাৰত এন.আই.ডি.এ. ৰ দ্বাৰা ৰূপায়িত হ'বলগীয়া লাভলীনা বক্সিং একাডেমী তথা ক্ৰীড়া কেন্দ্ৰ নিৰ্মাণৰ বাবে আঁচনি ঘোষণা কৰিছিল।

(৩৪৬) খেল' ইণ্ডিয়া ৰাজ্যিক উৎকৰ্ষ সাধন কেন্দ্ৰ ৰূপায়ণৰ বাবে বিভাগ আৰু ভাৰতৰ ক্ৰীড়া প্ৰাধিকৰণৰ মাজত এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে। এই কেন্দ্ৰটো স্থাপনৰ বাবে লোৱা প্ৰচেষ্টাৰ বাবে মই ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰালয়ক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো।

(৩৪৭) অধ্যক্ষ মহোদয়, ইয়াৰ বাবে মই বাজেটত ২২৬.৬০ টকা ধাৰ্য কৰিছো।

**চাহ জনজাতি বিভাগ**

***অসমৰ গৌৰৱ***

(৩৪৮) অধ্যক্ষ মহোদয়, অসমৰ চাহ শ্ৰমিকসকলে ৰাজ্যখনৰ সামাজিক আৰু অৰ্থনৈতিক সমৃদ্ধিৰ বাবে প্ৰভুত বৰঙণি আগবঢ়াই আহিছে আৰু তেওঁলোকে ৰাজ্যখনক এটা সুকীয়া পৰিচয় প্ৰদান কৰিছে। তেওঁলোকৰ কল্যাণৰ বিষয়টো যে উচ্চ অগ্ৰাধিকাৰৰ বিষয়, এইটো চৰকাৰে হৃদয়ংগম কৰিব পাৰিছে। শ্বহীদ দয়াল দাস পানিকা স্ব-নিয়োজন আঁচনিৰ অধীনত চাহ জনজাতি সম্প্ৰদায়ৰ ১৫,০০০ শিক্ষিত স্ব-নিয়োজিত যুৱকক ২৫,০০০ টকাকৈ আৰ্থিক অনুদান আগবঢ়োৱা হৈছে। ৰাজ্যখনৰ ৭৫ খন চাহ বাগিচাৰ প্ৰতিখনতে একোটিকৈ ১৫ লাখ টকা ব্যয় সাপেক্ষ ৰংগমঞ্চ নিৰ্মাণৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি চাহ জনজাতি সম্প্ৰদায়ৰ সৰ্বাংগীন উন্নয়নৰ বাবে বিত্তীয় অনুদান আৰু বৃত্তি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

(৩৪৯) মই এই বিভাগৰ বাবে ৩০১.৭০ কোটি টকাৰ আবণ্টন দিছো।

**পৰ্যটন বিভাগ**

***অতুলনীয় অসম***

(৩৫০) অধ্যক্ষ মহোদয়, মই নিশ্চিত যে আপোনালোকে 'অতুলনীয় অসম'ৰ লগ'টো বিভিন্ন স্থানত সঘনাই প্ৰত্যক্ষ কৰে আৰু তাৰ বাবে গৌৰৱ আৰু সন্তুষ্টি অনুভৱ কৰে। প্ৰাকৃতিক আৰু সাংস্কৃতিক সম্পদৰ বাবে অসম জনাজাত আৰু এই সম্পদবোৰৰ কাৰণেই প্ৰতি বৰ্ষতে বৃহৎ সংখ্যক পৰ্যটক ৰাজ্যখনলৈ আকৰ্ষিত হয়, যি আমাৰ পৰ্যটনৰ ক্ষেত্ৰখনৰ বাবে যথেষ্ঠ উৎসাহজনক। অৱশ্যে, বাৰে বাৰে হোৱা ক'ভিড-১৯ মহামাৰীৰ ফলস্বৰূপে বিগত দুটা বৰ্ষত উদ্যোগটোৱে যথেষ্ঠ ক্ষতিৰ সন্মুখীন হৈছে। সেইবাবে এই বিভাগটোৱে 'সঞ্জীৱনী'

আঁচনিৰ অধীনত ১১৪ গৰাকী পঞ্জীভূক্ত টুৰ অ'পাৰেটৰ আৰু ৬০০ গৰাকী টুৰিষ্ট গাইডৰ বাবে এককালীন অনুদান মোকলাই দিছে।

(৩৫১) 'আমাৰ আলহী' আঁচনিৰ অধীনত সমগ্ৰ ৰাজ্যজুৰি ৬০ টাতকৈ অধিক হোম্‌ষ্টে কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু এই কেন্দ্ৰসমূহ পৰ্যটকসকলৰ মাজত যথেষ্ট জনপ্ৰিয় হৈ পৰিছে।

(৩৫২) অধ্যক্ষ মহোদয়, বিষয়বস্তু (থিম্) ভিত্তিক পৰ্যটন হ'ল এই ক্ষেত্ৰখনৰ ভৱিষ্যত। সেইমতে বিভাগটোৱে কেতবোৰ নিৰ্দিষ্ট বিষয়বস্তু যেনে— চাহ আৰু গল্‌ফ পৰ্যটন, নদী পৰ্যটন, ধৰ্মীয় পৰ্যটন আদি চিনাক্ত কৰিছে।

(৩৫৩) মই এই বিভাগৰ বাবে ১১৩.০৯ কোটি টকা ধাৰ্য কৰিছো।

**ৰূপান্তৰ আৰু উন্নয়ন বিভাগ**

***বহনক্ষম উন্নয়ন লক্ষ্যপ্ৰাপ্তি নিশ্চিতকৰণ***

(৩৫৪) অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ বাবে বৃহৎ সংখ্যক গুৰুত্বপূৰ্ণ চৰকাৰী আঁচনিৰ সামগ্ৰিক নিৰীক্ষণ আৰু সমন্বয়ৰ বাবে এই বিভাগটোৱে কাম কৰি আছে।

(৩৫৫) বিভিন্ন সূচকত পিছপৰি থকা জিলাসমূহৰ সৰ্বাঙ্গীন বিকাশৰ বাবে মাননীয় প্ৰধানমন্ত্ৰীয়ে 'অভিলাষী জিলা ৰূপান্তৰকাৰী কাৰ্যসূচী'ৰ আৰম্ভ কৰিছিল। অসমৰ ৭ খন জিলা যেনে— বৰপেটা, বাক্সা, দৰং, ধুবুৰী, গোৱালপাৰা, হাইলাকান্দি আৰু ওদালগুৰি এই কাৰ্যসূচীৰ বাবে নিৰ্বাচিত হৈছে।

(৩৫৬) স্থানীয় আন্তঃগাঁথনিৰ প্ৰয়োজনীয় সা-সুবিধাসমূহ পৰিপূৰ্ণ কৰাৰ ক্ষেত্ৰত 'আনটাইড' পুঁজিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ২০২২-২৩ বৰ্ষত ইয়াৰ বাবে ১০০ কোটি টকাৰ ব্যৱস্থাপনা কৰা হৈছে।

(৩৫৭) ২০৩০ বৰ্ষলৈ ৰাজ্যখনে বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহত উপনীত হোৱাৰ লক্ষ্যৰ ক্ষেত্ৰতো এই বিভাগটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। এই লক্ষ্যসমূহৰ নিৰীক্ষণ আৰু ৰূপায়ণৰ বাবে এটা

বিশেষজ্ঞ দলৰো পৰিকল্পনা কৰি থকা হৈছে।

(৩৫৮) ‘পি এম গতি শক্তি’ৰ ওপৰত এই বৰ্ষত প্ৰদান কৰা গুৰুত্বৰ ফলস্বৰূপে অনাগত বৰ্ষসমূহত এই বিভাগটোৰ ভূমিকা বহুগুণে বৃদ্ধি পাব বুলি ভাবিব পাৰি।

(৩৫৯) সেইবাবে বিভাগটোৰ বাবে মই ৮৬৩.৯৩ কোটি টকা ধাৰ্য কৰিলো।

**পৰিবহণ বিভাগ**

***গতিশক্তিৰ সপোনৰ বাস্তৱ ৰূপ***

(৩৬০) অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যোৱা ৩১ ডিচেম্বৰৰ মাজনিশা গুৱাহাটীৰ ৰাজপথত সুৰাপান কৰি যান-বাহন নচলাবলৈ জনসাধাৰণক অনুৰোধ জনাই থকাৰ দৃশ্য সঁচাকৈ হৃদয়স্পৰ্শী। মাননীয় মুখ্যমন্ত্ৰীৰ এই পদক্ষেপৰ বাবে সেই দিনটোত এটাও দুৰ্ঘটনা সংঘটিত হোৱা নাছিল।

(৩৬১) এই বিভাগে ন শিকাৰুক যান-বাহন চালনৰ অনুজ্ঞাপত্ৰ প্ৰদান আৰু অনুজ্ঞাপত্ৰ নৱীকৰণৰ ক্ষেত্ৰত চৰকাৰী ব্যৱস্থাৰ ব্যাপক পৰিৱৰ্তনৰে এক নতুন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰত্যক্ষ যোগাযোগ ব্যৱস্থাহীন আধাৰভিত্তিক এই সেৱাৰ জৰিয়তে ইতিমধ্যে ৪ লাখতকৈ অধিক হিতাধিকাৰী উপকৃত হৈছে। পথ সুৰক্ষা আমাৰ চৰকাৰৰ উচ্চ অগ্ৰাধিকাৰৰ বিষয়। পৰিবহণ বিভাগে সমগ্ৰ ৰাজ্যতে দ্ৰুতগতিত যান-বাহনৰ চলাচল ৰোধ কৰাৰ উদ্দেশ্যে ইলেক্ট্ৰনিক নিৰীক্ষণ আৰু বলৱৎকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

(৩৬২) প্ৰদূষণমুক্ত অসম গঢ়ি তোলাৰ লক্ষ্যৰে অসম ৰাজ্যিক পৰিবহণ নিগমে FAME-I আৰু II পদক্ষেপ গ্ৰহণ কৰিছে। ২০০ খন অতিৰিক্ত ইলেক্ট্ৰিক বাছ আৰু ২০ টা চাৰ্জিং ষ্টেচন শীঘ্ৰে পথত দেখিবলৈ পোৱা যাব বুলি আশা কৰা হৈছে। গুৱাহাটীত মহিলা আৰু বয়োজ্যেষ্ঠসকলক বিনামূলীয়া পৰিবহণ সেৱা প্ৰদানৰ উদ্দেশ্যে ভ্ৰমণ সাৰথি নামৰ এখন উল্লেখনীয় আঁচনি গ্ৰহণ কৰা হৈছে, যাৰ

অধীনত ২৫ খন গোলাপী ৰঙৰ বাছ মহানগৰীত চলাচলৰ ব্যৱস্থা কৰা হৈছে। ‘উবেৰাইজেছন’ আঁচনিৰ অধীনত চৰকাৰে যুৱ উদ্যোগী, ক্ষুদ্র ব্যৱসায়ী আৰু আত্মসহায়ক গোটসমূহক বাছ ক্রয়ৰ ক্ষেত্রত সাহায্য প্রদানৰ উদ্দেশ্যে ২৫ শতাংশ প্রাৰম্ভিক পুঁজিৰ যোগান ধৰি আছে।

(৩৬৩) অসম ৰাজ্যিক পৰিবহণ নিগমৰ পৰিকাঠামো সলনি কৰাৰ প্রচেষ্টাৰ অংশ হিচাপে নিগমৰ কর্মচাৰীসকলক স্বেচ্ছামূলক অৱসৰৰ প্রস্তাৱ আগবঢ়াইছে আৰু ব্যক্তিগত অংশীদাৰিত্বক আকর্ষিত কৰি ইয়াৰ ভূমিকা সলনিৰ পদক্ষেপ গ্রহণ কৰিছে।

(৩৬৪) আভ্যন্তৰীণ জল পৰিবহণ এই বিভাগৰ এটা প্রধান অংশ আৰু এইক্ষেত্রত অগ্রাধিকাৰ দিবলগীয়া বহু বিষয় আছে। ‘জীৱন ডিঙা’ আঁচনিৰ অধীনত ব্যক্তিগত ফেৰী সেৱাক উৎসাহিত কৰাৰ উদ্দেশ্যে হস্তচালিত নাওবোৰক ইঞ্জিনযুক্ত নাৱলৈ উন্নীত কৰাৰ ব্যৱস্থা কৰা হৈছে। মাজুলী আৰু গুৱাহাটীত ফেৰী সেৱাৰ ক্ষেত্রত ই-টিকেটিঙৰ ব্যৱস্থা কৰা হৈছে।

(৩৬৫) মই এই বিভাগৰ বাবে ৫৫৩.৮৮ কোটি টকাৰ প্রস্তাৱ ৰাখিছো।

**জলসম্পদ বিভাগ**

(৩৬৬) মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখন চহকী নদী সম্পদেৰে সমৃদ্ধ। মহাবাহু ব্রহ্মপুত্রই ইয়াৰ অসংখ্য উপনৈৰ সৈতে ৰাজ্যখনৰ পূবৰ পৰা পশ্চিমলৈ বিস্তীর্ণ এলেকাজুৰি বৈ আছে। নৈসম্পৰ্কীয় বিভিন্ন দিশ আৰু বান নিয়ন্ত্রণৰ কাম-কাজ চোৱাচিতা কৰাৰ ক্ষেত্রত এই বিভাগটো হৈছে এটা ন’ডেল বিভাগ।

(৩৬৭) এই বিভাগে বিগত পাঁচ বছৰত নাবার্ডৰ অধীনত ২০০ খনতকৈ অধিক আঁচনি ৰূপায়ণৰ কাম হাতত লৈছে। এই আঁচনিসমূহৰ জৰিয়তে প্রায় ৭০০ কোটি টকা ব্যয়ত বান, গৰাখহনীয়া ব্যৱস্থাপনা আৰু আন্তঃগাঁথনিগত উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। Assam

Integrated River Basin Management Project ৰ অধীনত ভাৰত চৰকাৰ আৰু বিশ্ববেংকৰ সাহায্যৰে ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ অগ্ৰাধিকাৰপ্ৰাপ্ত আৰু চিনাক্ত কৰা উপনৈসমূহৰ ‘ৰিভাৰ বেচিন’ পৰিকল্পনাৰ বাবে ৯০০ কোটি টকা ব্যৱহাৰ কৰা হ’ব। এছীয় উন্নয়নী বেংক (ADB)ৰ উদ্যোগত ৩,৬০০ কোটি টকাৰ প্ৰকল্প ব্যয়েৰে ১০ বছৰৰ বাবে Brahmaputra Flood and River Bank Erosion Risk Management Project ৰ কাম হাতত লোৱা হৈছে। গাঁথনিগত পদক্ষেপৰ জৰিয়তে ব্ৰহ্মপুত্ৰৰ মুখ্যধাৰাৰ সুস্থিৰকৰণৰ ওপৰত এই প্ৰকল্পই গুৰুত্ব আৰোপ কৰিছে। এই বিত্তীয় বৰ্ষত এই বিভাগে NIDA ৰ পৰা লাভ কৰা আংশিক বৰঙণিৰে ১০০০ কোটি টকাৰ প্ৰকল্প ৰূপায়ণ কৰিব।

(৩৬৮) এই বিভাগৰ বাবে মই ১২৮২.৬১ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

**বড়োলেণ্ড কল্যাণ বিভাগ**

***স্বায়ত্তশাসনৰ প্ৰতি সন্মান প্ৰদৰ্শন***

(৩৬৯) অধ্যক্ষ মহোদয়, আই আই টি আৰু এন আই টিত অভিযান্ত্ৰিক ডিগ্ৰীৰ পাঠ্যক্ৰম অধ্যায়ন কৰিবলৈ বিচৰা বি টি আৰ (BTR)ৰ ৫০ গৰাকী প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীক আৱাসিক প্ৰশিক্ষণ প্ৰদান কৰিবলৈ এই বিভাগে প্ৰস্তাৱ গ্ৰহণ কৰিছে। ‘দুগ্ধধাৰা’ অভিযানৰ অধীনত জীৱিকা উন্নীতকৰণৰ বাবে কৃষক সমবায়সমূহক প্ৰতিদিনে ১২ ৰ পৰা ১৩ লিটাৰ গাখীৰ দিয়া ক্ৰছ-ব্ৰীড গাই গৰু প্ৰদান কৰা হ’ব। পৰিষদীয় অঞ্চলৰ সামগ্ৰিক উন্নয়ন নিশ্চিত কৰা অন্যান্য কাৰ্যকলাপসমূহৰ উপৰিও এই বিভাগে খণ্ড পৰ্যায়ত হস্ততাঁত ক্লাষ্টাৰ নিৰ্মাণ কৰাৰ লগতে ‘বড়োলেণ্ড হস্ততাঁত অভিযান’ আৰম্ভ কৰাৰ লক্ষ্য স্থিৰ কৰিছে যাতে শিপিনীসকলৰ বাবে নিয়মীয়া উপাৰ্জনৰ পথ প্ৰশস্ত কৰিব পৰা যায়।

(৩৭০) মই ইয়াৰ বাবে ৩৫১২.২৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ**

***সৰ্বাংগীণ উন্নয়নৰ দিশত***

(৩৭১) মাননীয় অধ্যক্ষ মহোদয়, এই বিভাগৰ উদ্দেশ্য হৈছে বিভিন্ন ধৰ্মীয় তথা ভাষিক সংখ্যালঘু আৰু চৰ-চাপৰি এলেকাত বসবাস কৰা লোকসকলৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি যুগুত কৰা আৰু ইয়াক কাৰ্যকৰী কৰা।

(৩৭২) ৰাজ্যখনৰ খিলঞ্জীয়া অসমীয়া মুছলমান সম্প্ৰদায়ৰ সৰ্বাংগীণ বিকাশৰ কথা মনত ৰাখি এই চৰকাৰে 'আলাপ-আলোচনা' নামৰ এক নতুন পদক্ষেপ হাতত লৈছে। ইয়াৰ জৰিয়তে এই সম্প্ৰদায়ৰ বুদ্ধিজীৱী আৰু নেতৃস্থানীয় ব্যক্তিসকলক তেওঁলোকে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰিবলৈ তেওঁলোকক একেখন মঞ্চতে অনা হৈছে।

(৩৭৩) এই বিভাগে প্ৰাক প্ৰৱেশিকা, প্ৰৱেশিকোত্তৰ আৰু মেধাভিত্তিক জলপানিও প্ৰদান কৰি আছে। সকলো পৰ্যায়তে উন্নত সেৱা প্ৰদান তথা স্বচ্ছতা সুনিশ্চিত কৰিবলৈ নতুন তথ্য প্ৰযুক্তি সম্পৰ্কীয় পদক্ষেপ হাতত লৈছে।

(৩৭৪) এই বিভাগৰ বাবে মই ১৮৪.৭১ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

**ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগ**

***প্ৰাপ্য অংশ প্ৰদানৰ প্ৰয়াস***

(৩৭৫) মাননীয় অধ্যক্ষ মহোদয়, নিৰ্দেশাত্মক নীতিসমূহে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ শৈক্ষিক তথা অৰ্থনৈতিক স্বাৰ্থ অটুট ৰাখিবলৈ আৰু লগতে তেওঁলোকক সামাজিক অন্যায় তথা সকলোধৰণৰ শোষণৰ পৰা সুৰক্ষা প্ৰদান কৰিবলৈ ৰাষ্ট্ৰৰ ওপৰত দায়িত্ব ন্যস্ত কৰিছে। এই লক্ষ্যৰে বিভাগে ৰাজ্যখনৰ পিছপৰা শ্ৰেণীসমূহৰ সামগ্ৰিক বিকাশ সুনিশ্চিত কৰাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে।

(৩৭৬) ১০ খন বিধিসন্মত স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত বিভিন্ন নৃ-গোষ্ঠীয় সম্প্ৰদায়ৰ বিশেষ উন্নয়নৰ বাবে এই বিত্তীয় বৰ্ষত ২৬০ কোটি টকা আবণ্টন দিয়া হৈছে। ৰাজ্যখনৰ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে এই বিভাগে এককালীন বিশেষ পেকেজ আগবঢ়োৱাৰ প্ৰস্তাৱ লৈছে। ২০২১-২২ বৰ্ষত অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ এক লাখতকৈ অধিক হিতাধিকাৰীলৈ প্ৰাক্-প্ৰৱেশিকা আৰু প্ৰৱেশিকোত্তৰ জলপানি প্ৰদান কৰা হৈছে। এই বিভাগে অসবৰ্ণ বিবাহৰ ক্ষেত্ৰত প্ৰতিটো বিবাহিত দম্পতীলৈ ৫০,০০০ টকাৰ বিত্তীয় উদ্‌গনি আগবঢ়াইছে।

(৩৭৭) মহাশয়, এনে পদক্ষেপসমূহ পৰৱৰ্তী বৰ্ষতো অব্যাহত থাকিব আৰু ইয়াৰ বাবে ৯৪৩.১৯ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

## অংশ- II

(১) মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে ৰাজহ খণ্ডৰ ৰূপান্তৰৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিছে। ৰাজ্যখনৰ ৰাজহ সংগ্ৰহ ব্যৱস্থাটো ঈৰ্ষণীয় পৰ্যায়লৈ লৈ যোৱাৰ ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বই আমাক সক্ষম কৰি তুলিছে।

(২) মই এতিয়া আমাৰ চৰকাৰৰ কেতবোৰ সফলতাৰ কথা উল্লেখ কৰিব বিচাৰিছো আৰু লগতে অনাগত বৰ্ষৰ বাবে প্ৰস্তাৱ কৰা কিছুসংখ্যক পদক্ষেপৰ বিষয়ে উল্লেখ কৰিব বিচৰিছো।

**বাণিজ্যিক কৰ**

(৩) মাননীয় অধ্যক্ষ মহোদয়, চলিত বিত্তীয় বৰ্ষত ক'ভিড-১৯ ৰ দ্বিতীয় আৰু তৃতীয় ঢৌ সত্বেও কৰ বিভাগে পূৰ্বৰ বিত্তীয় বৰ্ষ ২০২০-২১ ত (ফেব্ৰুৱাৰী, ২০২১ লৈ) ১২,১০১ কোটি টকা সংগ্ৰহৰ তুলনাত চলিত বিত্তীয় বৰ্ষ ২০২১-২২ ত (ফেব্ৰুৱাৰী, ২০২২ লৈ) ১৪,৪৭০ কোটি টকা সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে।

(৪) আমাৰ চৰকাৰে উল্লেখনীয় এলানি পদক্ষেপ গ্ৰহণ কৰিছে -

- আমাৰ চৰকাৰে প্ৰতি লিটাৰ ডিজেল আৰু পেট্ৰ'লৰ বিপৰীতে বৰ্তমানৰ পাঁচ টকা ৰেহাইৰ উপৰি ২০২১ চনৰ নৱেম্বৰৰ পৰা সাত টকা মূল্য সংযোজিত কৰ হ্ৰাস কৰিছে।
- ক'ভিডৰ বহুতো অত্যাৱশ্যকীয় ঔষধ আৰু অন্যান্য ক'ভিড সম্পৰ্কিত চিকিৎসাৰ সা-সজুঁলিৰ ওপৰত সামগ্ৰী আৰু সেৱা কৰ সম্পূৰ্ণৰূপে ৰেহাই দিয়া হৈছে বা হ্ৰাস কৰা হৈছে।
- নতুন যোগ্য ঔদ্যোগিক গোটসমূহলৈ ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ পৰিশোধৰ বাবে অসম চৰকাৰে অসম উদ্যোগ (যোগ্য গোটসমূহৰ বাবে

ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ পৰিশোধ) আঁচনি, ২০২১ খন অধিসূচিত কৰিছে, যিয়ে বৃহৎ সংখ্যক লোকক জীৱিকাৰ সুবিধা আগবঢ়াইছে।

- যোৰহাট আৰু মাজুলীৰ মাজৰ দলং প্ৰকল্পক সাহায্য আগবঢ়াবলৈ আমাৰ চৰকাৰে এখন আঁচনিত অনুমোদন দিছে, যাতে এই দলং নিৰ্মাণৰ বাবে প্ৰদান কৰা ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ পৰিশোধ কৰিব পাৰে।
- মাননীয়া কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমণে অনা-সামগ্ৰী আৰু সেৱা কৰৰ বাবে ATReMS (অসম কৰ ৰাজহ পৰিচালনা ব্যৱস্থা) নামৰ এটা নতুন ছফট্‌ৱেৰ মুকলি কৰিছে। ইয়াৰ দ্বাৰা কৰদাতাসকলে তেওঁলোকৰ ব্যৱসায়িক কাৰ্যপ্ৰণালী বৈদ্যুতিন ধৰণেৰে কৰিবলৈ সক্ষম হ'ব।
- বকেয়া ধন প্ৰদান কৰিবলৈ এখন ঋণ পৰিশোধ আঁচনি অনাৰ বাবে বিধানসভাৰ চলিত অধিৱেশনত আমাৰ চৰকাৰে অসম কৰাৰোপণ (বকেয়া ধনৰ ঋণ পৰিশোধ) (সংশোধন) বিধেয়ক, ২০২২ খন উত্থাপন কৰিব।
- মহাশয়, আমাৰ ৰাজ্যখনৰ জনসাধাৰণৰ এক বৃহৎ অংশৰ জীৱিকাৰ উৎস হ'ল আমাৰ চাহ উদ্যোগ। চাহ উদ্যোগক দুৰ্বল কৰা সমস্যাসমূহৰ কথা বিবেচনা কৰি আমি ২০১৯ চনৰ ১ জানুৱাৰীৰ পৰা ২০২১ চনৰ ডিচেম্বৰ মাহলৈকে ৩ বছৰৰ বাবে সেউজীয়া চাহপাতৰ ওপৰত থকা শুল্ক ৰেহাইৰ ব্যৱস্থা কৰিছিলো, এতিয়া আমি ২০২২ চনৰ ১ জানুৱাৰীৰ পৰা পুনৰ ৩ বছৰৰ বাবে এই ৰেহাইৰ ব্যৱস্থা সম্প্ৰসাৰণ কৰাৰ প্ৰস্তাৱ কৰিছো।

**আবকাৰী**

(৫) আমি গ্ৰহণ কৰা এলানি পদক্ষেপৰ জৰিয়তে ২০২২-২৩ বিত্তীয় বৰ্ষত ৫০০ কোটি টকাৰ অতিৰিক্ত লক্ষ্যৰে মুঠ ২৫০০ কোটি টকা আবকাৰী ৰাজহ হিচাপে সংগ্ৰহ কৰিবলৈ বিচাৰিছো। আবকাৰী ৰাজহ সংগ্ৰহৰ বাবে হাতত লোৱা এই পদক্ষেপসমূহ হ'ল - সকলোধৰণৰ সুৰাৰ বাবে আবকাৰী শুল্কৰ পুনৰ্বিন্যাস, নগৰীয়া অঞ্চলৰ বাবে অনুজ্ঞাপত্ৰ মাচুলৰ সংশোধন, সীমান্তৰ চোৰাং বেহা ৰোধ কৰাৰ অৰ্থে আইনৰ কঠোৰ বলৱৎকৰণসহ প্ৰযুক্তি চালিত track and trace পদক্ষেপ গ্ৰহণ।

**ৰাজহ**

(৬) আমাৰ চৰকাৰে ৰাজহ বিভাগৰ অধীনত ধন প্ৰদান ব্যৱস্থাটো ডিজিটাইজ কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তদুপৰি, তথ্য-প্ৰযুক্তি ব্যৱস্থা ব্যৱহাৰ কৰি Scientific Land Classification and Zonal Valuation ৰূপায়ণৰ দ্বাৰা ৰাজহ সংগ্ৰহৰ পৰিমাণ বৃদ্ধি কৰিবলৈ Assam Society for Comprehensive Financial Management Systemৰ অধীনত এক বিস্তৃত অধ্যয়ন চলোৱা হৈছে। পৰৱৰ্তী বিত্তীয় বৰ্ষত এই অধ্যয়নৰ পৰা উপলব্ধ তথ্যৰ ভিত্তিত আমি এটা পাইলট প্ৰকল্প ৰূপায়ণ কৰিম।

(৭) অনলাইনযোগে নথি-পত্ৰ পঞ্জীয়ন, অনলাইনযোগে সম্পত্তিৰ মূল্য নিৰূপন, পঞ্জীয়ন মাচুলৰ হিচাপ আৰু প্ৰদান, অনলাইনযোগে ষ্টাম্প শুল্ক প্ৰদান, এছ আৰ অ' সহ সংগ্ৰহ অনলাইন পঞ্জীয়নৰ বাবে National Generic Document Registration Systemৰ অধীনত এক নাগৰিককেন্দ্ৰিক ছফ্‌ট্‌ৱেৰ বিকশাই তোলা হ'ব। এই ব্যৱস্থাৰাজি কামৰূপ আৰু দৰং জিলাত, আৰু পৰৱৰ্তী সময়ত সমগ্ৰ ৰাজ্যখনতে পাইলট ম'ড হিচাপে প্ৰৱৰ্তন কৰা হ'ব।

**বন**

(৮) Assam Minor Mineral Concession (Amendment) Rules, ২০২১ ৰূপায়ণৰ জৰিয়তে ৰাজ্যখনৰ প্ৰাকৃতিক জান-জুৰিসমূহৰ বহনক্ষম সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাজ্যৰ ৰাজকোষলৈ বন খণ্ডৰ বৰঙণি বৃদ্ধি কৰিবলৈ আমাৰ চৰকাৰখন প্ৰতিশ্ৰুতিবদ্ধ। আন ১০০ টা শিল বালিৰ মহলক কাৰ্যক্ষম কৰি তোলা ৰাষ্ট্ৰীয় উদ্যান, বন্য প্ৰাণী অভয়াৰণ্য, সামাজিক বনানীকৰণ উদ্যানৰ দ্বাৰা সংগৃহীত বিভিন্ন প্ৰৱেশ মাচুল আদিৰ লগতে বনজ উৎপাদনৰ ৰয়েল্টীৰ হাৰৰ উৰ্ধ্বমুখী সংশোধন আৰু যুক্তিযুক্তকৰণ সন্দৰ্ভত আমি কাম কৰি আছো। সমগ্ৰ ৰাজ্যতে নতুন

কাঠ ভিত্তিক ঔদ্যোগিক পামৰ ঘোষণাৰ জৰিয়তে সঠিক পৰিৱেশতন্ত্ৰ গঢ়ি অগৰু কাঠ ভিত্তিক উদ্যোগসমূহক বিধিসন্মত আৰু পুনৰুজ্জীৱিত কৰাৰ সকলো পদক্ষেপ ল'বলৈ আমাৰ চৰকাৰখন প্ৰতিশ্ৰুতিবদ্ধ।

**পৰিবহণ - সেউজ কৰ**

(৯) পাৰিপাৰ্শ্বিক প্ৰতিকাৰ ভৰণি সৃষ্টি কৰাৰ উদ্দেশ্যে পুৰণি বাহন ব্যৱহাৰ কৰি থকাৰ পৰা জনসাধাৰণক অনুৎসাহিত কৰিবলৈ আমি তেনে বাহনৰ ওপৰত এক 'সেউজ কৰ' আৰোপ কৰিম, যিহেতু এই পুৰণি বাহনসমূহ পৰিৱেশৰ বাবে ক্ষতিকাৰক। প্ৰদূষণ সৃষ্টিকাৰীসকলে প্ৰদূষণৰ মূল্য ভৰিবলগীয়া হোৱাটো নিশ্চিত কৰি প্ৰদূষণ হ্ৰাস কৰাৰ দ্বাৰা 'সেউজ কৰে' সমাজৰ সামগ্ৰিক কল্যাণ বৃদ্ধি কৰে। বায়ু প্ৰদূষণৰ মোকাবিলা কৰিবলৈ ব্যৱস্থাৱলী ৰূপায়ণৰ বাবে তেনে কৰৰ পৰা আহৰণ কৰা ৰাজহ ব্যৱহাৰ কৰিবলৈ আমি প্ৰস্তাৱ লৈছো।

(১০) পৰিবহণ বিভাগৰ দ্বাৰা সংগৃহীত যান-বাহন কৰ হ'ল ৰাজ্যখনৰ নিজা ৰাজহৰ প্ৰধান উৎসসমূহৰ ভিতৰত এটা। ৰাজ্যখনৰ বাসিন্দাসকলে তেওঁলোকৰ বাহনসমূহ চুবুৰীয়া ৰাজ্যসমূহত পঞ্জীয়ন কৰিলে আমাৰ ৰাজ্যৰ ৰাজকোষে যথেষ্ট ৰাজহ হেৰুৱাবলগীয়া হয়। সেয়েহে মই আমাৰ জনসাধাৰণক তেওঁলোকৰ বাহনসমূহ অসমৰ ভিতৰতে পঞ্জীয়ন কৰি ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি বৰঙণি আগবঢ়াবলৈ আহ্বান জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ সবল নেতৃত্বত অসমৰ জনসাধাৰণৰ ওপৰত কোনো ধৰণৰ অতিৰিক্ত কৰৰ বোজা আৰোপ নকৰাকৈয়ে বাৰ্ষিক বিত্তীয় প্ৰতিবেদনৰ চানেকী উপস্থাপন কৰা হৈছে। সেই অনুসৰি এই পৱিত্ৰ সদনৰ সন্মুখত মই বাজেট দাখিল কৰিছো।

# বাজেট প্ৰাক্কলন

২০২২-২৩ বৰ্ষৰ বাজেট প্ৰাক্কলনত ৰাজ্যখনৰ একত্ৰীকৃত নিধিত মুঠ ১১৯০২৭.৯৫ কোটি টকাৰ প্ৰাপ্তি প্ৰদৰ্শন কৰা হৈছে। ইয়াৰে ৯৬৩৭৪.৫৯ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ২৩৬৭৩.৭১ কোটি টকা মূলধন শিতানত। বিভিন্ন উৎসৰ পৰা অহা একত্ৰীকৃত নিধিৰ আনুমানিক প্ৰাপ্তিৰ হিচাপ মই তালিকা নং ১ত উল্লেখ কৰিছোঁ। ৰাজহুৱা শিতানত ১৬২৮৮৬.৮৩ কোটি টকা আৰু উপনিমিত্ত (Contingency) পুঁজিৰ অধীনত ২০০০ কোটি টকা যোগ হোৱাৰ পিছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হ'ব ২৮৩৯১৪.৭৮ কোটি টকা। ইয়াৰ বিপৰীতে ২০২২-২৩ বৰ্ষত ৰাজ্যখনৰ একত্ৰীকৃত নিধিৰ পৰা সৰ্বমুঠ ব্যয়ৰ পৰিমাণ ১১৯৫৫১.০৬ কোটি টকা বুলি অনুমান কৰা হৈছে; ইয়াৰে ৰাজহ শিতানত ৯৬৩৬৭.০৫ কোটি টকা আৰু মূলধন শিতানত ২৩১৮৪.০১ কোটি টকা। ২০২২-২৩ বৰ্ষত একত্ৰীকৃত নিধিৰ মঞ্জুৰি অনুযায়ী ব্যয়সমূহৰ প্ৰাক্কলন তালিকা নং ২ত দেখুওৱা হৈছে। ৰাজহুৱা শিতানত হোৱা ব্যয় ১৬৩৭৪৩.৫৮ কোটি টকা আৰু উপনিমিত্ত (Contingency) পুঁজিৰ অধীনত ২০০ কোটি টকাৰে বছৰটোৰ সৰ্বমুঠ প্ৰাক্কলিত ব্যয়ৰ পৰিমাণ হ'ব ২৮৩৪৯৪.৬৪ কোটি টকা। এইদৰে বছৰটোত হোৱা প্ৰাক্কলিত লেনদেনৰ বাবদ আনুমানিক ৪২০.১৪ কোটি টকা ৰাহি হ'ব। ইয়াৰ লগত বছৰটোৰ আৰম্ভণি ঘাটি ১০২০.৫০ কোটি টকাৰ হিচাপ মিলালে ২০২২-২৩ বৰ্ষৰ শেষলৈ বাজেট ঘাটিৰ পৰিমাণ ৬০০.৩৬ কোটি টকা হ'বগৈ।

অধ্যক্ষ মহোদয়,

অসমৰ ৰাইজৰ সৰ্বাংগীণ উন্নয়নেই আমাৰ লক্ষ্য আৰু উদ্দেশ্য। সাহিত্যৰথী বেজবৰুৱাই ‘বীণ বৰাগী’ কবিতাত কৈছিল—

গা বীণ গা অসম সংগীত
শুকানে মেলক কুঁহি

আশাবাদেই হৈছে আমাৰ জীৱনৰ পোহৰ। শেষত জ্যোতিপ্ৰসাদৰ ভাষাৰেই কওঁহক—

*জয় আলোকময়*
*অনাদি অনন্ত প্ৰসাৰি*
*বিশ্ব জীৱন জ্যোতি।*
*জয় জয় সুন্দৰ*
*সত্য সনাতন*
*চিৰ প্ৰশান্ত বিশ্বপতি।*
*কোটি বিশ্বব্যাপক*
*হে’ মহামনাধিপ*
*বিশ্ব জীৱন জ্যোতি*
*প্ৰণতি প্ৰণতি প্ৰণতি।*

**জয় হিন্দ**

**জয় আই অসম**

**ভাৰত মাতা কী জয়।**


Table- 1

## Estimated of Inflows into the Consolidated Fund of the State during 2022-23

(Rs. in Crore)

| Component | 2022-23 BE | % of Total against 2022-23 |
|---|---|---|
| State Tax Revenue | 22385.24 | 18.81 |
| Non-Tax Revenue | 6676.66 | 5.61 |
| Share of Central Taxes | 25544.80 | 21.46 |
| Centrally Sponsored Schemes | 30412.53 | 25.55 |
| Finance Commission Grants | 10515.33 | 8.83 |
| Other Transfer/Grants to States with Legislature | 4127.96 | 3.47 |
| Public Debt | 19353.59 | 16.26 |
| Recoveries of Loans & Advances | 11.84 | 0.01 |
| **Total** | **119027.95** | **100.00** |

### Where Rupee Comes From



তালিকা - ২

২০২১-২০২২ বৰ্ষত ৰাজ্যৰ একত্ৰীকৃত নিধি আৰু ৰাজহুৱা শিতানৰ পৰা হ'বলগীয়া মঞ্জুৰী অনুসৰি আনুমানিক বহিৰ্গমন

*(টকাৰ হিচাপত)*

| মঞ্জুৰী নং / | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য্য | মুঠ |
|---|---|---|---|---|---|
| C1 | লোকসেৱা আয়োগ | ৰাজহ | ০.০০ | ২৪৫৮০৭০০০.০০ | ২৪৫৮০৭০০০.০০ |
| C2 | ৰাজ্যিক মুৰব্বী | ৰাজহ | ০.০০ | ১০৬৩৮২০০০.০০ | ১০৬৩৮২০০০.০০ |
| C3 | উপানীমিত্ত পুঁজীলৈ বিনিয়োজন | মুলধন | ০.০০ | ১৮০০০০০০০০০.০০ | ১৮০০০০০০০০০.০০ |
| PD | ৰাজহুৱা ঋণ আৰু ঋণ সেৱা | ৰাজহ | ০.০০ | ৫৩৩৬৫০৪০০০.০০ | ৮৫৩৩৬৫০৪০০০.০০ |
| | | মুলধন | ০.০০ | ২৭২২৭৩৮০০০০.০০ | ২৭২২৭৩৮০০০০.০০ |
| ১ | ৰাজ্যিক বিধানমণ্ডল | ৰাজহ | ১০২৮৭৯২০০০.০০ | ১১৯০০০০০.০০ | ১০৪০৬৯২০০০.০০ |
| | | মুলধন | ৮২৮১৫০০০০.০০ | ০.০০ | ৮২৮১৫০০০০.০০ |
| ২ | মন্ত্ৰী পৰিষদ | ৰাজহ | ১৫৮৫৩৫০০০.০০ | ০.০০ | ১৫৮৫৩৫০০০.০০ |
| ৩ | ন্যায় প্ৰশাসন | ৰাজহ | ৫১৫৭৮০৪০০০.০০ | ৮৭৪৪০৭০০০.০০ | ৬০৩২২১১০০০.০০ |
| | | মুলধন | ১২৫২৯৪১০০০.০০ | ০.০০ | ১২৫২৯৪১০০০.০০ |
| ৪ | নিৰ্বাচন | ৰাজহ | ১৮৩২১০৬০০০.০০ | ০.০০ | ১৮৩২১০৬০০০.০০ |
| | | মুলধন | ১২৫২৩৯০০০.০০ | ০.০০ | ১২৫২৩৯০০০.০০ |
| ৫ | বিক্ৰীকৰ আৰু অন্যান্য কৰ | ৰাজহ | ৬৬৫১৮৮৩০০০.০০ | ০.০০ | ৬৬৫১৮৮৩০০০.০০ |
| | | মুলধন | ৩৪২৮৭২০০০.০০ | ০.০০ | ৩৪২৮৭২০০০.০০ |
| ৬ | ভূমি ৰাজহ | ৰাজহ | ৪৯৭৬১০৯০০০.০০ | ০.০০ | ৪৯৭৬১০৯০০০.০০ |
| | | মুলধন | ১৯০০০০০০.০০ | ০.০০ | ১৯০০০০০০.০০ |
| ৭ | টিকট আৰু পঞ্জীয়ন | ৰাজহ | ১০৬৬৬০৬০০০.০০ | ০.০০ | ১০৬৬৬০৬০০০.০০ |
| ৮ | ৰাজ্যিক আবকাৰী | ৰাজহ | ৮৮৯৮৪০০০০.০০ | ০.০০ | ৮৮৯৮৪০০০০.০০ |
| | | মুলধন | ১৫২০০০০০.০০ | ০.০০ | ১৫২০০০০০.০০ |
| ৯ | পৰিবহন সেৱা | ৰাজহ | ৩৯৯৪৭৮২০০০.০০ | ০.০০ | ৩৯৯৪৭৮২০০০.০০ |
| | | মুলধন | ১৫৪৪০৬৫০০০.০০ | ০.০০ | ১৫৪৪০৬৫০০০.০০ |
| ১০ | অন্যান্য অৰ্থনৈতিক সেৱা | ৰাজহ | ৩৬৩১৮০০০.০০ | ০.০০ | ৩৬৩১৮০০০.০০ |
| ১১ | সাধাৰণ প্ৰসাশন (সচিবালয় আৰু সংলগ্ন | ৰাজহ | ৯৪৬১৩৫৯০০০.০০ | ০.০০ | ৯৪৬১৩৫৯০০০.০০ |
| ১২ | সাধাৰণ প্ৰসাশন (জিলা আৰু মহকুমা) | ৰাজহ | ৪৯৩১৫৪২০০০.০০ | ০.০০ | ৪৯৩১৫৪২০০০.০০ |
| | | মুলধন | ১৬৮৫০১৫০০০.০০ | ০.০০ | ১৬৮৫০১৫০০০.০০ |
| ১৩ | কোষাগাৰ আৰু হিচাপ প্ৰশাসন | ৰাজহ | ১১৬২৬৮৭০০০.০০ | ০.০০ | ১১৬২৬৮৭০০০.০০ |
| | | মুলধন | ১৪১৩৬০০০০.০০ | ০.০০ | ১৪১৩৬০০০০.০০ |
| ১৪ | আৰক্ষী | ৰাজহ | ৬৪৮৬০৭২৪০০০.০০ | ৫২০০০০০.০০ | ৬৪৮৬৫৯২৪০০০.০০ |
| | | মুলধন | ৪৩৪০০৪৫০০০.০০ | ০.০০ | ৪৩৪০০৪৫০০০.০০ |
| ১৫ | কাৰাগাৰ | ৰাজহ | ৯৬২৫০৪০০০.০০ | ২০০০০০০.০০ | ৯৬৪৫০৪০০০.০০ |
| | | মুলধন | ৬৩৩৩২০০০০.০০ | ০.০০ | ৬৩৩৩২০০০০.০০ |
| ১৬ | মুদ্ৰণ আৰু লেখন | ৰাজহ | ৩৫৪২৪২০০০.০০ | ০.০০ | ৩৫৪২৪২০০০.০০ |
| | | মুলধন | ২৫২০০০০০.০০ | ০.০০ | ২৫২০০০০০.০০ |
| ১৭ | প্ৰশাসনীয় আৰু কাৰ্যালয় ভৱন | ৰাজহ | ৩৮২৬৭৮৫০০০.০০ | ০.০০ | ৩৮২৬৭৮৫০০০.০০ |
| | | মুলধন | ২১৬২৪৯১০০০০.০০ | ০.০০ | ২১৬২৪৯১০০০০.০০ |
| ১৮ | অগ্নিনিৰ্বাপক আৰু আপাতকালীন সেৱা | ৰাজহ | ১৮৫৬২৩৬০০০.০০ | ১০০০.০০ | ১৮৫৬২৩৭০০০.০০ |
| | | মুলধন | ৫৪৪৩৫০০০০.০০ | ০.০০ | ৫৪৪৩৫০০০০.০০ |
| ১৯ | নিৰীক্ষণ আয়োগ আৰু অন্যান্য | ৰাজহ | ৩২৩৫২২৩০০০.০০ | ০.০০ | ৩২৩৫২২৩০০০.০০ |
| | | মুলধন | ৮০৭৫০০০০.০০ | ০.০০ | ৮০৭৫০০০০.০০ |
| ২০ | অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী | ৰাজহ | ৩১৩৫৭৬২০০০.০০ | ০.০০ | ৩১৩৫৭৬২০০০.০০ |
| | | মুলধন | ৪৯৪০০০০০.০০ | ০.০০ | ৪৯৪০০০০০.০০ |
| ২১ | অতিথিশালা, চৰকাৰী নিবাস | ৰাজহ | ৫৩২৯২২০০০.০০ | ০.০০ | ৫৩২৯২২০০০.০০ |
| ২২ | প্ৰশাসনীয় প্ৰশিক্ষণ | ৰাজহ | ১৬৪৪০৭০০০.০০ | ০.০০ | ১৬৪৪০৭০০০.০০ |
| | | মুলধন | ১১২০১০০০০.০০ | ০.০০ | ১১২০১০০০০.০০ |
| ২৩ | পেঞ্চন আৰু অন্যান্য অৱসৰকালীন | ৰাজহ | ১১০৫৯৪৭২০০০০.০০ | ০.০০ | ১১০৫৯৪৭২০০০০.০০ |
| ২৪ | সাহায্য সামগ্ৰী | ৰাজহ | ৯০০০০.০০ | ০.০০ | ৯০০০০.০০ |
| ২৫ | অন্যান্য সাধাৰণ সেৱা | ৰাজহ | ৫৮৬৩১১৩৫০০০.০০ | ০.০০ | ৫৮৬৩১১৩৫০০০.০০ |
| | | মুলধন | ৩৪৩৯৯৭৫০০০.০০ | ০.০০ | ৩৪৩৯৯৭৫০০০.০০ |
| ২৬ | উচ্চ শিক্ষা | ৰাজহ | ৩২৮২৯৪৯১০০০.০০ | ০.০০ | ৩২৮২৯৪৯১০০০.০০ |
| | | মুলধন | ২১৩৪৭০৪০০০.০০ | ০.০০ | ২১৩৪৭০৪০০০.০০ |
| ২৭ | কলা আৰু সংস্কৃতি | ৰাজহ | ৯৪৫৬৯৪০০০.০০ | ০.০০ | ৯৪৫৬৯৪০০০.০০ |
| | | মুলধন | ১০৯৫৬৮৬০০০.০০ | ০.০০ | ১০৯৫৬৮৬০০০.০০ |
| ২৮ | ৰাজ্যিক দপ্তৰখানা | ৰাজহ | ২১৪৩২০০০.০০ | ০.০০ | ২১৪৩২০০০.০০ |
| | | মুলধন | ৫০৩৫০০০.০০ | ০.০০ | ৫০৩৫০০০.০০ |

| মঞ্জুৰী নং / | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য্য | মুঠ |
|---|---|---|---|---|---|
| ২৯ | চিকিৎসা আৰু জনস্বাস্থ্য | ৰাজহ | ৬৫৪৭৩৮৭৮০০০.০০ | ১০৫০০০০০.০০ | ৬৫৪৮৪৩৭৮০০০.০০ |
| | | মুলধন | ৬০৬১২৩৫০০০.০০ | ০.০০ | ৬০৬১২৩৫০০০.০০ |
| ৩০ | পানীযোগান আৰু অনাময় | ৰাজহ | ৪৭৬০৫৮১০০০.০০ | ০.০০ | ৪৭৬০৫৮১০০০.০০ |
| | | মুলধন | ৯১৯২০৮৫০০০.০০ | ০.০০ | ৯১৯২০৮৫০০০.০০ |
| ৩১ | গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা (নগৰ | ৰাজহ | ৯৪১৭৮৭৬০০০.০০ | ০.০০ | ৯৪১৭৮৭৬০০০.০০ |
| ৩২ | গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা (গৃহ নিৰ্মাণ) | ৰাজহ | ৬৯৮৯১০০০.০০ | ০.০০ | ৬৯৮৯১০০০.০০ |
| | | মুলধন | ৩৬১৫৪০০০.০০ | ০.০০ | ৩৬১৫৪০০০.০০ |
| ৩৩ | আৱাস গৃহ | ৰাজহ | ১৬৫৯১০০০.০০ | ০.০০ | ১৬৫৯১০০০.০০ |
| | | মুলধন | ৫২২৫০০০.০০ | ০.০০ | ৫২২৫০০০.০০ |
| ৩৪ | গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা (পৌৰ প্ৰশাসন) | ৰাজহ | ১৭৪৯৫২৪৫০০০.০০ | ০.০০ | ১৭৪৯৫২৪৫০০০.০০ |
| | | মুলধন | ১৯০০০০০০.০০ | ০.০০ | ১৯০০০০০০.০০ |
| ৩৫ | তথ্য আৰু জনসংযোগ | ৰাজহ | ১১৩৪৯০৭০০০.০০ | ০.০০ | ১১৩৪৯০৭০০০.০০ |
| ৩৬ | শ্ৰমিক কল্যাণ, দক্ষতা, নিয়োগ আৰু উদ্যমিতা | ৰাজহ | ২৪৩১৩০৮০০০.০০ | ০.০০ | ২৪৩১৩০৮০০০.০০ |
| | | মুলধন | ১১০৮৩৪৬০০০.০০ | ০.০০ | ১১০৮৩৪৬০০০.০০ |
| ৩৭ | খাদ্য, ভঁড়াল আৰু পণ্যাগাৰ | ৰাজহ | ৯৯৮৯৬৬৪০০০.০০ | ০.০০ | ৯৯৮৯৬৬৪০০০.০০ |
| | | মুলধন | ৮৮৪১৬০০০.০০ | ০.০০ | ৮৮৪১৬০০০.০০ |
| ৩৮ | অনুসূচীত জাতি/জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ | ৰাজহ | ৮১২১১৬৪০০০.০০ | ০.০০ | ৮১২১১৬৪০০০.০০ |
| | | মুলধন | ৪৩২৭৭২৭০০০.০০ | ০.০০ | ৪৩২৭৭২৭০০০.০০ |
| ৩৯ | সামাজিক নিৰাপত্তা, কল্যাণ আৰু পোষণ | ৰাজহ | ১৯৯০১৯৫০০০০.০০ | ০.০০ | ১৯৯০১৯৫০০০০.০০ |
| | | মুলধন | ৪৯২৪৭৯০০০.০০ | ০.০০ | ৪৯২৪৭৯০০০.০০ |
| ৪০ | সামাজিক নিৰাপত্তা আৰু কল্যাণ | ৰাজহ | ৬৪৫১১৬০০০.০০ | ০.০০ | ৬৪৫১১৬০০০.০০ |
| ৪১ | প্ৰাকৃতিক দুৰ্যোগ | ৰাজহ | ১৯১৬৩০১৮০০০.০০ | ০.০০ | ১৯১৬৩০১৮০০০.০০ |
| ৪২ | অন্যান্য সামাজিক সেৱাসমূহ (সংখ্যালঘুৰ কল্যাণ আৰু উন্নয়ন) | ৰাজহ | ১৮৪০৬৮১০০০.০০ | ০.০০ | ১৮৪০৬৮১০০০.০০ |
| | | মুলধন | ৬৪৬০০০০.০০ | ০.০০ | ৬৪৬০০০০.০০ |
| ৪৩ | সমবায় | ৰাজহ | ১০৭৮৪৫৩০০০.০০ | ০.০০ | ১০৭৮৪৫৩০০০.০০ |
| | | মুলধন | ৮৪৯১০৬০০০.০০ | ০.০০ | ৮৪৯১০৬০০০.০০ |
| ৪৪ | উত্তৰ পূব পৰিষদ আঁচনি | ৰাজহ | ১০০০০০০০.০০ | ০.০০ | ১০০০০০০০.০০ |
| | | মুলধন | ৪০০১০০০০০০.০০ | ০.০০ | ৪০০১০০০০০০.০০ |
| ৪৫ | লোকপিয়ল, জৰীপ আৰু পৰিসংখ্যা | ৰাজহ | ৪৫৫৪৯৭০০০.০০ | ০.০০ | ৪৫৫৪৯৭০০০.০০ |
| | | মুলধন | ২৮৫০০০০০.০০ | ০.০০ | ২৮৫০০০০০.০০ |
| ৪৬ | ওজন আৰু জোখমাপ | ৰাজহ | ২০০৫৬৬০০০.০০ | ০.০০ | ২০০৫৬৬০০০.০০ |
| | | মুলধন | ৪৩৪৬০০০.০০ | ০.০০ | ৪৩৪৬০০০.০০ |
| ৪৭ | বাণিজ্যিক উপদেষ্টা | ৰাজহ | ১৭০৫৮০০০.০০ | ০.০০ | ১৭০৫৮০০০.০০ |
| ৪৮ | কৃষি | ৰাজহ | ১৪১৭২৪৯৫০০০.০০ | ০.০০ | ১৪১৭২৪৯৫০০০.০০ |
| | | মুলধন | ১১৬৯০০৮০০০.০০ | ০.০০ | ১১৬৯০০৮০০০.০০ |
| ৪৯ | জলসিঞ্চন | ৰাজহ | ৭২১৮৬৮৫০০০.০০ | ০.০০ | ৭২১৮৬৮৫০০০.০০ |
| | | মুলধন | ২২৩৩৭৪৭০০০.০০ | ০.০০ | ২২৩৩৭৪৭০০০.০০ |
| ৫০ | অন্যান্য বিশেষ এলেকা আঁচনি (সীমা সুৰক্ষা আৰু উন্নয়ন) | ৰাজহ | ৪২০৩০০০০.০০ | ০.০০ | ৪২০৩০০০০.০০ |
| | | মুলধন | ৪৯১২৩৩০০০.০০ | ০.০০ | ৪৯১২৩৩০০০.০০ |
| ৫১ | ভূমি আৰু জল সংৰক্ষন | ৰাজহ | ৯২৬৮২৬০০০.০০ | ০.০০ | ৯২৬৮২৬০০০.০০ |
| | | মুলধন | ৩৮৩৬৬২০০০.০০ | ০.০০ | ৩৮৩৬৬২০০০.০০ |
| ৫২ | পশুধন আৰু পশুপালন | ৰাজহ | ৪৪৮১৭০১০০০.০০ | ০.০০ | ৪৪৮১৭০১০০০.০০ |
| | | মুলধন | ৫৮৯৬১১০০০.০০ | ০.০০ | ৫৮৯৬১১০০০.০০ |
| ৫৩ | দুগ্ধ উন্নয়ন | ৰাজহ | ৭৩৭৭৬৫০০০.০০ | ০.০০ | ৭৩৭৭৬৫০০০.০০ |
| | | মুলধন | ৮৫৮৮৪০০০.০০ | ০.০০ | ৮৫৮৮৪০০০.০০ |
| ৫৪ | মীনমহল | ৰাজহ | ১১৩৫৪০১০০০.০০ | ০.০০ | ১১৩৫৪০১০০০.০০ |
| | | মুলধন | ৩০৪১৯১০০০.০০ | ০.০০ | ৩০৪১৯১০০০.০০ |
| ৫৫ | পৰিবেশ আৰু বন | ৰাজহ | ৯৬৩০৬৭৬০০০.০০ | ০.০০ | ৯৬৩০৬৭৬০০০.০০ |
| | | মুলধন | ১৭০০৫১০০০.০০ | ০.০০ | ১৭০০৫১০০০.০০ |
| ৫৬ | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন (পঞ্চায়ত) | ৰাজহ | ২২২৪৪৬৯৭০০০.০০ | ৩৭৮৮৬০০০.০০ | ২২২৮২৫৮৩০০০.০০ |
| | | মুলধন | ১৯০০০০০০.০০ | ০.০০ | ১৯০০০০০০.০০ |
| ৫৭ | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন (গ্ৰামোন্নয়ন) | ৰাজহ | ৫৭৪০৮৬৬২০০০.০০ | ০.০০ | ৫৭৪০৮৬৬২০০০.০০ |
| ৫৮ | উদ্যোগ আৰু বাণিজ্য | ৰাজহ | ৪০৮৭০৪৬০০০.০০ | ০.০০ | ৪০৮৭০৪৬০০০.০০ |
| | | মুলধন | ৩০৮৪৪৫০০০০.০০ | ০.০০ | ৩০৮৪৪৫০০০০.০০ |
| ৫৯ | ৰেচম আৰু বয়ন | ৰাজহ | ৩৯৭৫১৮৪০০০.০০ | ০.০০ | ৩৯৭৫১৮৪০০০.০০ |
| | | মুলধন | ২৪৯৪৪৮০০০.০০ | ০.০০ | ২৪৯৪৪৮০০০.০০ |
| ৬০ | কুটিৰ শিল্প | ৰাজহ | ৭২১৮৭৪০০০.০০ | ০.০০ | ৭২১৮৭৪০০০.০০ |

| মঞ্জুৰী নং / | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য্য | মুঠ |
|---|---|---|---|---|---|
| ৬০ | কুটিৰ শিল্প | মুলধন | ১০৩০০০০০.০০ | ০.০০ | ১০৩০০০০০.০০ |
| ৬১ | খনি আৰু খনিজ দ্ৰব্য | ৰাজহ | ২১৪৫৭৮০০০.০০ | ০.০০ | ২১৪৫৭৮০০০.০০ |
| | | মুলধন | ৪০৬৬০০০০.০০ | ০.০০ | ৪০৬৬০০০০.০০ |
| ৬২ | শক্তি (বিদ্যুৎ) | ৰাজহ | ১০৪৩২৯৯৯০০০.০০ | ০.০০ | ১০৪৩২৯৯৯০০০.০০ |
| | | মুলধন | ৯০২৬৮৬১০০০.০০ | ০.০০ | ৯০২৬৮৬১০০০.০০ |
| ৬৩ | জলসম্পদ | ৰাজহ | ৩৯৩৩৫৪৪০০০.০০ | ০.০০ | ৩৯৩৩৫৪৪০০০.০০ |
| | | মুলধন | ৮৮৯২৫৫৭০০০.০০ | ০.০০ | ৮৮৯২৫৫৭০০০.০০ |
| ৬৪ | পথ আৰু দলং | ৰাজহ | ১৪৬৩৪০৯৮০০০.০০ | ০.০০ | ১৪৬৩৪০৯৮০০০.০০ |
| | | মুলধন | ৭৪৭৮৯২৮৮০০০.০০ | ০.০০ | ৭৪৭৮৯২৮৮০০০.০০ |
| ৬৫ | পৰ্যটন | ৰাজহ | ৪০৭০০৯০০০.০০ | ০.০০ | ৪০৭০০৯০০০.০০ |
| | | মুলধন | ৭২৩৯০৬০০০.০০ | ০.০০ | ৭২৩৯০৬০০০.০০ |
| ৬৬ | স্থানীয় নিকায় আৰু পঞ্চায়তীৰাজ | ৰাজহ | ৭২৬২৭০০০০০.০০ | ০.০০ | ৭২৬২৭০০০০০.০০ |
| ৬৭ | উদ্যান শস্য | ৰাজহ | ২৮৭৮৪৩৫০০০.০০ | ০.০০ | ২৮৭৮৪৩৫০০০.০০ |
| | | মুলধন | ১১৪০০০০০.০০ | ০.০০ | ১১৪০০০০০.০০ |
| ৬৮ | চৰকাৰী চাকৰিয়াললৈ ঋণ, অগ্ৰিম ইত্যাদি | মুলধন | ০.০০ | ০.০০ | ১০০০.০০ |
| ৬৯ | বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন | ৰাজহ | ১৯৯৯৮৮০০০.০০ | ০.০০ | ১৯৯৯৮৮০০০.০০ |
| | | মুলধন | ৩৬৫৭৫০০০০.০০ | ০.০০ | ৩৬৫৭৫০০০০.০০ |
| ৭০ | পাৰ্ব্বত্য অঞ্চল | ৰাজহ | ৮৬৩৭৫০০০.০০ | ০.০০ | ৮৬৩৭৫০০০.০০ |
| | | মুলধন | ২১৬৫০০০০.০০ | ০.০০ | ২১৬৫০০০০.০০ |
| ৭১ | শিক্ষা | ৰাজহ | ১৫৮২০৪৪৫৭০০০.০০ | ০.০০ | ১৫৮২০৪৪৫৭০০০.০০ |
| | | মুলধন | ৬৬৬০৫০৯০০০.০০ | ০.০০ | ৬৬৬০৫০৯০০০.০০ |
| ৭২ | সামাজিক নিৰাপত্তা আৰু কল্যাণ (সাহায্য | ৰাজহ | ১৯০১৪৪০০০.০০ | ০.০০ | ১৯০১৪৪০০০.০০ |
| ৭৩ | গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা (গুৱাহাটী উন্নয়ন) | ৰাজহ | ৩৫৫৪১০০০০০.০০ | ০.০০ | ৩৫৫৪১০০০০০.০০ |
| | | মুলধন | ৬০৭৪৩৯০০০০.০০ | ০.০০ | ৬০৭৪৩৯০০০০.০০ |
| ৭৪ | ক্ৰীড়া আৰু যুৱ কল্যাণ | ৰাজহ | ১৩৪২৪৯৫০০০.০০ | ০.০০ | ১৩৪২৪৯৫০০০.০০ |
| | | মুলধন | ৯২৩৪৭৭০০০.০০ | ০.০০ | ৯২৩৪৭৭০০০.০০ |
| ৭৫ | তথ্য আৰু প্ৰযুক্তি | ৰাজহ | ১০০৩০০৩০০০.০০ | ০.০০ | ১০০৩০০৩০০০.০০ |
| | | মুলধন | ১০০০.০০ | ০.০০ | ১০০০.০০ |
| ৭৬ | কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদ | ৰাজহ | ১৭২৯৮৯৯৪০০০.০০ | ০.০০ | ১৭২৯৮৯৯৪০০০.০০ |
| | | মুলধন | ১০১৮০০০০০০.০০ | ০.০০ | ১০১৮০০০০০০.০০ |
| ৭৭ | ডিমা হাছাও স্বায়ত্বশাসিত পৰিষদ | ৰাজহ | ৮৩৯৭৩০৫০০০.০০ | ০.০০ | ৮৩৯৭৩০৫০০০.০০ |
| | | মুলধন | ১৬২৮১১৯০০০.০০ | ০.০০ | ১৬২৮১১৯০০০.০০ |
| ৭৮ | বড়োলেণ্ড টেৰিটৰিয়েল অঞ্চল | ৰাজহ | ৩৩৮৩১০৭৩০০০.০০ | ০.০০ | ৩৩৮৩১০৭৩০০০.০০ |
| | | মুলধন | ১২৪১৪৩৪০০০.০০ | ০.০০ | ১২৪১৪৩৪০০০.০০ |
| ৭৯ | বড়োভূমি কল্যাণ | মুলধন | ০.০০ | ০.০০ | ৫০০০০০০০.০০ |
| ৮০ | খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি | ৰাজহ | ৮৬২৩৭৮০০০.০০ | ০.০০ | ৮৬২৩৭৮০০০.০০ |
| | | মুলধন | ১০৪১২৫০০০.০০ | ০.০০ | ১০৪১২৫০০০.০০ |
| | মুঠ | ৰাজহ | ৮৭৭০৩৯৮৯১০০০.০০ | ৬৬৩০৫৮৭০০০.০০ | ৬৩৬৭০৪৭৮০০০.০০ |
| | | মুলধন | ১৮৬৬১২৭৪৯০০০.০০ | ৪৫২২৭৩৮০০০০.০০ | ২৩১৮৪০১২৯০০০.০০ |
| | মঞ্জুৰী মুঠ | | ১০৬৩৬৫২৬৪০০০০.০০ | ১৩১৮৫৭৯৬৭০০০.০০ | ১১৯৫৫১০৬০৭০০০.০০ |

**Annexure**

**Abstract of Transactions**

(Rs. in crores)

| | | Actuals | Budget Estimates | Revised Estimates | Budget Estimates |
|---|---|---|---|---|---|
| | | 2020-21 | 2021-22 | 2021-22 | 2022-23 |
| | | [1] | [2] | [3] | [4] |
| **A. RECEIPTS** | | | | | |
| I | Consolidated Fund | **82844.93** | **107317.54** | **119423.04** | **119027.95** |
| | Revenue Account | 65896.19 | 88979.40 | 96042.36 | 96374.59 |
| | Capital Account | 16948.74 | 18338.14 | 23380.68 | 23673.71 |
| II | Contingency Fund | | 200.00 | 200.00 | 2000.00 |
| III | Public Account | 149056.68 | 182253.14 | 182054.71 | 162886.83 |
| | **Total (I + II + III )** | **231901.61** | **289770.68** | **301677.75** | **283914.78** |
| **B. EXPENDITURE** | | | | | |
| I | Consolidated Fund | **79154.76** | **107556.29** | **136554.69** | **119551.06** |
| | Revenue Account | 64519.59 | 84405.47 | 99752.92 | 96367.05 |
| | Capital Account | 14635.17 | 23150.82 | 36801.77 | 23184.01 |
| II | Contingency Fund | | 200.00 | 200.00 | 200.00 |
| III | Public Account | 152030.29 | 181610.81 | 169640.32 | 163743.58 |
| | **Total (I + II + III )** | **231185.05** | **289367.10** | **306395.01** | **283494.64** |
| **C. TRANSACTIONS DURING THE YEAR** | | | | | |
| | Surplus (+ ) | 716.56 | 403.58 | | 420.14 |
| | Deficit ( - ) | | | -4717.26 | |
| **D. OPENING BALANCE** | | | | | |
| | Surplus (+ ) | 2980.20 | | 3696.76 | |
| | Deficit ( - ) | | -969.78 | | -1020.50 |
| **E. CLOSING BALANCE** | | | | | |
| | Surplus (+ ) | 3696.76 | | | |
| | Deficit ( - ) | | -566.20 | -1020.50 | -600.36 |

সংলগ্ন-১

NIDA আৰু RIAS ৰ অধীনত ৰূপায়ণ কৰিবলগীয়া আঁচনিৰ তালিকা

| ক্ৰমিক নং | খণ্ড | আঁচনি | প্ৰাক্কলিত ধনৰ পৰিমাণ (কোটি টকাত) |
|---|---|---|---|
| ক | শিক্ষা | **অভিযান্ত্ৰিক মহাবিদ্যালয়** | |
| | | ১. বিহালী অভিযান্ত্ৰিক মহাবিদ্যালয় | ৫৪.৭১ |
| | | ২. গুৱালকুছি অভিযান্ত্ৰিক মহাবিদ্যালয় | ৫৪.৭১ |
| | | ৩. বঙাইগাঁও অভিযান্ত্ৰিক মহাবিদ্যালয় | ৫৪.৭১ |
| | | **৯ খন আদৰ্শ মহাবিদ্যালয়** | |
| | | ১. সোণাই, কাছাৰ, ২. চেঙা, বৰপেটা, ৩. বটদ্ৰৱা, নগাঁও, ৪. মঙলদৈ, দৰং, ৫. গোলকগঞ্জ, ধুবুৰী, ৬. জলেশ্বৰ, গোৱালপাৰা, ৭. বিলাসীপাৰা,ধুবুৰী, ৮. হাইলাকান্দি, ৯. কৰিমগঞ্জ | ২০৭.৫০ |
| | | ২০৯ খন উচ্চ মাধ্যমিক/উচ্চতৰ মাধ্যমিক বিদ্যালয় নিৰ্মাণ (প্ৰতিখনৰ বাবদ ৩ কোটি টকা) | ৬২৭.০০ |
| | | ২৫০০ খন অত্যাধুনিক প্ৰাক-প্ৰাথমিক বিদ্যালয় (প্ৰতিখনৰ বাবদ ৫০ লাখ টকা) (পূৰ্বৰ ৫০০০ কোটিৰ পৰা ১২৫০ কোটি টকালৈ হ্ৰাস কৰা হৈছে) | ১২৫০.০০ |
| | | **বিশ্ববিদ্যালয়** | |
| | | ১. মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, কমলাবাৰী<br>২. ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, হোজাই<br>৩. ভট্টদেৱ বিশ্ববিদ্যালয়, বজালী<br>৪. মাধৱদেৱ বিশ্ববিদ্যালয়, নাৰায়ণপুৰ আৰু<br>৫. বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়, গোলাঘাট, অসম<br>৬. অনিৰুদ্ধ ক্ৰীড়া বিশ্ববিদ্যালয় | ৩০০.০০ |
| | | ৭. যোৰহাট মহিলা মহাবিদ্যালয় | ২৫.০০ |
| | | ৯ খন মহিলা মহাবিদ্যালয় | ২২৫.০০ |
| | | **মুঠ (ক)** | **২৭৯৮.৬৩** |
| খ | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ | **চিকিৎসা মহাবিদ্যালয়** | |
| | | ১. বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় | ৫৬৪.৪৩ |
| | | ২. চৰাইদেউ চিকিৎসা মহাবিদ্যালয় | ৫৫৭.০০ |
| | | **নতুন চিকিৎসা মহাবিদ্যালয়** | |
| | | ১. ধেমাজি চিকিৎসা মহাবিদ্যালয় | ৫০০.০০ |
| | | ২. গোলাঘাট চিকিৎসা মহাবিদ্যালয় | ৫০০.০০ |
| | | ৩. বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় | ৫০০.০০ |
| | | ৪. তামুলপুৰ চিকিৎসা মহাবিদ্যালয় | ৫০০.০০ |
| | | ৫. মৰিগাঁও চিকিৎসা মহাবিদ্যালয় | ৫০০.০০ |
| | | **মুঠ (খ)** | **৩৬২১.৪৩** |
| গ | কৃষি | গুৱাহাটী বিমানবন্দৰৰ সমীপৱৰ্তী আজাৰা গাঁও পঞ্চায়ত এলেকাত কৃষি সামগ্ৰী ৰপ্তানিৰ বাবে অত্যাধুনিক শীতলীকৰণ ভঁড়াল স্থাপন | ৫০.০০ |

| ক্ৰমিক নং | খণ্ড | আঁচনি | প্ৰাক্কলিত ধনৰ পৰিমাণ (কোটি টকাত) |
|---|---|---|---|
| ঘ | পশুপালন আৰু পশু চিকিৎসা | আঞ্চলিক দুগ্ধ সংসাধন গোট (৩x৪) | ১২.০০ |
| | | | |
| ঙ | ক্ৰীড়া | ৪০ টা ক্ৰীড়া প্ৰকল্প (প্ৰতিখনতে ১২ কোটি টকাকৈ) | ৪৮০.০০ |
| | | চন্দ্ৰপুৰ ষ্টেডিয়াম নিৰ্মাণ | ১২০.০০ |
| | | ১০ খন জিলাত ষ্টেডিয়াম নিৰ্মাণ (প্ৰতিখনৰ বাবে ৫০ কোটি টকা) | ৫০০.০০ |
| চ | পৰ্যটন | জোঙালবলহু প্ৰত্নতাত্ত্বিক ক্ষেত্ৰত জোঙালবলহু ক্ষেত্ৰৰ নিৰ্মাণ (প্ৰেক্ষাগৃহ, সংগ্ৰহালয় আৰু লেণ্ড স্কেপিং ইত্যাদি) | ৫০.০০ |
| ছ | সাধাৰণ প্ৰশাসন বিভাগ | সংহত উপায়ুক্তৰ কাৰ্যালয় (১০ খন জিলাত) | ৫০০.০০ |
| জ | হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম | ৰেচম মহাবিদ্যালয় | ২০.০০ |
| ঝ | সমাজ কল্যাণ | আদৰ্শ অংগনবাড়ী (২০০০ খন, প্ৰতিখনত ২৫ লাখ টকাকৈ) | ৫০০.০০ |
| ঞ | গড়কাপ্তানী (পথ) | ঘুণাসুঁতিত দলং | ৩০৪.০০ |
| | | পাগলাদিয়াত দলং | ২০০.০০ |
| | | মিছন চাৰিআলিত উৰণ সেঁতু প্ৰকল্প | ১০০.০০ |
| | | কোকৰাঝাৰৰ পৰা ৰূপচীলৈ বিমানবন্দৰ পথ<br>বৌতাৰ পৰা মিছামাৰীলৈ পথ<br>ঘাগ্ৰাবস্তি পথ হৈ গহপুৰ-ঢলপুৰ পথ<br>ৰাষ্ট্ৰীয় ঘাইপথ ৫২ ত (দিবাক প্ৰৱেশ পথ) পেণ্ডেৰী ভৱন | ১৬৪৪.০০ |
| | | দেৰগাঁও চাৰিআলিৰ পৰা গোলাঘাটলৈ | ২০০.০০ |
| | | **মুঠ (গৰ পৰা টলৈ)** | ৪৬৮০.০০ |
| | | **মুঠ ঃ নাবাৰ্ড আন্তঃগাঁথনি উন্নয়ন সাহায্য (NIDA) ৰ অধীনত** | ১১১০০.০৬ |
| | | **ৰাজ্য গ্ৰাম্য আন্তঃগাঁথনি সাহায্য (RIAS) ৰ অধীনত** | |
| ত | মীন | ২০০০ টা গ্ৰাম্য বাজহুৱা পুখুৰী | ২০০.০০ |
| | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ | বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ (১.৬০ কোটি x ১২৫ টা) | ২০০.০০ |
| | সমাজ কল্যাণ | বকোত বৃদ্ধ আবাস | ১০০.০০ |
| | | | |
| | | **NIDA+RIAS ৰ অধীনত সৰ্বমুঠ** | ১১৬০০.০৬ |

সংলগ্ন-২

| ক্ৰমিক নং | প্ৰকল্পৰ নাম | প্ৰকল্পৰ ব্যয় |
|---|---|---|
| | **চলিত প্ৰকল্প (৯ টা)** | |
| ১ | জাইকাৰ সাহায্যপ্ৰাপ্ত গুৱাহাটী পানীযোগান প্ৰকল্প | ১৪২৭.০০ |
| ২ | AfD সাহায্যপ্ৰাপ্ত বন আৰু জৈৱবৈচিত্ৰ্য সংৰক্ষণ সম্পৰ্কীয় অসম প্ৰকল্প পৰ্যায়-২ | ৫০০.০০ |
| ৩ | বিশ্ব বেংক সাহায্যপ্ৰাপ্ত অসম ৰাজ্যিক ৰাজহুৱা বিত্তীয় প্ৰতিষ্ঠানিক সংস্কাৰ (ASPIRe) | ২৯৪.৫২ |
| ৪ | এছিয়ান ডেভেলপমেণ্ট বেংক সাহায্যপ্ৰাপ্ত অসম শক্তি খণ্ড বিনিয়োগ কাৰ্যসূচী (Tr-III) | ২১২৭.৫৩ |
| ৫ | AIIB সাহায্যপ্ৰাপ্ত অসমৰ অন্তঃৰাজ্যিক সঞ্চাৰণ ব্যৱস্থাৰ সম্প্ৰসাৰণ পৰ্যায়-১ | ৪৫৬০.৯২ |
| ৬ | বিশ্ব বেংক সাহায্যপ্ৰাপ্ত অসম নাগৰিককেন্দ্ৰিক সেৱা প্ৰদান প্ৰকল্প | ২৯২.৭৩ |
| ৭ | বিশ্ব বেংক সাহায্যপ্ৰাপ্ত অসম আভ্যন্তৰীণ জল পৰিবহণ | ৭৭০.০০ |
| ৮ | বিশ্ব বেংক সাহায্যপ্ৰাপ্ত অসম কৃষি ব্যৱসায় আৰু গ্ৰামীণ ৰূপান্তৰ প্ৰকল্প (APART) | ১৮৩৩.২০ |
| ৯ | NDB সাহায্যপ্ৰাপ্ত অসম সেঁতু প্ৰকল্প (গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটী সংযোগী ব্ৰহ্মপুত্ৰ সেঁতু) | ২৬০৮.৬৯ |
| | **মুঠ** | **১৪৪১৪.৫৯** |
| | **প্ৰবহন (PIPE LINE) প্ৰকল্পসমূহ (১২ টা)** | |
| ১ | অসম নগৰ আন্তঃগাঁথনি বিনিয়োগ প্ৰকল্প (AUIIP)-II, NDB ৰ অৰ্থ সাহায্যত | ৮৪০.৪২ |
| ২ | অসম শক্তি বিতৰণ ব্যৱস্থাৰ বৰ্দ্ধন আৰু ক্ষতি হ্ৰাস প্ৰকল্প, AIIB ৰ অৰ্থ সাহায্যত | ৩২৮৪.০৪ |
| ৩ | গুৱাহাটী পয়-প্ৰণালী প্ৰকল্প, জাইকাৰ অৰ্থ সাহায্যত | ১৭১২.০০ |
| ৪ | অসম সংহত নদী অৱবাহিকা ব্যৱস্থাপনা প্ৰকল্প, Tr-I, বিশ্ব বেংকৰ অৰ্থ সাহায্যত | ৭৪০.০০ |
| ৫ | ব্ৰহ্মপুত্ৰ বান আৰু নদীৰ পাৰ খহনীয়া প্ৰতিৰোধ ব্যৱস্থাপনা প্ৰকল্প, ADB ৰ অৰ্থ সাহায্যত | ৩৬০০.০০ |
| ৬ | অসম পথ ব্যৱস্থা উন্নীতকৰণ প্ৰকল্প, ADB ৰ অৰ্থ সাহায্যত | ২৭৫৬.২৫ |
| ৭ | অসম গৌণ পথ ব্যৱস্থা উন্নীতকৰণ প্ৰকল্প (ASRIP), AIIB ৰ অৰ্থ সাহায্যত | ২৮০০.০০ |
| ৮ | অসম সেঁতু প্ৰকল্প দ্বিতীয় (পলাশবাৰী-শুৱালকুছি), NDB ৰ অৰ্থ সাহায্যত | ৩০৯৪.০০ |
| ৯ | অসম ৰাজ্যিক সেঁতু আন্তঃগাঁথনি প্ৰকল্প (ASBIP), বিশ্ব বেংকৰ অৰ্থ সাহায্যত | ৪৩৬০.০০ |
| ১০ | অসম দক্ষতা বিশ্ববিদ্যালয়, ADB ৰ অৰ্থ সাহায্যত | ১০৩৬.০০ |
| ১১ | অসমত উৎকৰ্ষ চিকিৎসা শিক্ষা আৰু শক্তিশালী স্বাস্থ্য ব্যৱস্থা, জাইকাৰ অৰ্থ সাহায্যত | ৩৮৭৫.০০ |
| ১২ | অসম মীন উন্নয়ন আৰু জীৱিকা প্ৰকল্প, জাইকাৰ অৰ্থ সাহায্যত | ৩৩৯১.৫০ |
| | **মুঠ** | **৩১৪৮৯.২১** |
| | **সৰ্বমুঠ** | **৪৫৯০৩.৮০** |

সংলগ্ন-৩

| ক্রমিক নং | মাপকাঠী | বিত্তীয় বৰ্ষ | | |
|---|---|---|---|---|
| | | ২০১৯-২০২০ | ২০২০-২০২১ | ২০২১-২০২২ |
| ১ | অসমত বেংক একাউণ্টৰ সংখ্যা | ১,৪৮,৭১,১০৯ | ১,৬৩,২৬,২৪০ | ১,৮২,৬৩,১৯৭ |
| ২ | অসমত বেংক শাখাৰ সংখ্যা | ২,৫৩১ | ২,৯৭২ | ২,৯৯২ |
| ৩ | ঋণ পৰিশোধৰ অনুপাত | ৫২ শতাংশ | ৫১ শতাংশ | ৫৬ শতাংশ |
| ৪ | অগ্ৰাধিকাৰ ক্ষেত্ৰলৈ ঋণ | ৪৫,১৫৬ | ৪৯,৮৩২ | ৫৭,০৯৮ |